# Assam Legislative Assembly Debates

## OFFICIAL REPORT

EIGHTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE TENTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## BUDGET SESSION

**No. 8**

**The 31st March, 1999**

Price :— 42·00

# CONTENTS

BUDGET SESSION. No. 8

Dated, the 31st March, 1999


| | Subject | Page |
|---|---|---|
| 1. | Questions And Answers ... ... ... | 1 |
| 2. | Voting on Vote on Account.. ... ... | 54 |
| 3. | Introduction, Consideration And Passing of Assam Appropriation ( Vote on Account ) Bill 1999 ... ... | 57 |
| 4. | Statement By Chief Minister. ... ... | 61 |
| 5. | Discussion on the Censure Motion ... ... | 62 |
| 6. | Adjournment ... ... ... ... | 115 |
| 7. | Annexure ( I to VII ) ... ... ... | 116 |


—0—

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

## Wednesday, the 31st March, 1999

The House met at 4 P. M. of the Clock in the Assembly Chamber at Dispur with Mr. Ganesh Kutum, Speaker in the Chair.

## STARRED QUESTIONS AND ANSWERS

( To which oral replies were given )

**Mr. Speaker** : Now Starred Question No. 101. Hon'ble Member Shri Munin Mahanta. Hon'ble Minister of Flood Control is to reply.

### বিষয় : মথাউৰী ক্ষতিসাধন

**শ্ৰীমুনীন মহন্তই সুধিছে :**

* ১০১। মাননীয় বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ১৯৯৮ চনত ব্ৰহ্মপুত্ৰৰ বানে মৰিগাওঁ জিলাত ব্ৰহ্মপুত্ৰৰ মথাউৰী ছিড়ি ক্ষতি সাধন কৰাটো সত্য নে ?

(খ) যদি সত্য হয়, মৰিগাওঁ জিলাত উক্ত বানত কিমান লোক ক্ষতিগ্ৰস্ত হয়, মথাউৰী ছিঙাৰ দৈৰ্ঘ্য কিমান ?

(গ) উক্ত মথাউৰী পুনৰ নিৰ্মাণৰ বাবে কি ব্যৱস্থা লোৱা হৈছে জনাবনে ?

**শ্ৰীপ্ৰমোদ গগৈ (মন্ত্ৰী) য়ে উত্তৰ দিছে—**

(ক) হয়, কথাটো সত্য।

(খ) মৰিগাওঁ জিলাত বানত ক্ষতিগ্ৰস্ত হোৱা লোকৰ সংখ্যা ৪,৭২,০৪৫ জন। (মৰিগাওঁ জিলা প্ৰশাসনৰ পৰা পোৱা তথ্য মতে) ছিঙা অংশৰ দৈৰ্ঘ্য ৩.২৫ কিঃ মিঃ।

(গ) উক্ত ছিঙা অংশত পুনৰ নিৰ্মাণৰ ক্ষেত্ৰত ৪.৯ কিঃ মিঃ দৈৰ্ঘ্যৰ পশ্চাৎবান্ধ সজাৰ বাবে ৪.৩২৯৭ কোটি টকাৰ আৱশ্যকীয় প্ৰাক্‌কলন প্ৰস্তুত কৰা

হৈছে আৰু বিত্তীয় আৱন্টন্‌ৰ বাবে ৰাজহ বিভাগৰ লগত যোগাযোগ কৰা হৈছে।

**শ্ৰীযুনীন মহন্ত ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ৰ উত্তৰত ধন্যবাদ জনাইছো।

**Mr. Speaker** : Now Starred Question No. 102. Hon'ble Member Shri Etuwa Munda is to reply.

### বিষয় ঃ চিলিং চাৰপ্লাছ মাটি

**শ্ৰীএতোৱা মুণ্ডাই সুধিছে ঃ**

* ১০২। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) টিংখাং আৰু লেঙেৰী মৌজাত চিলিং চাৰপ্লাচ মাটি কিমান আছে ?

(খ) যদি আছে উক্ত মাটি কোন কোন অঞ্চলত আৰু কাৰ কাৰ দখলত আছে ?

(গ) উক্ত অনিয়মিতভাৱে দখলত থকা মাটি সমূহ প্ৰকৃত ভূমিহীন লোকৰ মাজত বিতৰণ আৰু স্থায়ীভাৱে সংস্থাপন দিয়াৰ বিষয়ে কিবা ব্যৱস্থা গ্ৰহন কৰা হৈছেনে ? যদি কৰিছে কিমান দিনৰ ভিতৰত পট্টা দি পুনৰ সংস্থাপনৰ ব্যৱস্থা গ্ৰহন কৰিব জনাবনে ?

(ঘ) উক্ত দুয়োটা মৌজাত 'গ্ৰাণ্টৰ'' অনিয়মিত ভাৱে দখলত কিমান মাটি আছে সেই বিষয়ে বিভাগীয় কৰ্ত্তৃপক্ষই জৰীপ কৰিছেনে ?

(ঙ) যদি কৰিছে মাটিৰ পৰিমাণ কিমান ? আৰু যদি কৰা নাই, কিয় কৰা নাই জনাবনে ?

(চ) উক্ত জৰীপবিহীন মাটি সমূহ প্ৰকৃত দখলদাৰি লোকৰ মাজত পট্টা দিয়াৰ ব্যৱস্থা গ্ৰহন কৰিবনে ? আৰু যদি কৰে কিমান দিনৰ ভিতৰত কৰিব মাননীয় মন্ত্ৰী মহোদয়ে জনাবনে ?

**ডঃ জয়নাথ শৰ্মা** (ৰাজহ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে—

(ক) টিং খাং মৌজাত মুঠ ১১,৬৫৩ বিঘা ২ (দুই) কঠা ১ (এক) লোচা আৰু লেঙেৰী মৌজাত মুঠ ২৭৭৬ বিঘা ১ (এক) কঠা ৮ (আঠ) লোচা চিলিং চাৰপ্লাচ মাটি আছে।

(খ) উক্ত মাটি টিংখাং আৰু লেঙেৰী মৌজাৰ প্ৰাক্তন চাহবনুৱা আৰু নেপালী আৰু স্থানীয় খিলঞ্জীয়া লোকৰ দখলত আছে।

(গ) উক্ত মাটি সমূহ বিতৰণৰ প্ৰক্ৰিয়া এই বছৰৰ ভিতৰত সম্পূৰ্ণ কৰিব পৰা যাব বুলি আশা কৰা যায়।

(ঘ) উক্ত মৌজা দুটাত 'গ্ৰান্টৰ' অনিয়মিত দখলত কোনো মাটি নাই। গতিকে জৰীপ কৰা হোৱা নাই।

(ঙ) প্ৰশ্ন নুঠে।

(চ) প্ৰশ্ন নুঠে।

*শ্ৰীএতোৱা মুণ্ডা ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে ১ নং প্ৰশ্নৰ উত্তৰত কৈছে টিংখাং মৌজাত মুঠ ১১,৬১৩ বিঘা ২ কঠা ১ লোচা আৰু লেঙেৰী মৌজাত মুঠ ২৭৭৬ বিঘা ১ কঠা ৮ লোচা চিলিং চ'ৰপ্লাচ মাটি আছে। এই দুয়োটা মৌজা লগ লগাই ১৪,৭২৯ বিঘা মাটি আছে। ইয়াত খ প্ৰশ্নৰ উত্তৰত কৈছে উক্ত মাটি টিংখাং আৰু লেঙেৰীমৌজাৰ প্ৰাক্তন চাহ বনুৱা আৰু নেপালী আৰু স্থানীয় খিলঞ্জিয়া লোকৰ দখলত আছে। মন্ত্ৰী মহোদয়ৰ পৰা আজিলৈ বিচাৰিছো এই ১৪,৪২৯ বিঘা মাটি দুটা মৌজা মিলি আছে। ইয়াৰ ভিতৰত চাহ বাগিচাৰ কথাটো নাহিল। মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো চাহ বাগিচাৰ দখলত চাৰপ্লাচ মাটি কিমান আছে ?

*ড: জয়নাথ শৰ্মা (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, আমি পোৱা তথ্য অনুসৰি চাহ-বাগিচাৰ দখলত তেনেকুৱা মাটি নাই। যি সকল প্ৰাক্তন চাহ বনুৱা তেওঁলোকৰ সকলৰ দখলত মাটি আছে।

*শ্ৰীএতোৱা মুণ্ডা : মাননীয় অধ্যক্ষ মহোদয়, মই ভাবো এই উত্তৰটো তেখেতক যোগান দিয়া বিষয়া সকলে বৰ শুদ্ধভাৱে দিয়া নাই। যিহেতু তেখেতে প্ৰশ্ন খ উত্তৰত দিছে উক্ত দুয়োটা মৌজাৰ গ্ৰান্টৰ দখলি মাটি নাই বুলি কৈছে। মাননীয় মন্ত্ৰীয়ে হয়তো পাহৰিছে কিজানি এই সদনতে ১৯৯৭ চনত এইটো আলোচনা হৈছিল তেখেতে এখন লিষ্ট বিচাৰিছিল আৰু মই দিছিলো। চৰজী কেকুৰীত ৩০০ বিঘা মাটি আছে মৰাণত ১০৭ আৰু ১৮২ এফ্ এন্ গ্ৰান্টত মাটি আছে আৰু শালগুৰী গ্ৰান্টত ২০০০ বিঘা মাটি আছে। বুটিহুৰ দিনতে চিম্পুল গ্ৰেণ্ট দিয়া মাটি ৰাইজৰ দখলত আছে। তেখেতে আগতে বিচৰাত

* Speech not correct

২০/৩/৯৭ তাৰিখে লিষ্ট এখন দিছিলো। তাৰ গ্ৰাণ্টৰ মাটি আছে আপুনি নাই বুলি কৈছে। এইটো প্ৰকৃততে কি হৈছে।

*ডঃ জয়নাথ শৰ্মা (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, তেখেতে যিখিনি কথা ইয়াত কৈছে এই বিধান সভাৰ পিচত মই তেখেতৰ লগত একেলগে যাম গৈ ডিব্ৰুগড় চাৰ্কিট হাউচত আলোচনা কৰি ব্যৱস্থা লম।

*শ্ৰীএতোৱা মুণ্ডা : মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰীক ধন্যবাদ দিছো।

**Mr. Speaker** : Now starred Question No. 103, Hon'ble Member Shri Binod Gayary.

**Re : 4th Ranger College of India at Naosarka Pathar.**

**Shri Binod Gayary asked :**

*103 Will the Minister of Forest be pleased to state -

(a) When the functioning of 4th Ranger College of India at Naosarka Pathar, the Sahid Khargeswar Talukdar Nagar, under Bajali Sub-Division in the district of Barp [illegible] be started for which the foundation stone was laid down by the then Chief Minister of Assam Shri P. K. Mahanta on 15th November, 1990 ?

(b) It is fact that the North East Council had sanctioned Rs. 115 lakhs for the said College out of which Rs. 25 lakhs was released as declared by the then Chief Minister on the same occacion in the open meeting ?

**Shri Nagen Sarma (Minister of Forest) replied :**

(a) and (b) The North East Forest Rangers College was set up in 1989, temporarily in the premises of the existing Assam Forest College at Jalukbari. It was intended to shift the College to Bajali Sub-Division as and when the NEC provided adequate funds. However, the NEC sanctioned only Rs. 115 lakhs for the period 1989-1997, of which only

* Spech not correct

Rs. 19 lakhs were for construction of buildings, vide their letter dated 12.3.90. Subsequent efforts to obtain adequate funds from the NEC have not been successful so far.

***Shri Binod Gayary** : Hon. Speaker, Sir, Hon. Forest Minister is replying that the North East Forest Rangers' College was set up in 1989, temporarily in the premises of the existing Assam Forest College at Jalukbari. The foundation-stone of this College was laid down on 15 November, 1990 by the then Hon. Chief Minister, Shri P. K. Mahanta at Naosarka Pathar. It was proposed to call the place Swahid Khargeswar Talukdar Nagar in the memory of ASSU movement. In that particulars meeting Hon Chief Minister openly declared that the North Eastern Council sanctioned Rs 115 lakhs for construction of permanent College buildings and out of which Rs 25 lakhs were released for starting construction works. But the Hon. Forest Minister is replying that the Rangers' College will be shifted to the Bajali Sub-Division, as and when the NEC would provide adquate funds, for constructions of buildings, etc. In that particular meeting the Hon. Chief Minister had given commitment to the people of that particular area presided over by a then Cabinet Minister, Late S. N. Medhi that after completion of works the College will be shifted to that place from Jalukbari.

**Mr. Speaker** : Hon'ble Forest Minister is present. Please put to him.

***Shri Binod Gayary** : Mr. Speaker, Sir, I want to know when the College will be started there ?

---

* Speech not corrected

***Shri Nagen Sarma, ( Minister, Forest )** : No acquate fund is now available from NEC. Construction work will be done when adequate fund will be provided for construction of the College buildings.

***Shri Binod Gayary** : Mr Speaker, Sir, may I know from the Hon. Minister, Forest when the fund will be available?

***Shri Nagen Sharma** ( Minister ) : I will try my level best to provide fund for this purpose. The NEC released only Rs. 25 lakhs. So it is difficult to start works. When the adequate money would be provided, we will start the construction works.

***Shri Binod Gayary** : It is not a specific answer. Already an amount of Rs 115 lakhs was sanctioned for construction of that particular College, out of which Rs. 25 lakhs were released Why the construction works have not started even after getting the fund ?

***Shri Nagen Sarma** ( Minister ) : Particularly in the Bajali Sub-Division area the land is very low. Rs. 30 lakhs have already been spent on earth filling. It is not possible to construct the building.

***Shri Binod Gayary** : Why has no work started yet ?

***Shri Nagen Sarma** ( Minister ) . Mr. Speaker, Sir, I have already replied that we have not got adequate fund.

**Mr. Speaker** : Now Started Question No 104, Hon'ble Member Shri Pradyut Bordoloi.

## Re : FLOOD CONTROL PROPOSAL

***Shri Pradyut Bordoloi asked—**

*104. Will the Minister of Flood Control be pleased to state :

* Speech not corrected

(a) As to what is the status of flood control proposal for Buridehing river at Margherita which was sent to National Water Commission for approval a couple years back ?
(b) Whether the Government have serious intention to take-up the anti-erosion measures at Margherita before the onset of rainy season ?

**Shri Promode Gogoi** ( Minister of Flood Control ) replied :
(a) No scheme has been submitted to Central Water Commission, New Delhi for Buridehing river at Margherita.
(b) In view of reply furnished at above, it does not arise.

*শ্ৰীপ্ৰদ্যুৎ বৰদলৈ : মাননীয় অধ্যক্ষ মহোদয়, মই বিভাগীয় মন্ত্ৰী মহোদয়ক সুধিব বিচাৰিছো যে মাৰ্ঘেৰিটাত থকা বুঢ়ী দিহিং নদী খন বানপানীৰ সময়ত হোৱা গড়াখহনীয়া সমস্যাটো আজি ভালেমান বছৰৰ আগতে বাননিয়ন্ত্ৰণ বিভাগে প্ৰতিৰোধ কৰাৰ কাৰণে দিল্লীত থকা চেণ্টেল ওৱাটাৰ কমিশ্যনলৈ কোনো আঁচনি পঠিয়াব পৰা নাই। বান নিয়ন্ত্ৰণ বিভাগে দিয়া প্ৰপজেল সম্পৰ্কে মাননীয় মন্ত্ৰী মহোদয়ে জনাব নেকি ?

*Shri Promode Gogoi ( Minister ) : Mr. Speaker, Sir, I have already replied that till now we have not submitted any proposal to the Central Water Commission. But the position is - the erosion caused by river Buridehing near Margherita town is affecting mainly Dehingpuria gaon. In view of the erosion a scheme namely, "Extension of anti-erosion measures against erosion of river Buridehing at up stream on left bank of Margherita town" for Rs. 155 lakhs was placed before the 25th Technical Advisory Committee meeting held on 19th-21st September, 1996. The Committee after careful deliberation recommended the seheme. Accordingly, detailed survey is carried out and detailed project report is being prepared. Shortly the

---

* Spech not corrected

project report will be submitted to the Central Water Commission for its technical clearance. This is the present position.

*শ্ৰীপ্ৰদ্যুৎ বৰদলৈ : মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা এটা কথা জানিব বিচাৰিছো যে, ১৯৯৩ চনত দিহিং বুড়ীয়া গাওঁখন স্থাপন হৈছিল। গাওঁখনত ২৭ ঘৰ মানুহ বানপানীত জাহ গৈছিল। বাৰিষা অহাৰ লগে লগে বুঢ়ীদিহিং নদীখনৰ খহনীয়াই দিহিংবুড়ীয়া গাওঁৰ গড়াখহনীয়া যাতে নহয় তাৰ কাৰণে কিবা ব্যৱস্থা লব বুলি আমাক আশ্বাস দিব পাৰিব নেকি ?

*Shri Promode Gogoi (Minister): Mr. Speaker, Sir, the project report is being prepared by the department and shortly this will be sent to the Central Water Commission for approval and after getting clearance it will go before the planning Commission and then we will have to wait for the investment clearance from the planning Commission and after that we will start the work. In view of the urgency of the situation, the Hon'ble Member has requested for some measures. We will definitely look into it.

*শ্ৰীপ্ৰদ্যুৎ বৰদলৈ : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে যিটো প্ৰচিডিওৰ কথা কলে তাৰ কাৰনে ভালেখিনি বছৰ লাগিব। নিজাববীয়াকৈ গড়াখহনীয়া প্ৰতিৰোধৰ ব্যৱস্থা লব পাৰিব বুলি মাননীয় মন্ত্ৰী মহোদয়ে আশ্বাস দিব পাৰিব নেকি ?

*Shri Promode Gogoi (Minister): We will look into it subject to availability of fund :

* শ্ৰীপ্ৰদ্যুৎ বৰদলৈ : মাননীয় অধ্যক্ষ মহোদয়, সেই গাওঁখনত প্ৰায় ২০০ ঘৰ মানুহ আছে। বানপানীৰ সময়ত এই মানুহ খিনিৰ পানীত হাহ নচৰা অৱস্থা হয়। গড়াখহনীয়া চলি থাকিলে মাৰ্ঘেৰিটাৰ এটা অংশ বুঢ়ীদিহিং নদীত জাহ যাব। সেয়েহে বিষয়টো মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টিগোচৰ কৰিলো।

*শ্ৰীপ্ৰমোদ গগৈ : (মন্ত্ৰী) মাননীয় অধ্যক্ষ মহোদয়, মই স্পষ্টকৈ কৈছো— যিমান পাৰো মই চেষ্টা কৰিম।

* Speech not corrected

Mr. Speaker : Now Starred Question No. 105, Hon'ble Minister, Revenue to reply.

## বিষয় : বান সাহায্য বিতৰণত হোৱা দুৰ্নীতি

**শ্ৰীদিলীপ কুমাৰ শইকীয়াই সুধিছে :**

*১০৫। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ১৯৯৮ চনৰ বানপানীত ক্ষতিগ্ৰস্ত লোকসকলৰ সাহায্য আৰু পুনৰ সংস্থাপনৰ নামত খাদ্য সামগ্ৰীকে ধৰি অন্যান্য অত্যাৱশ্যকীয় সামগ্ৰী সমূহ যোগানৰ ক্ষেত্ৰত হোৱা ব্যাপক দুৰ্নীতি আৰু খেলি-মেলি সমূহৰ তদন্ত আৰু দুৰ্নীতিৰে জড়িত যোগানকাৰী আৰু বিষয়া কৰ্মচাৰী সকলৰ ক্ষেত্ৰত বিহীত ব্যৱস্থা লোৱাৰ ক্ষেত্ৰত ১৯৯৮ চনৰ বিধান সভাৰ মজিয়াত যি আশ্বাস দিছিল তাৰ কিবা কাৰ্য্যকৰী ব্যৱস্থা লোৱা হ'লনে ? যদি কিবা কাৰ্য্যকৰী ব্যৱস্থা লোৱা হ'ল তেন্তে প্ৰতিবেদন দাখিল কৰিব ?

(খ) ১৯৯৮ চনৰ বানপানীত ক্ষতি হোৱা কিমানটা পৰিয়ালক পুনৰ সংস্থাপন দিয়া হ'ল জিলা ভিত্তিত পৰিয়ালসহ প্ৰতিবেনত দাখিল কৰিব ?

**ডঃ জয়নাথ শৰ্মা ( ৰাজহমন্ত্ৰী )য়ে উত্তৰ দিছে :**

(ক) ধেমাজী জিলাত বান সাহায্যৰ সামগ্ৰী যোগানৰ ক্ষেত্ৰত হোৱা কিছু খেলি-মেলি সম্বন্ধে তদন্তৰ প্ৰতিবেদন পোৱা গৈছে আৰু প্ৰতিবেদন বৰ্ত্তমান পৰীক্ষা কৰি থকা হৈছে। শ্ৰীহৰিচৰণ ভক্ত নামেৰে অতিৰিক্ত সহকাৰী আয়ুক্ত এজনক ইতিমধ্যে নিলম্বিত কৰা হৈছে।

(খ) যাৱতীয় জিলা ভিত্তিক তালিকা সংলগ্ন কৰি দিয়া হৈছে।

( See the Annexure I )

*শ্ৰীদিলীপ কুমাৰ শইকীয়া : মাননীয় অধ্যক্ষ ডাঙৰীয়া, মই যোৱাবাৰ এই প্ৰশ্নটো উত্থাপন কৰিছিলো। মন্ত্ৰী ডাঙৰীয়াই তেতিয়া ধেমাজীত উচ্চ পৰ্য্যায়ৰ তদন্ত এটা কৰাৰ কাবণে বিষয়া পঠাম বুলি কৈছিল। কি কাৰণত পঠোৱা নাই মই নাজানো। মই জনাত অনিল বৰুৱা ডিৰেক্টৰ, ডেপুটি ডিৰেক্টৰ নহয়। তেখেতে ৰেভিনিউত আছিল। তেখেত সকলে যিটো ৰিপোৰ্ট দিছিল তাত মোৰ অলপ সন্দেহ আছে। সেই বিষয়াজনৰ ওপৰত যিটো দায়িত্ব আছিল

---

* Speech not corrected

তালুকদাৰ উপাধিৰ এজন লোকে জাম্প কৰি আহি সকলোকৈ চিনিয়ৰ হৈ আছে। যাতে প্ৰকৃত তথ্য উদঘাটন হ'ব নোৱাৰে। তাত যথেষ্ট খেলি-মেলি আছে। বিষয়া সকলক হাতত ৰাখি যি ধৰণে ৰিপোৰ্ট দিয়া হৈছে মাননীয় মন্ত্ৰী মহোদয়ে বিষয়টো গুৰুত্ব সহকাৰে লব লাগে। বানপানীৰ যিটো সমস্যা চৰকাৰে উচিতমতে খৰছ কৰাৰ বাবে চিন্তা কৰিব লাগে। মাননীয় মন্ত্ৰী মহোদয় যিয়ে নহওঁক ৰিপোৰ্টটো সদনৰ মজিয়াত দাখিল কৰিব নেকি? এই চলিত অধিবেশনতে। এপ্ৰোভৰ ক্ষেত্ৰত কওঁ ই এ চি এজনে এপ্ৰোভ নকৰে। এজন ই এ চিক চাচপেণ্ড কৰিলে সমস্যা সমধা নহয়। মাননীয় অধ্যক্ষ মহোদয়, গোটেই অসমৰ ২১ খন জিলাৰ প্ৰতিবেদন সদন চলি থকা সময়ত দাখিল কৰিব নেকি ?

*ডঃ জয়নাথ শৰ্মা ( মন্ত্ৰী, ৰাজহ বিভাগ ) : মাননীয় অধ্যক্ষ মহোদয়, ২১ খন জিলাৰ পৰা প্ৰতিবেদন অহা নাই। ধেমাজীৰ বিষয়ে আলোচনা হোৱাৰ পিচত আজি ইয়াৰ পৰা ফাইনেল ট্ৰেনজেকচনৰ বিষয়ে এজনক কৈছিলো। তেখেত সকলে ৰিপোৰ্টটো লৈ আহিছে যিটো কমিশ্যনাৰ লেভেলত পৰীক্ষা নিৰিক্ষা কৰি আছে। যি সকল অফিচাৰ প্ৰাথমিক পৰ্য্যায় দায়িত্ব পোৱা নাই তেখেত সকলৰ এজনো ৰেভিনিউ বিভাগত নাই। পাৰ্চনেল ডিপাৰ্টমেন্টৰ লগত যোগা-যোগ কৰিবৰ কাৰণে সিদ্ধান্ত লৈছো।

*শ্ৰীদিলীপ কুমাৰ শইকীয়া : মাননীয় অধ্যক্ষ মহোদয়, আজি অলপ দিনৰ আগতে ৭০ লাখ টকা গৈছে। কিন্তু দুখেৰে জনাবলৈ বাধ্য হৈছো যে এই-টকাৰে পিকনিক হৈছে। বিষয়া সকলে ৰাইজৰ কেচা তেজ শুহি খাইছে। এই টোৰ তদন্ত হ'ব লাগে। মই জানো, মই ধেমাজীৰ বিধায়ক। মই বানপানী হোৱা ঠাই বিলাকত ঘূৰি ফুৰো। তাত টকাৰ মিচ ইউজ হোৱা দেখিবলৈ পাইছো। যদি এই বিষয়টোৰ ওপৰত একো ব্যৱস্থা লোৱা নহয় তেতিয়াহলে মই যেতিয়ালৈকে এই বিধান সভাৰ সদস্য হৈ থাকিম তেতিয়ালৈকে এই বিষয়টো উত্থাপন কৰি থাকিম। সেয়েহে যি সকল জগৰীয়া বা দোষী বিষয়া তেখেত সকলক মুখ্য সচিব বা অন্য বিষয়াৰ জৰিয়তে তদন্ত কৰি শাস্তি দিয়াৰ ব্যৱস্থা লব লাগে। তদন্ত কৰাৰ কাৰণে চৰকাৰৰ বহুতো মেচিনাৰী আছে। অকল ধেমাজী জিলাতেই নহয়, অসমৰ ২৩ খন জিলাৰ ২১ খন জিলাত বানপানী

* Speech not corrected

হৈছিল। বানপানীৰ সময়ত বনভোজ হয়, উৎসৱ হৈ যায়, এইটো সচা কথা। গতিকে মাননীয় মন্ত্ৰী মহোদয়ে এই বিষয়টো চিৰিয়াচ হিচাবে লব লাগে। কিয়নো ১৯৯৬ চনত এক গাড়ী খৰিৰ দাম আছিল ১৫০০ টকা, ১৯৯৭ চনত এক গাড়ী খৰিৰ দাম আছিল ৩০০০ টকা অৰু ১৯৯৮ চনত এক গাড়ী খৰিৰ দাম আছিল ১২০০০ টকা। গতিকে ইমান বৃদ্ধি কেনেকৈ হব পাৰে। ইত ইজ ইমপচিবুল। বৃদ্ধিৰ এটা ৰেচিও হব লাগে। ঠিক সেইদৰে পলিথিনৰ মিটাৰ আছিল ৫ টকা কিন্তু চৰকাৰী এপ্ৰোভ ৰেট ২৫ টকা, ২৮ টকা, এইটো কেনেকৈ হ'ল? আমি বিত্তিয় নাটনিৰ কথা কৈ আছো। কিন্তু এই বিলাক কথাও চাব লাগিব। আমাৰ মাননীয় মন্ত্ৰী মহোদয়ে এই চলিত অধিবেশনৰ ভিতৰতেই এই বিষয়টোৰ ওপৰত এটা প্ৰতিবেদন দাখিল কৰিব লাগে। বানপানী চেপ্তেম্বৰ মাহতেই হৈ গ'ল। আজি প্ৰায় ছয় মাহেই হ'ল। ৰাজহ মন্ত্ৰী মহোদয়ে যিটো এনকুৱাৰী কমিটি সেই কমিটিয়ে প্ৰতিবেদন দিছে কিন্তু সেইটো কাৰ্যাকৰী কৰাতে কিয় ইমান সময় লৈছে?

*ডঃ জয়নাথ শৰ্মা (ৰাজহ মন্ত্ৰী) মাননীয় অধ্যক্ষ মহোদয়, কথাটো ঠিক তেনেকুৱা নহয়। বানপানীৰ সময়ত নিশা ১টা, ২টা, ৩টা পৰ্য্যন্ত খুগুৰাকৈ থাকিব লাগে। কিয়নো পইচা-পাতি বিচাৰি থাকে। এইটো ডি চিয়ে এক-জিকিউচন কৰিব। আমি বিতং তদন্ত নকৰাকৈ গোটেই কথাটো কব নোৱাৰো। এতিয়া গোটেই ধেমাজী সম্পৰ্কত যিটো অভিযোগ উঠিছে On examination of such record it is found that Sri B. C. Das Addl, D.C. Sri H. C. Bhakt, EAC, Sri K. Keot, the than EAC, and Sri P. Talukdar found to be held responsible for failing in dealing with the money matter ইয়াৰ ওপৰত একচন লোৱাত পলম হৈছে কাৰণ এই গোটেই কেইজন বিষয়া ৰেভিনিউ ডিপাৰ্টমেণ্টৰ আওতাৰত নহয়।

*শ্ৰীভৰত চন্দ্ৰ নৰহ : মাননীয় অধ্যক্ষ মহোদয়, চি, এমৰ আওতাৰত। গতিকে টেক আপ কৰিব লাগে আৰু চি এমৰ লগত কনচাণ্ট কৰিব লাগিছিল।

*ডঃ জয়নাথ শৰ্মা (ৰাজহ মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয় আমি গোটেই খিনি কথা পাৰ্চনেল বিভাগৰ লগত যোগাযোগ কৰাৰ ব্যৱস্থা কৰিছো। তদন্ত

Speech not corrected

শেষ নোহোৱালৈকে তৎক্ষণাৎ এটা সিদ্ধান্তত উপনীত হব নোৱাৰি। এতিয়া ধেমাজীৰ ক্ষেত্ৰত আমি প্ৰতিবেদন পাইছো। এই প্ৰতিবেদনৰ ওপৰত কঠোৰ ব্যৱস্থা লোৱা হ'ব।

Mr. Speaker : Now starred Question No. 106. Hon'ble Member Shri Mohan Das, Hon'ble Minister Flood Control is to reply.

## বিষয় : মথাউৰি মেৰামতি

**শ্ৰীমোহন দাসে সুধিছে—**

*১০৬। মাননীয় বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) চৰকাৰ অৱগতনে, যোৱাবাৰৰ বানপানীত ভীষণভাবে ক্ষতিগ্ৰস্ত হোৱা পহুমাৰা নদীৰ পুৱ কলৰগুৰি মথাউৰিটো যদি এইবাৰ মেৰামতি কৰা নহয় তেন্তে বজালী মহকুমাৰ বিস্তৰ ক্ষতিগ্ৰস্ত হোৱাৰ আশংকা আছে ?

খ) এই মথাউৰিটো মেৰামতি কৰাৰ বাবে চৰকাৰৰ কিবা আঁচনি আছে নেকি ? আৰু যদি আছে তেন্তে সেই সম্পৰ্কে জনাব নেকি ?

**শ্ৰীপ্ৰমোদ গগৈ ( বাননিয়ন্ত্ৰণ মন্ত্ৰী )য়ে উত্তৰ দিছে :**

ক) হয় অৱগত।

খ) হয় আছে।

মথাউৰীটো মেৰামতি কৰাৰ বাবে FDR শিতানত ৭.২০ লাখ টকাৰ পশ্চাদ বান্ধ ( Retirment ) নিৰ্ম্মাণৰ বাবে আচনি এখন প্ৰস্তুত কৰা হৈছে। আচনি খনৰ প্ৰয়োজনীয় বিত্তীয় অনুমোদনৰ বাবে ৰাজহ বিভাগৰ লগত যোগাযোগ কৰি থকা হৈছে।

*শ্ৰীমোহন দাস : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে মোৰ প্ৰশ্নৰ যিটো উত্তৰ দিছে তাত মই সম্পূৰ্ণ আশ্বস্ত হব পৰা নাই। বানপানীৰ সময়ত মই প্ৰশ্নত উল্লেখ কৰা ধৰণে পুৱ কলৰপুলিৰ মথাউৰিটো বৰ বেয়াকৈ ক্ষতিগ্ৰস্ত হৈছিল। কিন্তু ৰাইজ আৰু বিষয়া কৰ্ম্মচাৰী সকলৰ প্ৰচেষ্টাত আৰু ভগবানৰ কৃপাত সেই মথাউৰীটো ভাঙি নোযোৱাকৈ ৰক্ষা কৰিব পৰা হৈছিল আৰু সেই কাৰণে তাত মানুহৰ ঘৰ-দুৱাৰ, খেতি পথাৰ, ৰাষ্টা, দলং আৰু বজালী মহকুমাৰ পাঠশালা নগৰ বিস্তৰ ক্ষতিৰ পৰা ৰক্ষা পৰিছিল। এতিয়া

* Speech not corrected

বানপানী হোৱাৰ ৬ মাহ ওপৰ হৈ গ'ল যদিও সেই ক্ষতিগ্ৰস্ত হোৱা অংশ বিলাক মেৰামতি কৰা চকুত নপৰিল। মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰত সেইটোৰ মেৰামতি কৰা হৈছে বুলি কৈছে আৰু কেনে ধৰণে কৰা হৈছে সেইটোও কৈছে। এইটো কৰাত যথেষ্ট পলম হৈছে। তাত মাটিৰ কামখিনি কৰাৰ কাৰণে টকা কাক দিয়া হৈছে। কিন্তু প্ৰতেকচনৰ কাৰণে কাম কৰা হোৱা নাই। পহুমাৰা আৰু কালদিয়া এই নদী দুটাই যোৱা বানপানীৰ সময়ত বজালী মহকুমাত বিশেষ ধৰণে ক্ষতি কৰিছে। তাৰে কেইটামান অংশ ভাঙি গৈছিল। সেই বিলাক উন্মুক্ত হৈয়ে আছে। গতিকে সেইখিনি কৰাৰ ব্যৱস্থা কৰিব নেকি ?

*শ্ৰীপ্ৰমোদ গগৈ ( বান নিয়ন্ত্ৰণ মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, পহুমাৰা নদীৰ মথাউৰীটো মেৰামতি কৰিবলৈ যোৱাকালি নিৰ্দ্দেশ দিয়া হৈছে।

*শ্ৰীমোহন দাস : মাননীয় অধ্যক্ষ মহোদয়, এটা কথা মাননীয় মন্ত্ৰী মহোদয়ক জনাব বিচাৰিছো যে বৰপেটা জিলাখন পিচ পৰা জিলা আৰু বানপীড়িত জিলা বুলি আপোনালোক সকলোৱে জানে। কিন্তু এফ, ডি, আৰৰ পুঁজি আবণ্টন দিওঁতে বৰপেটা জিলা খনত যিখিনি দিব লাগে বা সেই জিলাখনৰ গুৰুত্ব লৈ লক্ষ্য কৰি বা যাষ্টিফাই কৰি যিটো ধন আবণ্টন দিব লাগে এফ, ডি, আৰৰ শিতানত তাতকৈ বহুত কম পৰিমাণে ধন আবণ্টন দিয়া হয়। এফ, ডি, আৰৰ শিতানত মাত্ৰ ৮ লাখ টকাৰ আবণ্টন দিছে। গতিকে সেইখিনি টকাৰে ইমান মেৰামতি কাম কেনেকৈ হ'ব ?

মাননীয় অধ্যক্ষ : আপোনাৰ কৰিবলৈ নিৰ্দ্দেশ দিছে।

*শ্ৰীমোহন দাস : যথেষ্ট ভঙা-চিঙা আৰু উন্মুক্ত হৈ আছে।

*শ্ৰীপ্ৰমোদ গগৈ ( বান নিয়ন্ত্ৰণ মন্ত্ৰী ) : পৰহি ৰাজহ বিভাগৰ লগত আলোচনা কৰি আমি যিখিনি টকা পাইছো তাৰ কাম কৰিবলৈ দিয়া হৈছে।

Mr. Speaker : Now starred Question No. 107, Hon'ble Member Shri Derhagra Mochahary. Hon'ble Minister, Revenue is to reply.

## Re : Balipara Tribal Belt

Shri Derhagra Mochahary asked –

---

* Speech not corrected

*107. Will the Minister of Revenue be pleased to State :

(a) According to the declarations of Balipara Tribal Belt vide No. TAD/REV/73/50/26/43, dated 13th March 1951 what is the total area of that Belt ?

(b) Whether Tribal people are given shelter to live there peacefully ?

**Dr. Zoii Nath Sarma** ( Minister Revenue ) replied :

(a) Total area of Balipara Tribal Belt is 10 lakhs 30 thousand 84 Bighas as notified vide No TAD/REV/73,50 43, dated 13-3-51.

(b) All the tribal people belonging to the protected class under section 160 of the Chapter X of Assam Land and Revenue Regulation, 1886 are eligible to have land in the tribal belt and live peacefully.

***শ্ৰীডেৰহাগ্ৰা মুচাহাৰী ঃ** আচলতে ১৯ লাখ ৩৬ হাজাৰ বিঘা মাটি আছিল। ৰাজহ বিভাগৰ কিতাপ মতে ১২ লাখ বিঘা মাটি। মন্ত্ৰীয়ে কৈছে ১০ লাখ বিঘা মাটি। মন্ত্ৰী মহোদয় কথাষাৰ ভালকৈ চালি-জাৰি চাবনে ? মই উল্লেখ কৰা চিঠি মতে ১৯ লাখ ৩৬ হাজাৰ বিঘা মাটি কেনেকৈ খেলি মেলি হ'ল মন্ত্ৰী মহোদয়ে চালে ভাল হয়। ১৯৫১ চনৰ অৰ্ডাৰ মতে ১৯ লাখ ৩৬ হাজাৰ বিঘা মাটি। তাৰ পিছত ১২ লাখ; ১০ লাখ বিঘা কেনেকৈ হ'ল ? মাটিৰ পৰিবৰ্ত্তণ হোৱা নাই আৰু জিলা/মহকুমাৰ প্ৰধান কাৰ্য্যালয় বা উদ্যোগ আদিও হোৱা নাই। গতিকে মাটি কম হোৱা সম্পৰ্কত চাবনে ?

***ডঃ জয়নাথ শৰ্মা** ( ৰাজহ মন্ত্ৰী ) ঃ সমগ্ৰ অসমত ৩০টা ব্লক আৰু ১৭টা বেল্ট আছে। তাৰ ভিতৰত ৮৫ লাখ বিঘা মাটি কভাৰ হৈছে। বালিপাৰা সম্পৰ্কত মিলা নাই। নটিফিকেচনৰ কপি দিলে পৰীক্ষা কৰা হ'ব।

***শ্ৰীডেৰহাগ্ৰা মুচাহাৰী ঃ** মন্ত্ৰী মহোদয়ক দিম খেলি-মেলি হৈছেনে চাব।

***ডঃ জয়নাথ শৰ্মা** ( মন্ত্ৰী ) ঃ মই ৰেকৰ্ড মতে কৈছো।

***শ্ৰীডেৰহাগ্ৰা মুচাহাৰী ঃ** নথি পত্ৰ দিম।

***ডঃ জয়নাথ শৰ্মা** ( মন্ত্ৰী ) ঃ ধন্যবাদ।

---

* Speech not corrected

Mr. Speaker : Now starred Question No. 108, Hon'ble Member Shri Ali Akbar Mian Hon'ble Chief Minister is to reply.

বিষয় ঃ টকা আবণ্টন আৰু খৰছৰ পৰিমাণ

**আলী আকবৰ মিঞাই সুধিছে ঃ**

*১০৮। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ১৫/১১/৮৪ ইং.ত Planning Commission ( MLP Unit )Working Group ৰ বৈঠকত অনুমোদন দিয়া মতে ( প্ৰস্তাব ) ১৯৮৫-৮৬ ইং বিত্তীয় বৰ্ষত ( 1 ) Dev of Administrative Staff College ( 2 ) Planning Machinery ( 3 ) Dev. of Backward Areas ( Char Areas Dev. ) আৰু ( 4 ) Dev. of Border Areas শিতানত কিমান টকা আবণ্টন দিয়া হৈছিল আৰু এই চাৰিটা শিতানৰ কোন কোন শিতানত কিমান টকা খৰছ কৰা হল ?

(খ) উক্ত চাৰিটা শিতানৰ ভিতৰত Dev. of Backward Areas ( Char Areas Dev )ৰ বাবে Working Group য়ে আগবঢ়োৱা প্ৰস্তাব মতে অসমৰ ১২টা চৰ উন্নয়ন সেৱা কেন্দ্ৰ স্থাপনৰ কাম চৰকাৰে তৎকালীন ভাবে হাতত লবনে ? ললে কেতিয়া লব ?

(গ) উপৰোক্ত বৈঠকৰ প্ৰস্তাৱ অনুযায়ী ১৯৮৪-৮৯ চনলৈকে ( ৭ম পৰিকল্পনাত) চৰ উন্নয়নৰ ৭টা সেৱা কেন্দ্ৰ স্থাপনৰ কাম সম্পূৰ্ণ নকৰাৰ কাৰন কি ?

(ঘ) উপৰোক্ত বৈঠকৰ প্ৰস্তাৱ মতে অসমৰ মুঠ Plan Budgetৰ পৰা ৪% শতাংশ টকা চৰ অঞ্চল উন্নয়নৰ বাৰদ দিয়া হলনে ? যদি দিয়া হৈছে, তেন্তে কোন কোন আচনিত কিমান টকা ( ১৯৮৫ ৯৮ বিত্তীয় বৰ্ষলৈকে ) দিয়া হৈছে ? আৰু যদি দিয়া হোৱা নাই, তেন্তে উক্ত প্ৰস্তাৱৰ ভিত্তিত চৰকাৰে তৎকালীন ব্যৱস্থা হাতত লবনে ? আৰু যদি লয় উক্ত প্ৰক্ৰিয়া কেতিয়াৰ পৰা আৰম্ভ কৰা হ'ব ?

(ঙ) উপৰোক্ত বৈঠকৰ প্ৰস্তাৱৰ ভিত্তিত উল্লেখিত চাৰিটা শিতানৰ তিনিটাৰ

কাম সম্পূৰ্ণ কৰা হ'ল সঁচানে ? যদি সঁচা হয় তেন্তে চৰ অঞ্চল উন্নয়ণৰ ক্ষেত্ৰত উক্ত প্ৰস্তাৱ অনুযায়ী কাম নকৰাৰ কাৰন কি ?

**শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী )য়ে উত্তৰ দিছে :**

(ক) ৰাজ্যিক পৰিকল্পনাৰ অধীনত বিভিন্ন উন্নয়ন শিতান সমূহত দিয়া আবণ্টনৰ ক্ষেত্ৰত Working Group ৰ অনুমোদন চূড়ান্ত নহয় Working Groupৰ বৈঠকৰ পাচত উচ্চতৰ পৰ্য্যায়ত ৰাজ্যিক পৰিকল্পনাৰ কলেৱৰ আৰু বিভাগীয় আবণ্টন সমূহ চূড়ান্ত নিৰ্ণয় কৰা হয়। সেই নিৰ্ণয় অনুসৰি ১৯৮৫-৮৬ বিত্তীয় বছৰত উল্লেখিত চাৰিটা শিতানত দিয়া আবণ্টন আৰু খৰছৰ পৰিমান এনে ধৰণৰ :—

| শিতান | আবণ্টিত টকাৰ পৰিমান | খৰছ |
|---|---|---|
| 1. Administrative Staff Training College | ৫২ লাখ | ৫২ লাখ |
| 2. Planning Machinery | ১৭.১০ লাখ | ১৫.৬৩ লাখ |
| 3. Development of Backward Areas (Char Areas Dev.) | ৫০ লাখ | ৫০ লাখ |
| 4. Development of Border Areas | ৫০ লাখ | ৫০ লাখ |

(খ) কাম হাতত লোৱা হৈছে। ইতিমধ্যে ৫ (পাচ)টা চৰ উন্নয়ন সেৱা কেন্দ্ৰ স্থাপনৰ কাম সম্পূৰ্ণ হৈছে।

(গ) বিত্তীয় নাটনি।

(ঘ) চৰ অঞ্চলৰ বাবে বাৰ্ষিক পৰিকল্পনাৰ নিম্নতম ৪ শতাংশ ধন আবণ্টন দিয়াৰ পৰামৰ্শ Working Group এ আগবঢ়াইছিল যদিও পাচৰ পৰ্য্যায়ত চূড়ান্ত সিদ্ধান্ত লওঁতে অন্য কিছুমান উন্নয়ন শিতানৰ দৰে চৰ উন্নয়ন শিতানৰ বাবে পৰিকল্পনা আয়োগে কোনো ধন নিৰ্দ্ধাৰিত কৰি দিয়া নাই। তথাপিও পৰিকল্পনা আৰু উন্নয়ন বিভাগে সংশ্লিষ্ট বিভাগ সমূহলৈ পৰিকল্পনাৰ বাবে আবণ্টিত ধনৰ কম পক্ষেও ৪ শতাংশ ধন চৰ উন্নয়নৰ বাবে ব্যয় কৰিবলৈ দিয়া নিৰ্দেশ অব্যাহত আছে।

(ঙ) সচা নহয়।

***শ্ৰীআলী আকবৰ মিঞা :** অধ্যক্ষ মহোদয়, প্লেনিং কমিচনৰ টকা অহাত

*Speech not corrected

আচনিৰ কাম অগ্ৰাধিকাৰ ভিত্তিত কৰা হৈছে। চৰ অঞ্চল পিচ পৰা, মাটি কালি ২.৩ লাখ হেক্টৰৰ ওপৰত আছে। এই বিস্তৃত অঞ্চলত ৫০ লাখ টকা ধাৰ্য্য কৰা হৈছে। এই বছৰ টকা বঢ়াই দি অগ্ৰাধিকাৰ ভিত্তিত কাম-কাজ কৰাৰ কাৰণে ব্যৱস্থা লবনে? ১১তম প্লেনিং কমিচন আৰম্ভ হৈছে। ৭টা সেৱা কেন্দ্ৰ কৰাৰ কথা আছিল যদিও ৫টাহে কৰা হৈছে। ১২টা সেৱা কেন্দ্ৰ অনতি পলমে কৰাৰ ব্যৱস্থা কৰিবনে? পৰিকল্পনা বিভাগে বিভিন্ন বিভাগক নিৰ্দেশ দিছে শতকৰা ৪টকা খৰছ কৰাৰ কাৰণে। ১ শতাংশও খৰছ হোৱা নাই। ৪ শতাংশ খৰছ কৰাৰ ব্যৱস্থা নিশ্চিতকৰণ কৰিবনে?

*শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী): ওৱাৰ্কিং গৃহত মাজে মাজে সিদ্ধান্ত লোৱা হয়। চূড়ান্ত পৰ্য্যায়ত চৰৰ উন্নয়ণৰ কাৰণে ধন আৱন্টন দিয়া নাছিল। তথাপিও বিভিন্ন ধৰণে ১৯৮৫-৮৬ চনত চৰ উন্নয়ণ বিভাগক ধন আৱন্টন দিয়া হয়। ১৯৯৯ চনত টকা বঢ়াইছো আৰু লগে লগে বিভিন্ন বিভাগক নিৰ্দেশ দিয়া হৈছে। মাইনৰিটি ওৱেল ফেয়াৰ চৰ দেভলমেন্ট বিভাগ কৰা হৈছে। বিভাগীয় মন্ত্ৰীক এই সম্পৰ্কত প্ৰচেষ্টা হাতত লবৰ কাৰণে কৈছো। প্লেনিং কমিচনৰ লগত যোগাযোগ অব্যাহত আছে। ধন পোৱাৰ পিছত আধৰুৱা সম্পূৰ্ণ কৰিব পৰা যাব। গোটেই কেইটা প্ৰশ্ন সামৰি কওঁ যে চৰকাৰৰ তৰফৰ পৰা চৰ উন্নয়ণৰ কাৰণে মাইনৰিটি ওৱেল ফেয়াৰ চৰ দেভলপমেন্ট সুকীয়া বিভাগ কৰি সুকীয়া মন্ত্ৰীক দায়িত্ব দিয়া হৈছে। পৰিকল্পনা বিভাগৰ তৰফৰ পৰা পৰিকল্পনা আয়োগৰ লগত যোগাযোগ কৰা হৈছে আৰু টকা বঢ়াব পাৰি নেকি তাৰ ওপৰত চৰকাৰৰ তৰফৰ পৰা গুৰুত্ব আৰোপ কৰা হৈছে।

Mr. Speaker : Now starred Question No. 109. The Hon'ble Member Dr. Kalyan Kr. Gogoi. Hon'ble Minister, Power to reply.

## বিষয়ঃ তাপ বিদ্যুৎ প্ৰকল্প

**ডঃ কল্যাণ কুমাৰ গগৈয়ে সুধিছে ঃ**

*১০৯। মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

ক) লাকুৱা তাপবিদ্যুৎ প্ৰকল্পৰ উৎপাদন হ্ৰাস পোৱা কথাটো সঁচানে?

* Speech not corrected

খ) যদি উৎপাদন হ্রাস পাইছে তেন্তে কিহৰ অভাৱত উৎপাদন হ্রাস পাইছে জনাবনে ?

গ) চৰকাৰে উৎপাদন বৃদ্ধিৰ বাবে কি কি নতুন ব্যৱস্থা হাতত লৈছে জনাবনে ?

**শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী (মন্ত্ৰী)য়ে উত্তৰ দিছে :**

ক) হয় সঁচা ।

খ) গেছৰ যোগান অপৰ্য্যাপ্ত আৰু অনিয়মিত হোৱাৰ বাবে লাকুৱা তাপবিদ্যুৎ প্ৰকল্পৰ উৎপাদন হ্রাস পাইছে। তাৰোপৰি প্ৰয়োজনীয় আধুনিকীকৰণ আৰু নবীকৰণৰ অভাবো উৎপাদন হ্রাসৰ আন এটা কাৰণ।

গ) গেছ যোগানৰ বৃদ্ধি ও নিয়মিয়া কৰিবলৈ M/S. CALLৰ লগত ব্যৱস্থা লোৱাৰ লগতে আধুনিকীকৰণ আৰু নবীকৰণ আচঁনিৰ দ্বাৰা এই তাপ-বিদ্যুৎ কেন্দ্ৰৰ বিদ্যুৎ উৎপাদন বৃদ্ধিৰ বাবে ব্যৱস্থা কৰা হৈছে আৰু পাৱাৰ ফাইনেন্স কৰ্পৰেচনৰ পৰা ইতিমধ্যে 53·35 কোটি টকা অনুমোদন পোৱা গৈছে ।

***ডঃ কল্যাণ কুমাৰ গগৈ :** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে জনাইছে যে উৎপাদন হ্রাস পোৱা কথাটো সচাঁ। তেতিয়া হলে কিয় ব্যৱস্থা লোৱা নাই। বিশেষকৈ ছাত্ৰ-ছাত্ৰী সকলৰ পৰীক্ষাৰ সময়ত লাইট নোহোৱাৰ কাৰণে পঢ়া শুনা কৰাত যথেষ্ট অসুবিধা হৈছে। সেই কথা নিশ্চয় মন্ত্ৰী মহোদয়ে জানে ? দ্বিতীয়তে গেচ কমি যোৱা কাৰণে লাকুৱা তাপ বিদ্যুৎ প্ৰকল্পৰ উৎ-পাদন হ্রাস পোৱা বুলি কৈছে গেচ যোগানৰ ব্যৱস্থা কিয় কৰা হোৱা নাই জনাবনে ? যিবিলাক মবাইল গেচ আছে সেই বিলাক কামত কিয় খটোৱা হোৱা নাই মন্ত্ৰী মহোদয়ে জনাবনে ?

***শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী ( মন্ত্ৰী ) :** মাননীয় অধ্যক্ষ মহোদয়, উৎপাদন হ্রাস হোৱা ধুলি ইতিমধ্যে কোৱা হৈছে। গেছৰ মেটেৰিয়েল' ৮ মিলিয়ন কিউব কিন্তু আমি মাত্ৰ ৪ মিলিয়ন কিউব পাই আছো। এই বিষয়ত আমি এম/এচ প'লৰ লগত আলোচনা কৰিছো গেচ যিমানখিনি দিব লাগে সিমানখিনি দিব নোৱাৰিব যদিও ৮৬ মিলিয়ন কিউব দিব বুলি আশ্বাস দিছে। যদি '৬ মিলিয়ন কিউব গেচ দিয়ে তেন্তে ১২০ মেগাওৱাট উৎপাদনৰ ঠাইত অন্ততঃ ১০০ মেগাওৱাট উৎপাদন কৰিব পাৰিম বুলি ভাবিছো। আৰু এটা কথা জড়িত হৈ আছে সেইটো হৈছে তাপ বিদ্যুত কেন্দ্ৰই উৎপাদন বৃদ্ধিৰ কাৰণে

* Speech not corrected

পাৱাৰ ফাইনেঞ্চ কৰ্পোৰেচনৰ পৰা ৫৩.৩৫ কোটি টকা চৰকাৰে পাইছে সেইটো এপ্ৰিল মাহৰ ভিতৰত পাম। তেতিয়া বিদ্যুৎৰ কিছু উন্নতি হ'ব বুলি আশা ৰাখিছো। মোবাইল গেচ টাৰ্বনাৰৰ তথ্য মোৰ হাতত নাই সেয়ে মই উত্তৰ দিব নোৱাৰো।

*ডঃ কল্যাণ কুমাৰ গগৈ : কেতিয়াৰ পৰা আধুনিকীৰণ কৰাৰ ব্যৱস্থা কৰিব জনাবনে ?

*শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী (মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয় বিদ্যুৎতৰ উৎপাদন বৃদ্ধি কৰিবলৈ আধুনিকীকৰণ কৰাতো প্ৰয়োজন হৈ পৰিছে। এপ্ৰিল মাহৰ ভিতৰত টকা পাম বুলি আশা কৰিছো গতিকে কামখিনি আগতিয়াকৈ আযোৱাই নিম বুলি আশা কৰিছো।

*শ্ৰী প্ৰদ্যুৎ বৰদলৈ : মাননীয় অধ্যক্ষ মহোদয়, মই শক্তি মন্ত্ৰীৰ পৰা জানিব বিচাৰিছো যে আমাৰ পাৱাৰ ফুলফিল কৰিবলৈ ভৱিষ্যতৰ কাৰণে কিবা প্ৰচ-পেকটিভ প্লেন আছে নেকি ?

*শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী (মন্ত্ৰী) : এইটো এটা স্তুকীয়া প্ৰশ্ন হলে ভাল হলহেতেন তথাপি মই কৈছো যে আমাৰ অসমৰ কাৰণে ১০০০ মেগাওৱাট লাগে কিন্তু এতিয়া আমি ৫০০ বা ৬০০ মেগাওৱাতহে উৎপাদন কৰিব পাৰিম বুলি ভাবিছো। তাতোকৈ আৰু এটা কথা হৈছে যে অসমত যিটো ইনষ্টল কেপাচিটি আছে সেইটো ৫০০ মেগাওৱাট। গতিকে এডিচনেল ৫০০ মেগা-ওৱাটৰ কাৰণে আমি আমগলি প্ৰজেক্ট, কাৰ্বিলাংপি প্ৰজেক্ট আৰু কঠালগুৰি প্ৰজেক্টৰ সকলোখিনিতেই উৎপাদন বৃদ্ধি কৰিবলৈ প্ৰচেষ্টা হাতত লোৱা হৈছে। তেখেত মোৰ চেম্বাৰলৈ আহিলে মই ডিটেইলচ দিব পাৰিম। এতিয়া কবলৈ সময় নহব।

*শ্ৰী প্ৰদ্যুৎ বৰদলৈ : মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা ডিটেইল একাডেমিকত যিখিনি স্বৰ্ত ফল হব ফাইনেল অৱস্থা পোৱাৰ পাচত কেনেকৈ কি কৰিম মই জানিব বিচাৰিছো।

*শ্ৰীহিতেন গোস্বামী (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ে কেন্দ্ৰীয় শক্তি দপ্তৰৰ লগত আলোচনা কৰা হৈছে। ৫০০ মেগাওৱাট শক্তি উৎপাদনৰ ব্যয় কেৱল ৰাজ্য চৰকাৰে বহন কৰিব নোৱাৰে। গতিকে আমি চেণ্ট্ৰেল

---

* Speech not corrected

এজেন্সি নেপকো বা অইন চেক্টৰ প্ৰাইভেট চেক্টৰকো দিয়াত আপত্তি কৰিব নোৱাৰো।

Mr. Speaker : Now starred Question No. 110, the Hon'ble Member Dr. Ardhendu Kr. Dey. Hon'ble Minister Co-operation to reply.

**Re : ASCARD BANK**

**Dr. Ardhendu Kr. Dey asked.**

*110. Will the Minister of Co-operation be pleased to state :

a) How many employees of the ASCARD Bank were discharged recently ?

b) What are the reasons of their discharge from the service ?

c) Whether all the formalities were observed while giving them appointment ?

**Shri Nurul Hussain ( Minister of Cooperation ) replied :**

a) Total 284 Nos. of employees were discharged recently by the ASCARD Bank.

b) Very high establishment cost consequent upon the entertainment of the excess staff which has made the organisation economically unviable is the main reason for the discharge of the excess staff.

c) All the formalities in all the appoinments had/have not been observed while giving them appoinments.

***Dr. Ardhendu Kumar Dey :** Mr. Speaker Sir, May I know from Hon'ble Minister what were the formalities in regard to appoinment have or have not been observed ?

* Speech not corrected

*শ্ৰীনুৰুল হুছেইন (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এচকাৰ্ড বেংক আৰু নাবাৰ্ড বেংকত ষ্টাফ বেছি থকাৰ কাৰণে ১/১০/৯৫ তাৰিখত ১৮৫ জন কৰ্মচাৰীক ৰাখিব দিয়া হৈছিল। কিন্তু তাৰ বিপৰীতে ১১১ জন আছিল। তাৰ পাছত ১৯৯২-৯৩ চনত ৪৭৩ জন কৰ্মচাৰী নিয়োগ কৰা হ'ল। আৰু এই সকলক নিযুক্তি দিওঁতে কোনো এডভাৰ্টাইজ বা ইণ্টাৰভিউ লোৱা হোৱা নাছিল। নিয়ম অনুযায়ী নিযুক্তি দিয়া হোৱা নাই। কোনো নীতি গ্ৰহণ কৰা হোৱা নাই।

*Dr. Ardhendu Kumar Dey : May I know from the Hon'ble Minister whether it is the knowledge of the Government that Hon'ble High Court issued two orders one regarding maintenance the status-quo and another regarding not to retreneh, whether Government is aware of that two orders issued by Hon'ble High Court.

*শ্ৰীনুৰুল হুছেইন ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যিটো মহামান্য হাইকোৰ্টৰ প্ৰশ্ন কৰিছে সেইটো কেচ চাব জুডিছ হৈ আছে সেয়ে সকলো গুৰুত্বপূৰ্ণ কথা কব পৰা নাযাব। মই এইটোৱেই কব খুজিছো যে নিয়ম নীতি ভঙ্গ কৰি নিযুক্তি দিছে। তেওঁলোকৰ সতীৰ্থ সকলৰ বিৰুদ্ধে প্ৰশ্ন কিয় কৰিছে ?

*Dr. Ardhendu Kumar Dey : Mr. Speaker Sir, I want specific answer from the Minister, Cooperation.

*শ্ৰীনুৰুল হুছেইন ( মন্ত্ৰী, সমবায় ) ঃ আপোনালোকে সকলোখিনি নিয়ম নীতি উলংঘা কৰি নিযুক্তি দিছে। আনকি উপদেষ্টা পৰ্য্যন্ত নিযুক্তি দিয়া হৈছে। কেবিনেটৰ সিদ্ধান্ত আছিল মহামান্য হাইকোৰ্টৰ অৰ্ডাৰ পোৱা বুলি কৈছো। আপোনালোকে জানি শুনিও প্ৰশ্ন কৰি আছে।

*Dr. Ardhendu Kumar Dey : If it is within the knowledge of Hon'ble Minister whether Hon'ble Minister is going to implement as per directive from the Hon'ble High Court please say yes or no.

*শ্ৰীনুৰুল হুছেইন (মন্ত্ৰী) ঃ মহামান্য উচ্চ ন্যায়ালয়ৰ যিকোনো নিৰ্দেশ মানি

* Speech not corrected

চলিব লাগিব। এই বিষয়টো এতিয়াও খাতাং হোৱা নাই। যিহেতু এতিয়ালৈকে চূড়ান্ত অৰ্ডাৰ পোৱা নাই।

*Dr. Ardhendu Kumar Dey : I want to know whether Hon'ble Minister is aware about the orders of Hon'ble High Court. If he denies it that I am not going to implement the orders of Hon'ble High Court or not.

*শ্ৰীনুৰুল হুছেইন (মন্ত্ৰী) : নিয়ম নীতি ভংগ কৰাৰ কাৰণে এইটো হবলৈ পাইছে। উচ্চ ন্যায়ালয়ৰ নিৰ্দেশ মানি চলিম বুলি কৈছো।

*Dr Ardhendu Kumar Dey : I am not interested with this answer. I am interested whether he will be abide by the orders of Hon'ble High Court or not ?

*শ্ৰীদিলীপ কুমাৰ শইকীয়া : মাননীয় অধ্যক্ষ ডাঙৰীয়া, এছকাৰ্ড বেংকৰ বিষয়টো অকল নিযুক্তিৰ ক্ষেত্ৰতে নহয়। লোন লোৱাকে আদি কৰি গোটেই বিষয়ৰ সন্দৰ্ভত আমি বাতৰি কাকত পঢ়িবলৈ পাইছো। এই গোটেই বিষয়টো চি, বি, আই'ক হেণ্ড অভাৰ কৰা হ'ব বুলি কৈছিল। এই বিষয়টো চি, বি, আই'ক হেণ্ড অভাৰ কৰা হ'ল নেকি ? বা তেনেকুৱা কিবা প্ৰস্তাব আছে নেকি ? মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ পৰা জানিব বিচাৰিছো।

*শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, এই গোটেই বিষয়টো চাই পেলাব পাৰিম।

*ডা. অৰ্ধেন্দু কুমাৰ দে : মহামান্য হাইকোৰ্টৰ যিটো নিৰ্দেশ আহিছে সেই নিৰ্দেশ মানি চলিব নে নাই। সেইটোহে জানিব বিচাৰিছো।

Mr. Speaker : Now starred question No. 111, the Hon'ble Member Shri Hemanta Kalita. Hon'ble Minister, Border Area Devlopment to reply.

## বিষয় : সীমান্ত অঞ্চল উন্নয়ণৰ বাবে বিশেষ আঁচনি

*শ্ৰীহেমন্ত কলিতাই সুধিছে—

*১১১। মাননীয় সীমান্ত অঞ্চল উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

---

* Speech not corrected

ক) অসম নগালেণ্ড সীমান্ত অঞ্চল উন্নয়ণৰ বাবে কেনে বিশেষ আঁচনি লৈছে জনাবনে ?

খ) অসম নগালেণ্ড সীমান্ত অঞ্চলত তিতাবৰ সমষ্টিৰ অন্তৰ্গত পথ সমূহ মেৰামতি কৰিবৰ বাবে সীমান্ত অঞ্চলৰ পৰা বিশেষ পুজি দিয়াৰ ব্যৱস্থা কৰিবনে ?

গ) অসম নগালেণ্ড সীমান্ত অঞ্চলৰ ৰাইজক উপকৃত কৰিব পৰাকৈ কেনে ধৰণৰ আচনি চৰকাৰৰ হাতত বৰ্ত্তমানে আছে জনাবনে ? তাৰ কেনে ধৰণৰ আচনি ভৱিষ্যতে লব জনাবনে ?

**শ্ৰীবিনোদ গোৱালা ( মন্ত্ৰী )য়ে উত্তৰ দিছে—**

ক) বাৰ্ষিক পৰিকল্পনা পুজিৰ পৰা বিশেষ অঞ্চল উন্নয়ণ আচনিৰ শিতানত ( Special Areas Programme ) আন্ত: ৰাজ্যিক সীমান্ত অঞ্চল উন্নয়ণ আচনিৰ জড়িয়তে অসম নগালেণ্ড সীমান্ত অঞ্চল উন্নয়ণৰ বাবে ৰাষ্টা-ঘাট উন্নয়ন, শিক্ষানুষ্ঠান, স্বাস্থ্য উপকেন্দ্ৰ ও আৰক্ষী পহৰা চকীৰ ভৱন নিৰ্ম্মাণ খোৱা পানী যোগান আচনি ইত্যাদি ৰূপায়ণ কৰি অহা হৈছে ।

খ) সীমান্ত অঞ্চল উন্নয়ণৰ বাবে সমষ্টি ভিত্তিত পুজি দিয়াৰ দিয়াৰ ব্যৱস্থা নাই ।

গ) বৰ্ত্তমান ৰূপায়ন কৰি থকা আচনিৰ সন্দৰ্ভত 'ক' প্ৰশ্নৰ উত্তৰত কোৱা হৈছে ।

ভৱিষ্যতৰ আচনি পুজিৰ ওপৰত নিৰ্ভৰশীল ।

*শ্ৰীহেমন্ত কলিতা ঃ মাননীয় অধ্যক্ষ মহোদয়, যদিও সমষ্টি ভিত্তিত পইচা দিয়াৰ ব্যৱস্থা নাই, যেহেতু মোৰ সমষ্টিটো সীমান্তৱৰ্ত্তী অঞ্চলৰ অন্তৰ্গত, সেই অঞ্চলত থকা পথ, দলং মেৰামতি কৰি চলিব পৰা ব্যৱস্থা কৰিবৰ কাৰণে ভৱিষ্যতলৈ বিশেষ তৎপৰতাৰে মেৰামতি কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব নেকি ?

*শ্ৰীবিনোদ গোৱালা ( মন্ত্ৰী, সীমান্ত ) ঃ মাননীয় সদস্য গৰাকী চেণ্ট্ৰেল প্লেনিংৰ সদস্য তেখেতে জানে। চেণ্ট্ৰেল প্লেনিংত আচনি সমূহ ধৰা হয় । অগ্ৰাধিকাৰৰ ভিত্তিত আন্ত: ৰাজ্যিক সীমান্ত অঞ্চল উন্নয়ণ আচনিৰ জৰিয়তে পথ, স্কুল আদিৰ ক্ষেত্ৰত সদস্য সকলে বাছনি কৰি তালিকা প্ৰস্তুত কৰি আমালৈ পঠায়। আমি পুজি আৱণ্টন কৰো।

---

* Speech not corrected

*শ্ৰীমতী প্ৰণতি ফুকন ঃ এই সীমান্ত অঞ্চল অকল নাগালেণ্ডতে নে অৰুণাচলতো চাব। সীমান্ত অঞ্চলৰ উন্নয়ণৰ কাম কৰা হয় যদি ১৯৯৭ চনৰ মোৰ এখন চিঠি আছিল তাত সীমান্ত অঞ্চলৰ কাৰণে যি পইচা দিছিল আজিলৈকে সেই কাণ্ড বিলিজ কৰা নাই। এই ক্ষেত্ৰত এটি বাখ্যা ডাঙি ধৰিব নেকি?

*শ্ৰীবিনোদ গোৱালা (মন্ত্ৰী) ঃ অৰুণাচল, অসম নাগালেণ্ড, অসম মিজোৰাম, এই আটাইকেইটা সীমান্ত অঞ্চলতে এই আঁচনি ৰূপায়ণ কৰা হৈছে। অৰুণাচলৰ যি কথা কৈছে নিশ্চয় তদন্ত কৰি যদি মঞ্জুৰী দিয়া নাই সোনকালে দিয়াৰ ব্যৱস্থা কৰিম।

*শ্ৰীআলাউদ্দিন চৰকাৰ ঃ একেশ শতাংশই আন্তঃ ৰাজ্যিক সাহাৰ্য্য সীমান্ত অঞ্চলত বহুত টকা পাইছে। আন্তঃ ৰাজ্যিক বাকী যিবিলাক পথ, দলং আছে সেইবিলাকতো ৰাজ্য চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব লাগিছিল। অসম পশ্চিমবংগ সীমান্তইদি কিন্তু এই ব্যৱস্থা লোৱা হোৱা নাই। আন্তঃ ৰাজ্যিক সীমান্ত অঞ্চল উন্নয়ণ আচনিৰ জৰিয়তে সেই সীমান্ত অঞ্চলতো পথ, দলং নিৰ্মান কৰা ব্যৱস্থা কৰিব নেকি?

*শ্ৰীদিলীপ কুমাৰ শইকীয়া ঃ মাননীয় অধ্যক্ষ মহোদয়, পুজি হ'ল দুই কোটি টকা। মাননীয় মন্ত্ৰী মহোদয় পুজি বৃদ্ধি কৰিবলৈ জনোৱা হলে ভাল হব।

*শ্ৰীবিনোদ গোৱালা (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, অসম আন্তঃ ৰাজ্যিক সীমান্ত অঞ্চল উন্নয়ণত মাত্ৰ দুই কোটি টকাৰ বাজেট। গতিকে মই ভাবো এই বাজেট বৃদ্ধি হব লাগে। সেয়েহে মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক আন্তঃ ৰাজ্যিক বাজেট বৃদ্ধি কৰিবৰ কাৰণে অৱগত কৰিলো।

*শ্ৰীমতী প্ৰণতি ফুকন ঃ মন্ত্ৰী মহোদয়ে, এটা ব্যৱস্থা লব লাগে। তেখেত সকলে সীমান্ত অঞ্চল ভ্ৰমণ কৰিবলৈ যাওঁতে সেই অঞ্চলৰ স্থানীয় বিধায়ক সকলক লগত লৈ যাব লাগে। তেতিয়া হলে সেই অঞ্চলৰ সমস্যা বিলাকৰ কথা ভালকৈ জনাব পাৰিব।

*শ্ৰীবিনোদ গোৱালা (মন্ত্ৰী) ঃ আমি সীমান্ত অঞ্চললৈ যাওঁতে বিৰোধী পক্ষৰে হওঁক বা দলৰে হওঁক এই সন্দৰ্ভত সকলোকে জনাবৰ কাৰণে নিৰ্দেশ দিয়া হৈছে। সমষ্টি বিলাকৰ বিধায়ক সকলক জনাই দিয়া হ'ব।

---

* Speech not corrected

**শ্ৰীভৰত নৰহ :** আমি এখনো চিঠি পোৱা নাই।

(Starred Question Nos. 112 to 120 couldn't be taken up for disposal as the question hour was over However, the said questions deemed to have been laid on the table of the house. with replies thereto.)

**Re : Protection work at Matirchar**

**Sri Nazibul Umar asked :**

*112. Will the Minister of Flood Control be pleased to state :—

a) Why the protection work of Dhubri Patamari embankment at Matirchar has not been started as yet ?

b) Considering the importance of the said scheme whether the Government has taken any step to get early sanction of the said scheme from the centre ?

**Shri Promode Gogoi ( Minister ) replied :**

a) The protection work of Dhubri Patamari embankment which was submitted to Central Water Commission, could not be started yet due to nonfinalization of morphelogical and model studies which are prerequisite for such type of Major protection work as observed by Central Water Commission.

b) Government of Assam will draw the detailed project report on the basis of the fiudings of morphological and model studies.

Keeping in view that the process may take time, the Flood Control Department has submitted another project report of Rs. 3·248 crore only for construction

of retirement bund which would be the part of the project to Central Water Commission, New Delhi for its early approval.

This part project is for closing the breach portion only.

### বিষয় : পুনৰ সংস্থাপনৰ ব্যৱস্থা

শ্ৰীওৱাজেদ আলী চৌধুৰীয়ে সুধিছে :

*১১৩। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) যোৱা বানপানীত দক্ষিণ শালমাৰা ভূমি চক্ৰৰ অধীনত নদীৰ গড়াখহনীয়াত ক্ষতিগ্ৰস্ত মানুহ বিলাকৰ কিছুমানে এতিয়া দেন্নাৰ কুটি নদীৰ পাৰত শিৱিৰ পাতি থকাটো চৰকাৰৰ অৱগতনে ? যদি অৱগত তেওঁবিলাকৰ পুনৰ সংস্থাপনৰ কাৰণে কিবা ব্যৱস্থা হাতত লৈছে নেকি ?

খ) গৃহহীন পৰিয়াল যিবিলাক উক্ত শিৱিৰত আছে তেওঁবিলাকৰ কাৰণে চৰকাৰে ঘৰ নিৰ্মাণ কৰি দিয়াৰ ব্যৱস্থা হাতত লৈছে নেকি ?

ডঃ জয়নাথ শৰ্মা ( ৰাজহ মন্ত্ৰী )য়ে উত্তৰ দিছে :

ক) হয়, গড়াখহনীয়াত ক্ষতিগ্ৰস্ত কিছুমান পৰিয়াল এতিয়াও দেন্নাৰ কুটি নদীৰ পাৰত আশ্ৰয় লৈ আছে। অবৈধভাবে চৰকাৰী মাটিত দখল কৰি বসবাস কৰি থকা গড়াখহনীয়াত ক্ষতিগ্ৰস্ত পৰিয়াল সমূহৰ বাদে আনবোৰ ক্ষতিগ্ৰস্ত পৰিয়ালক পুণৰ সংস্থাপন কৰাৰ ব্যৱস্থা লোৱা হৈ আছে।

খ) গড়াখহনীয়াত ক্ষতিগ্ৰস্ত পৰিয়াল সমূহৰ বাবে সুবিধাজনক চৰকাৰী মাটি বিচাৰি থকা হৈছে।

### বিষয় : চক্ৰ বিষয়াৰ কাৰ্য্যালয়

শ্ৰীশুকুৰ আলীয়ে সুধিছে :

*১১৪। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) অসমত ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয় কিমানটা আছে ?

খ) অসমৰ্ত কিমানটা বিধান সভা সমষ্টি এলেকাত ৰাজহ চক্ৰ বিষয়াৰ কাৰ্য্যালয় নাই।

গ) চক্ৰ বিষয়াৰ কাৰ্য্যালয় নথকা বিধান সভা সমষ্টিত এটাকৈ কাৰ্য্যালয় স্থাপন কৰা হবনে?

**ডঃ জয়নাথ শৰ্মা ( ৰাজহ মন্ত্ৰী )য়ে উত্তৰ দিছে ঃ**

ক) ১৩৪ টা।

খ) ১০ টা বিধান সভা সমষ্টিত ৰাজহ চক্ৰ বিষয়াৰ কাৰ্য্যালয় নাই।

গ) বিষয়টো পৰীক্ষা কৰি থকা হৈছে।

Re : Erosion affected prople of Behali

Shri Barnabash Tanti asked :

*115. Will the Minister of Flood Control be pleased be state :

a) Whether it is a fact that the river Buroi and Bargang has erroded thousands of families as a result all the families become homeless and landless ?

b) Whether the Government has taken any measures for protection from the erosion.

Shri Promode Gogoi ( Minister ) replied :

a) Yes, the river Buroi has eroded 44 ( fourty four ) Nos. of families and the river Bargang has eroded 43 ( fourty three ) Nos. of families during the last flood ( 1998 ).

b) Yes, a scheme for protection of the eroded areas by river Bargong has been recommended by the 28th T. A. C. meeting held in the month of November, 1998. The detailed estimate is under preparation for submission to Central Water Commission.

Some temporary protection measures sure taken up

in the erosion affected reach of river Buroi by civil authority in consultation with this Department.

Re : Reconsideration of land revenue rate.

Shri Misbahul Islam Laskar asked :

*116. Will the Minister of Revenue be pleased to State :

a) Whether Government has any proposal for reconsideration of land Revenue rate ?

b) Is there any concession rate of land revenue for small and marginal farmer ?

Dr. Zoii Nath Sarma ( Minister ) replied :

a) Yes.

b) Yes, there is exemption of land revenue for those agriculturists, who have only three bighas of land.

বিষয় : এম, এল, এ/এম, পিৰ পুজি খৰচ

শ্ৰীমিজামুদ্দিন খানে সুধিছে :

*১১৭ মাননীয় পৰিকল্পনা আৰু উন্নয়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) ১৯৯৭-৯৮ বিত্তীয় বৰ্ষৰলৈ MLA/MP এলেকা উন্নয়ণ পুজি সম্পূৰ্ণ খৰচ নোহোৱা কথাটো সচানে ?

খ) যদি সচাঁ উক্ত আচনি আৱন্তণিৰ পৰা ৯৭-৯৮ বিত্তীয় বৰ্ষলৈকে কিমান টকা খৰচ নোহোৱাকৈ আছে ? ( জিলা ভিত্তিত বছৰ অনুযায়ী জনাবনে )

গ) নিৰ্দ্ধাৰিত পুজি নিৰ্বাচিত আচনিত নিৰ্দ্দিষ্ট সময়ত খৰচ কৰি আচনি সমূহ সম্পূৰ্ণ কৰাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী )য়ে উত্তৰ দিছে :

ক) সচাঁ ।

খ) উক্ত আচনি অৰান্তৰ্গত পৰা ১৯৯৭-৯৮ বিত্তীয় বৰ্ষলৈকে খৰচ নোহোৱাকৈ থকা ধনৰ পৰিমান MLAADSৰ মুঠ ১১২২.২১ লাখ টকা আৰু MPL-ADSৰ মুঠ ১৫১৭.৫৯ লাখ টকা। বিস্তৃত জিলা ভিত্তীত প্ৰতিবেদন পৰিশিষ্ট 'ক'ত দেখুওৱা হ'ল। ( See the Annexure—II

গ) নিৰ্দ্ধাৰিত পুজি নিৰ্দ্দিষ্ট সময়ৰ ভিতৰত নিৰ্বাচিত আচনিত খৰচ কৰিবৰ বাবে জিলাৰ উপাযুক্ত সকলক নিয়মাৱলী আৰু নিৰ্দ্দেশাৱলী দিয়া হৈছে।

## বিষয়ঃ দিহিং নদীয়ে কৰা ব্যাপক গড়াখহনীয়া

**শ্ৰীমতী প্ৰণতি ফুকনে সুধিছে ঃ**

১১৮। মাননীয় বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) নাহৰকটীয়া সমষ্টিৰ দিহিং নদীয়ে কৰা ব্যাপক গড়াখহনীয়াৰ কথা চৰকাৰ অৱগতনে ?

খ) যদি অৱগত ইয়াৰ প্ৰতিকাৰৰ বাবে কি ব্যৱস্থা গ্ৰহণ কৰিছে ?

**শ্ৰীপ্ৰমোদ গগৈ ( মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ**

ক) হয় অৱগত।

খ) গড়াখহনীয়া ৰোধ কৰাৰ বাবে বিভিন্ন হ্ৰস্বম্যাদী ও দীৰ্ঘম্যাদী আচনি ইতিমধ্যে ৰূপায়ণ কৰা হৈছে আৰু নতুনকৈ খহনীয়াত আক্ৰান্ত অঞ্চলত খহনীয়া প্ৰতিৰোধৰ আচনি প্ৰস্তুত কৰা হৈছে।

## Re : Encroachment of land

Shri Dileswar Tanti asked :

119. Will the Minister Revenue be pleased to state :

a) Whether the Govt. is aware that large scale encroachment have taken placed over the road side and Railway reservatian strips land in the entire District of Tinsukia.

b) What steps the Government is going take to evict

these encroachment which are illegally taking place every day ?

Dr Zoii Nath Sarma ( Minister ) replied :

a) Yes.

b) Steps have been taken to evict the illegal encroachers. All the Circle Officers have been directed to take action as per rule. Railways are also requested to evict the encrochers.

### বিষয় : ন্যায়পালিকা আৰু কাৰ্য্যপালিকাৰ পৃথককৰণৰ সম্পৰ্কে ।

শ্ৰীআব্দুৰ ৰৌফে সুধিছে :

১২০। মাননীয় আইন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) ১৯৬৭ ইং চনত ন্যায়পালিকা আৰু কাৰ্য্যপালিকাক পৃথক কৰাটো সচাঁনে ?

খ) যদি সচাঁ হয় তেনেহলে অসমৰ কাৰ্বি আংলং আৰু উত্তৰ কাছাৰ পাৰ্বত্য জিলা দুখনত কাৰ্য্যপালিকাই ন্যায়পালিকাৰ কাম চলাই থকাটো সচাঁনে ? যদি সচাঁ কাৰণ কি ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী )য়ে উত্তৰ দিছে :

ক) সচাঁ ।

খ) কাৰ্বি আংলং আৰু উত্তৰ কাছাৰ জিলা দুখনত কাৰ্য্যপালিকাৰ দ্বাৰাই ন্যায়পালিকাৰ কাম চলাই থকা হৈছে। ন্যায়পালিকা আৰু কাৰ্য্যপালিকাৰ পৃথককৰণৰ বাবে সংবিধান সংশোধন প্ৰয়োজন হ'ব। ইয়াৰ বাবে ইতিমধ্যে পাৰ্বত্য জিলা পৰিষদ দুখনৰ পৰা মতামত বিচৰা হৈছে।

## UNSTARED QUESTION AND ANSWERS

### বিষয় : বিদ্যুৎ যোগানৰ ব্যৱস্থা

শ্ৰীহেমেন দাসে সুধিছে :

১১৫। মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ জনাবনে :

ক) সৰভোগ সমষ্টিৰ বগৰীগুৰী, বাৰাপেটা আৰু চামঠাইবাৰী ( খাবিজা বিজনী মৌজা ) গাওঁ সভাৰ ২২খন গাওঁত আজিও বিদ্যুৎ যোগানৰ কোনো ব্যৱস্থা নাই চৰকাৰ অৱগতনে ? এই গাওঁ সভা তিনিখখৰ অন্তৰ্গত গাওঁবোৰত এই শতিকাৰ ভিতৰত বিদ্যুৎ যোগান দিব পাৰিবনে ?

খ) কি কাৰণত উক্ত গাওঁ সভা তিনিখনৰ অন্তৰ্গত গাওঁ ২২ খনত আজিও বিদ্যুৎ যোগান ধৰা নাই।

## শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী ( মন্ত্ৰী )য়ে উত্তৰ দিছে :

ক) হয়। খাবিজা বিজনী মৌজাৰ অন্তৰ্গত গাওঁ সভা তিনিখনৰ ২২ খন গাওঁৰ ভিতৰত ১৬ খন গাওঁ ১৯৮৯-৯১ চনৰ সময়ছোৱাত গ্ৰাম্যবৈদ্যুতিকৰণৰ নিয়মানুসৰি বিদ্যুৎ যোগান ধৰা হৈছিল। নানা কাৰণত বৰ্ত্তমান সেই কেইখন গাওঁৰ বিজুলী যোগান ব্যাহত হৈ আছে।

বাকী থকা ৬ খন গাওঁৰ ভিতৰত ২ খন গাওঁ বৰ্ত্তমান চলিথকা আচঁনিৰ অন্তৰ্ভুক্ত কৰা হৈছে। গাওঁ দুখন হ'ল- (১) কাজিয়া মাটি আৰু (২) মইনামতা পথাৰ। ৩ খন গাওঁ ১৯৯১ চনৰ পিয়লভূক্ত গাওঁ নহয়। গ্ৰাম্য বৈদ্যুতিকৰণ নিগমৰ নিয়মানুসৰি পিয়লভুক্ত গাওঁহে আচঁনিৰ অন্তৰ্ভুক্ত কৰিব পৰা যায়। বাকী ১ খন গাওঁ পিয়লভুক্ত যদিও বৰ্ত্তমান চলিত আচঁনিত অন্তৰ্ভুক্ত কৰা হোৱা নাই। নতুন আচঁনি হলেহে এই গাওঁখন অন্তৰ্ভুক্ত কৰিব পৰা যাব।

অৰ্থপ্ৰাপ্তিৰ সাপেক্ষে আগতে বৈদ্যুতিকৰণ কৰা ১৬ খন গাৱঁৰ মেৰামতিৰ কাম তথা বাকী থকা গাওঁ সমূহৰ কাম ( নতুন গাওঁৰ ) পৰ্যায়ক্ৰমেহে কৰিব পৰা যাব।

খ) বেকী নৈৰ দুয়োপাৰে থকা খুটা গড়াখহনীয়াত বাগৰি পৰাত বিজুলী প্ৰবাহ বন্ধ হোৱাৰ সুযোগতে ১১ কেভি লাইনৰ তাঁৰ, ট্ৰেন্সফৰমাৰ আদি দুষ্কৃতিকাৰীয়ে চুৰি কৰি নি য় আৰু কিছুমান নষ্টকৰি পেলোৱাৰ বাবে ১৬ খন গাওঁৰ বিজুলী যোগান বন্ধ হৈ আছে। অৰ্থপ্ৰাপ্তিৰ সাপেক্ষে ১৬ খন গাওঁৰ মেৰামতিৰ কাম তথা বাকী থকা নতুন গাওঁ সমূহৰ কাম পৰ্য্যায়ক্ৰমেহে কৰিব পৰা যাব।

## Re : Salaries of CAMUL Employees

Shri Bimolangshu Roy asked :

116. Will the Minister of Co-operation be pleased to state :

a) Is it a fact that Employees of CAMUL in Cachar district have not been getting their salaries for last 3 years ?

b) If so, what steps Government has taken to revitalise the CAMUL and save the employees and supply milk to the people ?

Shri Nurul Hussain ( Minister ) replied :

a) Yes

b) It is under consideration of Government.

## Re : Malegarh Tourist Spot

Shri Sukhendu Shekhar Dutta asked :

117. Will the Minister of Tourism be pleased to state :

a) Is the Govt. aware of the fact that one of the battle of sepoy Mutiny was fought in MALEGARH near Karimganj Town ?

b) If Govt is aware, whether the Govt. will declare MALEGARH as a Tourist spot ?

Shri Prafulla Kumar Mahanta ( Chief Minister Incharge Tourism ) replied :

a) Yes.

b) At present there is no such proposal.

## বিষয় : পণ্যাগাৰ নিগমৰ ভড়াল

শ্ৰীজ্যোতিষ দাসে সুধিছে :

১১৮। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) গোৱালপাৰা জিলাৰ আগিয়াত পণ্যগাৰ নিগমৰ ফালৰ পৰা এটা ভড়াল (Godown) স্থাপন কৰা সিদ্ধান্ত হৈছিল, সচাঁনে ? ইয়াৰ কাম কেতিয়া আৰম্ভ হ'ব অনুগ্ৰহ কৰি জনাবনে ?

খ) উক্ত ভড়াল (Godown)ৰ বাবে তিনি বিঘা মাটি আৱন্টন দিয়া হৈছিল, সেই বিষয়ে মন্ত্ৰী মহোদয়ে অৱগতনে ?

শ্ৰীনুৰুল হুছেইন (মন্ত্ৰী)য়ে উত্তৰ দিছে :

ক) হয়, সচাঁ। কাম আৰম্ভ কৰাৰ বাবে যাৱতীয় নিৰ্দ্দেশ দিয়াৰ ব্যৱস্থা কৰা হৈছে।

খ) হয়, অৱগত।

## বিষয় : আন্তৰ্জাতিক সীমান্ত অঞ্চল

শ্ৰীআলাউদ্দিন সৰকাৰে সুধিছে :

১১৯। মাননীয় সীমান্ত অঞ্চল উন্নয়নৰ মন্ত্ৰী মহোদয়ে জনাবনে ?

ক) আন্তৰ্জাতিক সীমান্ত অঞ্চল উন্নয়নৰ বাবে বৰাদ্দ ধনৰ সৈতে আন্তঃ ৰাজ্য সীমান্ত অঞ্চল উন্নয়নৰ ক্ষেত্ৰত ৰজিতা খুৱাই ধন বৰাদ্দ কৰা নহয় কিয় ?

খ) এই ক্ষেত্ৰত বিভাগে আছুতীয়াকৈ আন্তঃ ৰাজ্য সীমান্ত অঞ্চল উন্নয়নৰ বাবে পৰ্য্যাপ্ত ধন চলিত বছৰৰ বাজেটত (১৯৯৮-৯৯) ৰখাৰ ব্যৱস্থা কৰা হবনে ?

শ্ৰীবিনোদ গোৱালা (মন্ত্ৰী)য়ে উত্তৰ দিছে :

ক) কেন্দ্ৰীয় চৰকাৰৰ এশ শতাংশ পুজিৰ সাহায্যৰে আন্তঃ ৰাষ্ট্ৰীয় সীমান্ত অঞ্চল উন্নয়ন আঁচনিৰ আধাৰত ভাৰত বাংলা দেশ আন্তঃ ৰাষ্ট্ৰীয় সীমান্তবৰ্ত্তী এলেকাত উক্ত আঁচনিখন ৰূপায়ন কৰা হৈছে।

আনহাতে ৰাজ্য চৰকাৰৰ বাৰ্ষিক পৰিকল্পনাৰ সীমিত পুজিৰ অধীনত আন্তঃ ৰাজ্যিক সীমান্ত এলেকা উন্নয়নৰ বাবে আঁচনি ৰূপায়ন কৰা হয়।

সেয়েহে কেন্দ্ৰীয় চৰকাৰৰ আচনি আৰু ৰাজ্য চৰকাৰৰ আচনিৰ অনু-মোদিত পুজিৰ লগত ৰজিতা খুৱাই ধন বাৰাদ্দ কৰিব পৰা নাযায়।

খ) কৰিব পৰা নাযায়।

## বিষয় : বিদ্যুৎ যোগান

**শ্ৰীমতী ৰূপম কুৰ্মীয়ে সুধিছে :**

১২০। মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে।

ক) মৰিয়নী সমষ্টিৰ কিমান গাওঁত বিদ্যুৎ যোগান ধৰা হৈছে ?

খ) উক্ত সমষ্টিত আজিলৈকে কোন কোন গাওঁত বিদ্যুৎ যোগান ধৰা নাই জনাবনে ?

গ) ৰজাবাৰী ছুটীয়াকাবীৰ 'লেপ্ৰছী কলনীৰ' পৰা আজি ৬ মাহৰো আগতে বিদ্যুৎ বিভাগে 'ট্ৰেন্সফৰমাৰটো' উঠাই অনাত অঞ্চলটোত বিদ্যুৎ যোগান ব্যাহত হৈ আছে সচাঁনে ?

ঘ) যদি নহয় তেন্তে কেতিয়াকৈ বিদ্যুৎ যোগানৰ ব্যৱস্থা কৰিব বিভাগীয় মন্ত্ৰী মহোদয়ে সদনক জনাবনে ?

**শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী ( মন্ত্ৰী ) য়ে উত্তৰ দিছে :**

ক) মৰিয়নী সমষ্টিৰ মুঠ ১০৪ খন ১৯৯১ চনৰ পিয়লভুক্ত গাওঁত বিজুলী যোগান ধৰা হৈছে।

খ) উক্ত সমষ্টিৰ তালিকাত উল্লেখিত ১৬ খন গাওঁত আজিলৈকে বিদ্যুৎ যোগান ধৰা হোৱা নাই।

| ক্ৰমিক নং | গাওঁৰ নাম |
|---|---|
| ১। | হিং বালিয়া গাওঁ মেলেং গাওঁ |
| ২। | মিছি গাওঁ গ্ৰাণ্ট |
| ৩। | লক্ষীবাৰী গাওঁ ( ঘৰফলীয়া ) |
| ৪। | গাভৰু গ্ৰাণ্ট |
| ৫। | লাওজান গ্ৰাণ্ট |
| ৬। | ফেচুৱাল ৰুজাচুক |
| ৭। | নামচিচু বঙালী গাওঁ |

৮। নগা ধৰা গাওঁ

৯। কঠালগুৰি গ্ৰাণ্ট

১০। নং ৪ জংগল ব্লক

১১। দ্ৰাহুপাৰা গ্ৰাণ্ট

১২। বালিমৰা গাওঁ

১৩। হুলোভাপাৰা হাবি

১৪। দেবাগুৰি চাপৰি

১৫। নাহৰবাৰা গ্ৰাণ্ট

১৬। জংগল ব্লক

গ) ৰাজাবাৰী ছুটীয়াকা বীৰ 'লেপ্ৰচী কলনী' ট্ৰেন্সফৰমাৰটো যোৱা বান-পানীত বিকল হৈ পৰাত আগষ্ট ৯৮ মাহত উঠাই অনাটো সচাঁ। কিন্তু ইতিমধ্যে ট্ৰেন্সফৰমাৰৰ যোগান ব্যৱস্থা কৰা হৈছে।

ঘ) বিদ্যুৎ প্ৰবাহ পুনৰ সৰবৰাহ কৰিবলৈ ট্ৰেন্সফৰমাৰ পুনৰ প্ৰতিষ্ঠাৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

**Re : Protection Work of Erosion**

Shri Prithibi Maji asked :

121. Will the Minister of Flood Control be pleased to state :

a) When the inauguration of protection work of erosion was held at Nagaghuli in Dibrugarh District ?

b) Whether the protection work of Maijan-Mothola-Nagaghuli erosion project has been started ?

c) What amount has been spent for protection of Maijan-Mathola-Nagaghuli erosion project till date ?

Shri Promode Gogoi ( Minister ) replied :

a) 30th March/1998.

b) Yes ?

c) Rs. 20.00 lakhs.

## বিষয় : গড় নিধনৰ সংখ্যা

শ্ৰীভূপেন্দ্ৰ নাথ ভূঞা ( বিধায়ক ) সুধিছে :

১২২। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) ১৯৯৮ চনৰ পৰা ১৯৯৯ চনৰ ফেব্ৰুৱাৰী মাহ পৰ্য্যন্ত চোৰাং চিকাৰীৰ হাতত কিমান সংখ্যক গড় নিধন হ'ল ?

খ) কিমান সংখ্যক গড়ৰ খড়্গা উদ্ধাৰ হ'ল জনাবনে ?

শ্ৰীনগেন শৰ্মা ( বন মন্ত্ৰী )য়ে উত্তৰ দিছে :

ক) যোৱা ১৯৯৮ চনৰ পৰা ১৯৯৯ চনৰ ফেব্ৰুৱাৰী মাহলৈকে অসমত মুঠ ৩৪টা গড় চোৰাং চিকাৰীৰ হাতত নিধন হয়।

খ) এই সময়ছোৱাত মুঠ ৩টা গড়ৰ খড়্গা উদ্ধাৰ কৰা হৈছে।

## Re : Rural Border Areas People

Shri Sambhusing Mallah asked :

123. Will the Minister of Border Areas Development be pleased to state ?

a) Whether the Government has any programme to take up the P.W.D. road from Bhanga to Lussaicherra Via Kalibari, Kadamtolla R. K. Naga, Anipur, Cheragi upto Mizoram Border in the point of Lussaicherra ?

b) What action taken by the Government after getting the proposal from the questioner in this regard recently ?

c) Will the Government implement this proposal in the current year for the greater interest of rural Border Areas People ?

Shri Binod Gowala (Minister) replied:

a) No.

b) No such proposal has been received.

c) Does not arise.

## বিষয় : ৰাজ্যিক বিদ্যুৎ পৰিষদ

**শ্ৰীঅতুল বৰাই সুধিছে :**

১২৪। মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ কিমানটা পদ খালী আছে ? পদসমূহ কোন কোন পৰ্য্যায়ৰ ?

খ) পদ সমূহ পূৰণৰ বাবে কি ব্যৱস্থা লোৱা হৈছে ?

**শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী ( মন্ত্ৰী ) য়ে উত্তৰ দিছে :**

ক) অসম ৰাজ্যিক বিদ্যুৎ পৰিষদত সৰ্বমুঠ ১৯৩০টা পদ খালী আছে। উক্ত পদ সমূহ প্ৰথম শ্ৰেণী, দ্বিতীয় শ্ৰেণী, তৃতীয় শ্ৰেণী আৰু চতুৰ্থ শ্ৰেণী পৰ্য্যায়ৰ।

পৰ্য্যায় অনুযায়ী খালী পদ সমূহ তলত দিয়া হ'ল—

| | | | |
|---|---|---|---|
| ১। | প্ৰথম শ্ৰেণী | — | ১৪৯ টা |
| ২। | ২য় শ্ৰেণী | — | ২৫০ টা |
| ৩। | ৩য় শ্ৰেণী | — | ১০৯০ টা |
| ৪। | ৪ৰ্থ শ্ৰেণী | — | ৫৪১ টা |
| | সৰ্বমুঠ— | | ১৯৩০ টা |

খ) আৰ্থিক নাটনিৰ বাবে অত্যন্ত আৱশ্যক অনুযায়ীহে খালী পদ সমূহ পুৰণ কৰি থকা হৈছে। অসম ৰাজ্যিক বিদ্যুৎ পৰিষদে সহায়ক, মিট'ৰ বিদাৰ আৰু বিলক্লাৰ্ক আদি খালী থকা প্ৰামমিক পৰ্য্যায়ৰ পদ সমূহৰ কিছু সংখ্যক পদ পুৰণৰ বাৰস্থা হাতত লৈছে। পৰিষদৰ নিয়ম অনুযায়ী প্ৰথম শ্ৰেণী আৰু ২য় শ্ৰেণীৰ খালী পদ পদোন্নতি পদ্ধতিৰে পুৰণ হয় সেয়ে পৰিষদে নেই অনুযায়ী ব্যৱস্থা গ্ৰহন কৰি আছে।

## বিষয় : প্ৰথম, দ্বিতীয়, তৃতীয় শ্ৰেণীৰ কাৰাগাৰ

**শ্ৰীদিলীপ কুমাৰ শইকীয়াই সুধিছে :**

১২৫। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) অসমত বৰ্ত্তমান কিমানখন প্ৰথম শ্ৰেণী, দ্বিতীয় শ্ৰেণী আৰু তৃতীয় শ্ৰেণীৰ কাৰাগাৰ আছে জনাবনে ?

খ) সম্প্ৰতি অসমত কিমান গৰাকী কাৰাবন্দী আছে জনাবনে ? এই কাৰাবন্দী সকলৰ ভিতৰত কিমান গৰাকী বিভিন্ন উগ্ৰপন্থী সংগঠনৰ সদস্য আছে পৃথকে পৃথকে তালিকা দাখিল কৰিব আৰু সাধাৰণ কাৰাবন্দীৰ তালিকা দাখিল কৰিব । ( আলফা, বি টি এফ, এন ডি এফ বি, মালটা, বি এল টি এফ, এন এছ চি এন ) ।

গ) অসমৰ কিমান গৰাকী কাৰাবন্দী অসমৰ বাহিৰত ৰখা হৈছে জনাবনে ?

ঘ) কাৰাবন্দী সকলৰ বাবদ দৈনিক খাদ্য সামগ্ৰীকে ধৰি অন্যান্য কিমান টকা খৰচ হয় জনাবনে ?

**শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী ) য়ে উত্তৰ দিছে :**

ক) প্ৰথম শ্ৰেণীৰ ৩ (তিনি) খন, দ্বিতীয় শ্ৰেণীৰ ৪ (চাৰি) খন আৰু তৃতীয় শ্ৰেণীৰ ৬ (ছয়) খন।

খ) যোৱা ২৮ ফেব্ৰুৱাৰী ১৯৯৯ অসমৰ কাৰাগাৰ সমূহত মুঠ ৬,১৭৭ সংখ্যক কাৰাবন্দী আছিল। তাৰ ভিতৰত TADA আইনৰ অধীনত ২৯ জন Unlawful Activities ( Preventation Act )ৰ অধীনত ৩৩৩ জন ৰাষ্ট্ৰীয় নিৰাপত্তা আইন ( NSA )ৰ অধীনত ২২ জন মুঠ ৩৮৪ জন উগ্ৰপন্থী । কাৰাগাৰ নথিত উগ্ৰপন্থী সংগঠন হিচাবে কাৰাবন্দী সকলৰ হিচাব ৰখা নহয় । সেই তথ্য জিলা সমূহৰ পৰা সংগ্ৰহ কৰি থকা হৈছে ।

গ) বৰ্ত্তমান অসমৰ কোনো কাৰাবন্দী অসমৰ বাহিৰত ৰখা হোৱা নাই ।

ঘ) প্ৰতিজন কাৰাবন্দীৰ বাবদ দৈনিক খাদ্য আৰু খাদ্য সামগ্ৰীকে ধৰি প্ৰতিদিনৰ গড়মুৰি খৰচ হয় প্ৰায় ২৪ (চৌবিশ) টকা ।

## বিষয় : চৰকাৰী পেঞ্চনাৰ সন্থাক মাটি আবণ্টন

**শ্ৰীমোহন দাসে সুধিছে :**

১২৬। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে জনাবনে ?

ক) জিলা ভিত্তিক / মহকুমা ভিত্তিক চৰকাৰী পেঞ্চনাৰ সন্থাক চৰকাৰে কাৰ্যালয় স্থাপন আদিৰ বাবে মাটি আবণ্টন দিয়াৰ নজীৰ আছে নেকি ?

খ) যদি আছে, তেন্তে এই পৰ্যন্ত অসমৰ কিমান খন ঠাইত চৰকাৰী পেঞ্চনাৰ সন্থাক মাটি আবণ্টন দিয়া হৈছে জনাবনে ?

গ) ১৯৮৮ চনৰে পৰা বহু আবেদন নিবেদন কৰি থকা সত্বেও আৰু মহকুমা প্ৰশাসনে প্ৰতিশ্ৰুতি দিয়া সত্বেও আজি পৰ্যন্ত চৰকাৰী মাটি আবণ্টন নোপোৱাৰ বজালী জিলা চৰকাৰী পেঞ্চনাৰ সন্থাই কাৰ্য্যালয় স্থাপনৰ বাবে মাটি আবণ্টন কেতিয়াকৈ পাব, অনুগ্ৰহ কৰি জনাবনে ?

ডাঃ জয়নাথ শৰ্মা ( মন্ত্ৰী )য়ে উত্তৰ দিছে :

ক) হয় আছে ।

খ) অসমৰ চৰকাৰী পেঞ্চনাৰ সন্থাক নিম্ন লিখিত ১০ খন স্থানত চৰকাৰী মাটি আবণ্টন দিয়া হৈছে ।

| জিলা / মহকুমা | মাটিৰ পৰিমান |
|---|---|
| ১। তেজপুৰ টাউন | ১ ( এক ) কঠা |
| ২। বৰপেটা ( বদৰুটুপ টাউন ) | ২ ( দুই ) কঠা |
| ৩। ডিব্ৰুগড় | ২ ( দুই ) কঠা |
| নাহৰকটীয়া টাউন | ২ ( দুই ) কঠা ১০ লেচা |
| ৪ গোলাঘাট ডেৰগাওঁ টাউন | ১ ( এক ) কঠা |
| ৫। কোকৰাঝাৰ | ১৫ লেচা |
| ৬। বঙাইগাওঁ | ৩ ( তিনি ) কঠা |
| ৭। নলবাৰী | ১ ( এক ) ৫ লেচা |
| ৮। উত্তৰ শালমৰা | ১ ( এক ) কঠা ১০ লেচা |
| ৯। শদিয়া | ২ ( দুই ) বিঘা ১০ লেচা |
| ১০। শিলচৰ | ১ ( এক ) কঠা ১২ ছটাক । |
| | মুঠ — ৫ ( পাঁচ ) বিঘা ১৯ লেচা |

গ) বজালী মহকুমাৰ চৰকাৰী পেঞ্চনাৰ সন্থাই মাটিৰ আবণ্টন পাঠশালা

টাউনৰ ভিতৰত পাৰলে আবেদন কৰি আহিছে, কিন্তু পাঠশালা টাউনত তেনে উপযুক্ত চৰকাৰী মাটি নোপোৱাত মাটি আবণ্টন দিব পৰা হোৱা নাই। পাঠশালা নগৰৰ সমীপত 'বৰধৰ বীৰক'লা' গাওঁৰ প্ৰেঞ্চনাৰ সন্থাই বিচৰামতে এড়োখৰ একচনীয়া মাটি চৰকাৰী কৰি আবণ্টন দিবলৈ ব্যৱস্থা লৈ থকা হৈছে।

## বিষয় : খাদ্য সামগ্ৰী যোগান

**শ্ৰীএতোৱা মুণ্ডাই সুধিছে :**

১২৭। মাননীয় সাহাৰ্য্য আৰু পুনৰ সংস্থাপন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) কোকৰাঝাৰ আৰু বঙাইগাওঁ জিলাত বৰ্ত্তমানও কিমানটা সাহায্য শিবিৰ ক'ত ক'ত আছে জনাবনে ? আৰু কোনটো কোনটো শিবিৰত মুঠ কিমান জন শৰণাৰ্থী বৰ্ত্তমানলৈকে আছে।

খ) উক্ত শিবিৰ সমূহত প্ৰয়োজনীয় খাদ্য সামগ্ৰী যোগান ধৰিব নোৱাৰাটো সত্যনে ?

গ) যদি সত্য নহয় তেন্তে কোনটো কোনটো শিবিৰত কিমান পৰিমানৰ খাদ্য সামগ্ৰী যোগান ধৰি আহিছে তথ্য সহ বিৱৰণ দাঙি ধৰিবনে ?

ঘ) জিলা দুখনৰ কোন কোন শিবিৰৰ কিমান পৰিয়ালক পুনৰ সংস্থাপন দিয়া হৈছে জনাবনে ?

ঙ) বৰ্ত্তমানলৈকে শিবিৰ সমূহত থকা পৰিয়াল সকলক কিয় পুনৰ সংস্থাপন দিব পৰা নাই জনাবনে ?

**শ্ৰীবিনোদ গোৱালা ( মন্ত্ৰী ) :** মহোদয়ে উত্তৰ দিছে।

ক) বৰ্ত্তমান কোকৰাঝাৰ জিলাত ৮৩টা সাহাৰ্য্য শিবিৰত মুঠ ২,৭৭,৪৪১ জন আৰু বঙাইগাওঁ জিলাত ৫টা সাহাৰ্য্য শিবিৰত মুঠ ৫,৭৩৭ জন শৰনাৰ্থী আছে। ( শৰনাৰ্থী শিবিৰৰ তালিকা ইয়াৰ লগত নিচান 'খ'ত দিয়া হ'ল।

( See Annexure III )

খ) সত্য নহয়।

গ) প্ৰতিজন শৰনাৰ্থীক প্ৰতিদিনে তলত দিয়া ধৰনে খাদ্য সামগ্ৰী যোগান ধৰা হয়।

| | | | | |
|---|---|---|---|---|
| ১। | চাউল | — | ৬০০ গ্ৰাম | ( প্ৰাপ্ত বয়স্ক ) |
| | | | ৪০০ গ্ৰাম | ( নাবালক ) |
| ২। | দাইল | — | ১০০ গ্ৰাম | |
| ৩। | মিঠাতেল | — | ৩০ গ্ৰাম | |
| ৪। | নিমখ | — | ৩০ গ্ৰাম | |

ঘ) কোকৰাঝাৰ জিলাৰ মুঠ ৮০৬৭ টা পৰিয়ালক আৰু বঙাইগাওঁ জিলাৰ মুঠ ২,১৬০ টা পৰিয়ালক পুনৰ সংস্থাপন কৰা হৈছে। ( উপায়ুক্তৰ পৰা বিতং তথ্য নোপোৱা হেতু শিবিৰৰ তালিকা দিব পৰা নগল )।

ঙ) সৰহ সংখ্যক শৰনাৰ্থী সংৰক্ষিত বনাঞ্চল অধিকৃত এলেকাৰ হোৱা হেতু আৰু তেওঁলোকৰ পুনঃ সংস্থাপনৰ বাবে চৰকাৰে উপযুক্ত মাটি নোপোৱাৰ কাৰণে পুনঃস্থাপন কৰিব পৰা নাই।

**Re : Coal based Power Plant**

Shri Pradyut Bordoloi asked :

128. Will the Minister of Power be pleased to state :

a) Whether thc Govt. of Assam is keen to develope a coal based power plant at Borgoloi ( Near Margherita ) ?

b) If so, what is the status ?

Shri Hitendra Nath Goswami ( Minister ) replied :

a) Yes.

b) Govt. ( A.S.E.B. ) has decided in principle to establish a 2 x 60 MW. capacity Thermal power station Coal based plant at Coal pit head near Margherita for which site has been selected.

Consultants have been engaged to prepare I.P.P. bid ( Independent Power Project ) to select a developer to execute the project through the competitive international I.P.P. bidding process.

**Re : Kaziranga National Park**

Shri Nazibul Umar asked :

129. Will the Minister of Forest be pleased to state :

a) How many Rhinos were killed due to flood in Kaziranga National Park and also killed by the poachers during 1997-98 ?

b) What are the steps taken by the Government so far to prevent the killings of this rate specises ?

Shri Nagen Sharma ( Minister ) replied :

a) 40 Rhinos died during the floods and 20 Rhinos were killed by poachers in 1997 and 1998 in Kaziranga National Park.

b) (I) Round-the-clock patrolling by the Forest staff and Assam Forest Protection Force in and around the National Park.

II) 10 new "high lanos" have been constructed by the Army, 5 more are under construction by the Forest Department and are under repair.

**বিষয় ঃ সীমান্ত অঞ্চল উন্নয়ন আৰ্চান**

**শ্ৰীওৱাজেদ আলী চৌধুৰীয়ে সুধিছে ঃ**

১৩০। মাননীয় সীমান্ত অঞ্চল উন্নয়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) ১৯৯৬-৯৭, ১৯৯৭-৯৮ আৰু ১৯৯৮-৯৯ চনত ধুবৰী জিলাৰ দ: শালমাৰা উন্নয়ন খণ্ড আৰু বীৰ সিং বৰুৱা উন্নয়ণ খণ্ডৰ অধীনত কি কি স্কীম লোৱা হৈছে আৰু কোন কোন স্কীম সম্পূৰ্ণ কৰা হৈছে আৰু কোন কোন স্কীম সম্পূৰ্ণ কৰিবলৈ বাকী আছে ?

খ) সীমান্ত অঞ্চল উন্নয়ন আচনিবোৰ নিৰ্ব্বাচন কোনে কৰে উক্ত আচনিবোৰৰ ৰূপায়ন কোন বিভাগৰ জৰীয়তে কৰা হয় ?

শ্ৰীবিনোদ গোৱালা ( মন্ত্ৰী )য়ে উত্তৰ দিছে :

ক) তালিকা সদনৰ মজিয়াত ৰখা হৈছে ।

( See Annexure IV )

খ) সীমান্ত অঞ্চল উন্নয়ণ সঞ্চালকৰ যোগেদি সংলিষ্ট জিলাৰ উপায়ুক্ত, উন্নয়ণৰ লগত জড়িত জিলা পৰ্যায়ৰ বিষয়া আৰু জনপ্ৰতিনিধি সকলৰ পৰা আহৰণ কৰি, ৰাজ্যিক পৰ্য্যায়ত মুখ্য সচিবৰ সভাপতিত্বত কেন্দ্ৰীয় চৰকাৰৰ গৃহ বিভাগ ও পৰিকল্পনা আয়োগৰ প্ৰতিনিধি, কেন্দ্ৰীয় চৰকাৰৰ সীমান্ত সুৰক্ষা বাহিনীৰ মহাপৰিদৰ্শক, এছঃ এছঃ বিৰ উপ-মহাপৰিদৰ্শক, অসমৰ গৃহ, সীমান্ত অঞ্চল উন্নয়ন বিভাগৰ সচিব, অসমৰ পৰিকল্পনা ও উন্নয়ণ বিভাগৰ আয়ুক্ত সচিবক সদস্য হিচাবে লৈ কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দেশনাৰ অৰ্হিত গঠিত বাছনি কমিটিয়ে ( State Leval Screening Committee meeting ) আঁচনি সমুহৰ ৰূপায়ণৰ বাবে অনুমোদন দিয়ে।

উক্ত বাছনি কমিটিৰ দ্বাৰা অনুমোদিত ( Approved ) আঁচনি সমূহ বিভাগীয় বিধি অনুযায়ী সীমান্ত অঞ্চল বিভাগৰ পৰা সংমোদন ( sanction ) দিয়াৰ পিছত পুজি আহৰন কৰি জিলা পৰ্য্যায়ত থকা সংলিষ্ট বিভাগ যেনে গড়কাপ্তানী পথ আৰু গৃহ, কৃষি বিভাগ, জিলা গ্ৰামোন্নয়ন সন্থা ইত্যাদিৰ বিষয়াৰ যোগেৰে ৰূপায়ন কৰা হয়।

## বিষয় : চৰকাৰী মাটি বেদখল

শ্ৰীমতী প্ৰণতি ফুকনে সুধিছে :

১৩১। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) অসমৰ চাহ বাগিছা সমূহে কিমান চৰকাৰী মাটি বেদখল কৰি আছে চৰকাৰ অৱগতনে ?

খ) যদি অৱগত এই বেদখল মাটিৰ পৰিসংখ্যা জনাবনে ?

গ) এই বেদখলীকৃত মাটি সমূহ চৰকাৰে ঘূৰাই লোৱাৰ কিবা ব্যৱস্থা কৰিছে নেকি ?

**ডঃ জয়নাথ শৰ্মা ( মন্ত্ৰী )য়ে উত্তৰ দিছে :**

ক) হয়, চৰকাৰ অৱগত ।

খ) ১৬ খন জিলাৰ পৰা পোৱা তথ্যমতে মুঠ ২৩,৫২০ বিঘা, ৪ কঠা ৩ লোছা চৰকাৰী মাটি চাহবাগান বিলাকে দখল কৰি ( জিলা ভিত্তিক পৰিসংখ্যা সংলগ্ন কৰা হৈছে )।

( See the Annexure V )

গ) ব্যৱস্থা গ্ৰহণ কৰা হৈছে ।

**Re : Development of Tourism Spot**

**Shri Bimolangsu Roy asked :**

132. Will the Minister of Tourism be pleased to state :

a) Will the Government take up a scheme for multi-purpose development of Ram Nagar Area of Silchar Sub-Division as a Tourist Spot during the current financial year as represnted by Local M. L. A.

b) If so, when the work is likely to commence ?

c) If not, why ?

**Shri Prafulla Kr. Mahanta** (Chief Minister) Hon'ble Minister of Tourism replied :

a) The scheme submitted by the Hon'ble Local M.L.A., Silchar is under examination and consideration of the Department and will be taken up if found feasible.

b) Does not arise.

c) Does not arise.

### Re : Salaries of Statfed Employees

**Shri Sukhendu Shekhar Dutta** asked :

133. Will the Minister of Co-operation be pleased to state :

a) Is it a fact that the employees of STATFED are not getting their salaries and other benefits for quite a long period ?

b) If yes, what measures are being contemplated to regularise the payments ?

c) Whether the Tripti Banaspati Project has been closed down ?

Shri Nurul Hussain ( Minister ) replied :

a) Yes it is a fact.

b) The State Govt., in consultation with the managment and representatives of the employees of this organisation is trying its best to evole suitable measures to regularise the payments.

c) The STATFED Vanaspati plant has not been closed down.

### বিষয় ঃ ঢেকীয়াজুলি চাহ বাগিচাৰ মাটি

শ্ৰীমতী ৰূপম কুৰ্মীয়ে সুধিছে ঃ

১৩৪। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) অসম চাহ নিগমৰ অধীনস্থ "ঢেকীয়াজুলী" চাহ বাগিছাৰ এক অংশ মাটি বেদখলকাৰীয়ে দখল কৰি ব্যক্তিগত বাগিছা খোলাৰ ব্যৱস্থা কৰিছে, মন্ত্ৰী মহোদয়ে এই কথা জানেনে ?

খ) যদি জানে উক্ত বেদখলকাৰী জনৰ নাম সদনৰ মজিয়াত দাখিল কৰিবনে ?

গ) মৰিয়নী সমষ্টিৰ বাগিছা সমূহৰ কিমান মাটি বেদখলকাৰীৰ কবলত আছে মন্ত্ৰী মহোদয়ে জানেনে ? যদি জানে তেন্তে উক্ত বেদখলকাৰীৰ নামত

তালিকা সদনত দাখিল কৰিবনে ?

ডঃ জয়নাথ শৰ্মা ( মন্ত্ৰী )য়ে উত্তৰ দিছে ঃ

ক) কথাটো সঁচা নহয় ।

খ) প্ৰশ্ন নুঠে ।

গ) হয় জানে । এতিয়ালৈ পোৱা তথ্যমতে সোনোৱাল চাহ কোম্পানীৰ ১০ বিঘা ১ কঠা মাটি তিনিজন বেদখলকাৰী যথাক্ৰমে সৰ্ব্বশ্ৰী দৌলত সিং ছেত্ৰী, বাবুল পাৰ্থ আৰু কণ ছেত্ৰীয়ে ঘৰ দুৱাৰ সাজি বসবাস কৰি আছে । বাবুল পাৰ্থই চাহ গছ বুৱাৰ বাবে দুই বিঘা মাটি চহাই লৈছে ।

**Re : Divert of Fund for Protection on work**

**Shri Prithibi Majhi asked :**

135. Will the Minister of Flood Control be pleased to state ;

a) Whether it is a fact the fund meant for taking up for protection work of Maijan-Mothola erosion site has been diverted to the North Bank of Brahama-putra ?

b) If so, what amount has been diverted and the reason for diversion.

**Shri Promode Gogoi ( Minister ) replied :**

a) If it is not fact.

b) In view of reply furnished at (a) above, it does not arise.

**বিষয় ঃ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান**

**শ্ৰীভুপেন্দ্ৰ নাথ ভুঞাই সুধিছে ঃ**

১৩৬। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) ১৯৯৮-৯৯ বৰ্ষত অভূতপূৰ্ব বানত ক্ষতি হোৱা কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বাট-পথ, দলং আদি নিৰ্মাণৰ বাবে কিমান টকা ব্যয় কৰা হ'ল।

খ) অসম চৰকাৰৰ বন বিভাগ 'DRDA' কেন্দ্ৰীয় চৰকাৰ আৰু বিদেশৰ পৰা কিমান টকা পোৱা হ'ল?

ওখ ভেটি কিমান সংখ্যক নিৰ্মাণ কৰা হ'ল সকলোবোৰ বিতং বিৱৰণ দিয়ে যেন?

**শ্ৰীনগেন শৰ্মা ( মন্ত্ৰী )য়ে উত্তৰ দিছে ঃ**

ক) ১৯৯৮-৯৯ বৰ্ষত অভূতপূৰ্ব বানত ক্ষতি হোৱা কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বাট-পথ, দলং আদি নিৰ্মাণৰ বাবে মুঠ ৮৪,০৪,৯৫০ ০০ টকা ব্যয় কৰা হৈছে।

খ) অসম চৰকাৰৰ বন বিভাগ, ডি, আৰ, ডি, এ, কেন্দ্ৰীয় চৰকাৰ আৰু বিদেশৰ পৰা পোৱা ধনৰ পৰিমান হ'ল—

| | | |
|---|---|---|
| ১। অসম চৰকাৰৰ পৰা | — | ৫০,০০,০০০/- |
| ২। ডি, আৰ, ডি, এ | — | ৫,৩৯,০০০/- |
| ৩। কেন্দ্ৰীয় সাহায্য আঁচনি | — | ৫৮,০৫,০০০/- |
| ৪। ইউনেস্কৰ পূজি ( ভাৰত ) | — | ৬,৩০,৪৫০/- |
| ৫। বিশ্ব বন্য প্ৰাণী নিধিৰ ( ভাৰত ) | — | ২,৩৫,৫০ /- |

৫টা (পাচ) ওখ ভেটি নিৰ্মাণৰ কাম চলি আছে।

৪টা (চাৰি) ওখ ভেটিৰ মেৰামতি / পুণৰ নিৰ্মাণৰ কাম চলি আছে।

তাৰ উপৰিও সেনা বাহিনীয়ে ১০ টা ওখ ভেটি নিৰ্মাণ কৰি দিছে।

## Re : I. C. D. Project

**Shri Sambhusing Mallah asked :**

137. Will the Minister of Corporation be Pleased to state—

a) Within the state how many districts were covered under ICD Project ? (Give the names of the districts with sanction year )

b) Why the said ICDP is not implemented in the Karimganj District ? Whether the Govt. is considering the Matter for inclusion of the Karimganj district under this Project ?

c) I yes, what is the present position in this regard ? (give statement copy on the floor of the House).

**Shri Nurul Hussain** ( Hon'ble Minister Corporation Deptt. replied :

a) Within the state, two districts viz. Nowgong and Morigaon ( undivided Nowgong district) were convered ICDP for undivided Nowgong district has sanctioned in 1988.

b) Till now, no proposal for implenting ICDP in Karimganj district has been received. If any proposal for inclusion of Karimganj district under the ICDP is received, the same will be favourably considered.

c) As stated at Sl. (b) above.

## বিষয় : শিতানত কৰা খৰছৰ পৰিমাণ

**ডঃ কল্যাণ কুমাৰ গগৈয়ে সুধিছে :**

১৩৮। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) ১৯৯৮–৯৯ চনত অসমৰ কিমান খন জিলাত FDRৰ শিতানত কিমান টকা মঞ্জুৰ কৰা হৈছিল, আৰু কিমান টকা খৰছ কৰা হ'ল ?
( এখন তালিকা অনুগ্ৰহ কৰি সদনৰ মেজত দিব )

খ) বানত পোৱাকৈ ক্ষতিগ্ৰস্ত হোৱা ডিব্ৰুগড় জিলাত FDR শিতানত কিমান টকা ধাৰ্য্য কৰা হৈছিল আৰু কিমান টকা খৰছ কৰা হ'ল ?
( এখন তালিকা অনুগ্ৰহ কৰি সদনৰ মেজত দিব )

**ডঃ জয়নাথ শৰ্মা** ( মন্ত্ৰী, ৰাজহ বিভাগ ) মহোদয়ে উত্তৰ দিব :

ক) প্ৰাকৃতিক দুৰ্যোগ সাহাৰ্য্য পুঁজিৰ পৰা ১৯৯৮-৯৯ বৰ্ষত বিভিন্ন বিভাগক সৰ্বমুঠ ৫৫,৮৭,৮০ ৩২৮ টকা মঞ্জুৰী দিয়া হৈছিল। খৰছৰ পৰিমান বিভাগ সমূহৰ পৰা এতিয়াও পোৱা নাই।

( মঞ্জুৰীৰ তালিকা গাঠি দিয়া হ'ল ) (See Annexure VI)

খ) প্ৰাকৃতিক দুৰ্যোগ সাহৰ্য্য পুঁজিৰ টকা মেৰামতি আদি কামৰ বাবে বিভাগ সমূহকহে মঞ্জুৰী দিয়া হয়।

## বিষয় : জিলা কাৰাগাৰ

**শ্ৰীঅতুল বৰাই সুধিছে :**

১৩৯। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) গোলাঘাট জিলা কাৰাগাৰখন স্থানান্তৰ কৰাৰ পৰিকল্পনা চৰকাৰে লৈছে নেকি ?

খ) যদি হয় স্থানান্তৰ কেতিয়া হ'ব ?

**শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী )য়ে উত্তৰ দিছে :**

ক) হয়।

খ) নিৰ্মীয়মান নতুন কাৰাগাৰখনৰ কাম সম্পূৰ্ণ হলেই স্থানান্তৰ কৰা হ'ব।

## বিষয় : মাটিৰ কালিৰ পৰিমাণ

**শ্ৰীদিলীপ কুমাৰ শইকীয়াই সুধিছে :**

১৪০। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) অসমত থকা জনজাতি খণ্ড আৰু আৱেষ্টনী সমূহৰ বৰ্ত্তমান মাটিৰ কালি কিমান ?

ক) এই সংৰক্ষিত এলেকাত কোন কোন শ্ৰেণীৰ লোক সংৰক্ষিত শ্ৰেণী অন্তভু´ক্ত ?

গ) এই জনজাতি খণ্ডৰ আৱেষ্টনী সমূহত বেআইনীভাৱে বেদখলকাৰী থকাটো চৰকাৰ অৱগত নে ?

ঘ) তিনিচুকীয়া জিলাৰ জাগুন অঞ্চলৰ টিৰাপ ট্ৰাইবেল বেল্ট এণ্ড ব্লকত বেআইনীভাবে মাটি দখল কৰি চাহ বাগিছা খোলা কথাটো চৰকাৰ

অৱগত নে ? যদি অৱগত তেন্তে এই বিষয়ত চৰকাৰে কি কাৰ্য্যকৰী ব্যৱস্থা গ্ৰহন কৰিছে ?

ঙ) বিভাগীয় মন্ত্ৰী মহোদয়ে অসমৰ ট্ৰাইবেল বেল্ট আৰু ব্লক সমূহ বেদখল মুক্ত কৰাৰ বাবে কি ব্যৱস্থা গ্ৰহন কৰিছে ?

**ডঃ জয়নাথ শৰ্মা** ( ৰাজহ বিভাগৰ মন্ত্ৰী )য়ে উত্তৰ দিছে :

ক) সৰ্ব্বমুঠ ৮৫ লাখ ৮০ হাজাৰ ৮৪২ বিঘা।

খ) স্বায়ত্ব শাসিত জিলা সমূহ বাদ দি এই সংৰক্ষিত এলেকাত অন্তৰ্ভুক্ত শ্ৰেণীৰ লোক সকল হ'ল—

১। ভৈয়াম জনজাতি।

২। পাহাৰীয়া জনজাতি।

৩। চাহ জনজাতি।

৪। চাওঁতাল

৫। অনুসূচীত জনজাতি।

৬। গোৱালপাৰা, ধুবুৰী, কোকৰাঝাৰ আৰু বঙাইগাওঁ জিলাৰ খিলঞ্জীয়া কোঁচৰাজবংশী আৰু

৭। নেপালী কৃষক আৰু গো-পালক ( Gazier ) সকল।

গ) অৱগত।

ঘ) হয়। যি সকল অসংৰক্ষিত লোকে অবৈধভাৱে চাহ বাগিছা খুলিছে সেই সকল লোকক উচ্ছেদ কৰাৰ বাবে যাৱতীয় ব্যৱস্থা লোৱা হৈছে।

ঙ) অসমভূমি আৰু ৰাজহ অধিনিয়ম ১৮৮৬ৰ ১০ম অধ্যায় ব্যৱস্থা সমূহ যথাযথভাৱে কাৰ্য্যকৰী কৰণৰ ক্ষেত্ৰত নিয়োজিত বিষয়া/কৰ্মচাৰী সকলক সময়ে সময়ে নিৰ্দেশ জাৰি কৰি থকা হৈছে যাতে সংৰক্ষিত বেল্ট আৰু ব্লকসমূহ অবৈধ দখল/ হস্তান্তৰ আদিৰ পৰা মুক্ত থাকে।

## Re : CONSTRUCTION OF DYKE ETC,

**Shri Prithibi Maji asked :**

141. Will the Minister of Flood Control be pleased to state :

a) What is the share of fund incurred by the state Government for construction of dyke etc. at Maijan-Mo-

thla-Nagaghuli-Rohmoria erosion site ?

b) What amount has been sanctioned by the Government of India for Protection of Maijan - Mothola-Nagaghuli and Rohmoria erosion project ? (Please give details.)

**Shri Promode Gogoi** ( Minister of Flood Control) replied :

a) The question of sharing fund by the State Govt. does not arise as the project is taken up for implementation under C.L.A. Which is 100% loan from Union Govt.

b) For Protection of Maijan-Nagaghuli Rs. 10.74 crores and for Rohmoria protection-nill.

c) Investment Clearence from Planning Commission for Rs. 10.74 crores. was obtained in 1992 for Maijan-Nagaghuli Protection work. Proposal for Rohmaria protection work is under investigation, as such, question of sanction at this stage does not arise.

## বিষয় : বাজহ মণ্ডল

**ডাঃ কল্যাণ কুমাৰ গগৈয়ে সুধিছে :**

১৪২। মাননীয় বাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) অসমৰ প্ৰতিখন জিলাত ১৯৯৭-৯৮-৯৯ বৰ্ষত কিমানকৈ বাজহ সংগ্ৰহ কৰা হয় ? ( এখন তালিকা অনুগ্ৰহ কৰি সদনৰ মেজত দিব )

খ) ১৯৯৭-৯৮-৯৯ বৰ্ষত ডিব্ৰুগড় জিলাত কিমান বাজহ সংগ্ৰহ কৰা হয় ? ( এখন তালিকা অনুগ্ৰহ কৰি সদনৰ মেজত দিব )

**ডাঃ জয়নাথ শৰ্মা (বাজহ মন্ত্ৰী)য়ে উত্তৰ দিছে :**

ক) ১৯৯৭-৯৮ বৰ্ষত ( জুলাই-জুন ) মুঠ ৬,৭০,৮৩,৬০৪·৮৭ টকা আৰু ১৯৯৮

চনৰ ১৯৯৮ চনৰ জুলাইৰ পৰা মুঠ ৩,৯১,১৭,৫০৯'৪৯ টকা ভূমি ৰাজহ সংগ্ৰহ কৰাৰ প্ৰতিবেদন পোৱা হৈছে ।

খ) ডিব্ৰুগড় জিলাত ১৯৯৭-৯৮ বৰ্ষত মুঠ ৫০,৭৭,৩৯০'৫২ টকা আৰু ১৯৯৮ৰ পৰা ১৯৯৯ৰ ফেব্ৰুৱাৰী মাহলৈ মুঠ ৩৬,২৯,১১০'৫৫ টকা ভূমি ৰাজহ সংগ্ৰহ কৰা হৈছে। ( See Annexure VII )

## Re : PROTECTION WORK OF ROHMORIA

**Shri Prithibi Majhi asked :**

143. Will the Minister of Flood Control be pleased to state :

a) Whether the protection work of Rohmoria under Dibrugarh district has been taken up by the Government ?

b) What are the schemes taken up for Rohmoria are to save from erosion of Brahmapura ?

c) Whether any amount has been sanctioned by the Government of India in this regard ? ( Please give details. )

**Shri Promode Gogoi ( Minister ) replied :**

a) Yes. to reterd erosion at Rohmoria under Dibrugarh District palliative measures have been taken up.

b) A palliative measures under F. D. R. Head induce situation is taken up as stated above (a) Further detailed project report with estimate will be prepered for further action after completion of model studies required for the anti-erosion scheme.

c) No.

Inview of reply furnished at c) above. it does not arise.

## বিষয় ঃ ডিব্ৰুগড় জিলা কাৰাগাৰ সন্দৰ্ভত

**ডাঃ কল্যাণ কুমাৰ গগৈয়ে সুধিছে ঃ**

১৪৪। মাননীয় কাৰাগাৰ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) ডিব্ৰুগড় জিল'ৰ কাৰাগাৰত যাৱজীৱন কাৰাণ্ডেৰে দণ্ডিত কয়দী সকলক ব্যস্ত ৰখাৰ লগতে জেলত উংপাদিত সামগ্ৰীৰ বাবে কেচামালৰ নাটনিৰ কথাটো সত্য নে ? যদি সত্য, ইয়াৰ বাবে চৰকাৰে কিবা ব্যৱস্থা গ্ৰহণ কৰিছেনে ?

খ) ডিব্ৰুগড় জিলা কাৰাগাৰত মহিলা কয়দী সকলক ( জেলত ৰখা ) স্থান অতি শোচনীয়, মাননীয় মন্ত্ৰী মহোদয়ৰ জ্ঞাতনে ? যদি জ্ঞাত, ইয়াক উন্নত কৰাৰ কিবা ব্যৱস্থা গ্ৰহণ কৰিছেনে ?

গ) ডিব্ৰুগড় জিলাৰ কাৰাগাৰৰ হাজোতি আৰু কয়দী সকলৰ দৈনন্দিন আহাৰ সমূহ অতি নিম্ন মানৰ হোৱা হেতুকে হাজোতি আৰু কয়দী সকলে অতি তুখ কষ্টৰ মাজেদি দিন বিলাক অতিবাহিত কৰা বিষয়ে চৰকাৰ অৱগত নে ?

**শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী )য়ে উত্তৰ দিছে ঃ**

ক) আংশিক ভাৱে সত্য । চাবোন. ফেনাইল উদ্যোগৰ কেঁচামালৰ যোগান অব্যাহত আছে। কিন্তু বাহ-বেতৰ উদ্যোগৰ বাবে বেতৰ নাটনি হোৱাটো সচা ।

খ) সচা নহয় ।

গ) সচা নহয় ।

## বিষয় ঃ বানপানীত ক্ষয় ক্ষতি

**ডাঃ কল্যান কুমাৰ গগৈয়ে সুধিছে ঃ**

১৪৫। মাননীয় বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) ডিব্ৰুগড় জিলাৰ কোন কেইখন সমষ্টিত ১৯৯৮-৯৯ বৰ্ষত বানপানীয়ে কৰা ক্ষয় ক্ষতিৰ বাবে কিমান টকা মঞ্জুৰী আগবঢ়োৱা হৈছিল ? যদি মঞ্জুৰী কৰা হৈছিল, তেন্তে কোন কেইখন সমষ্টিত কিমান টকাকৈ ধাৰ্য্য কৰা হৈছিল ।

( তালিকা এখন সদনৰ মেজত দিব )

খ) ডিব্রুগড় লাহোৱাল সমষ্টিৰ বহসংখ্যক অঞ্চলত যোৱা বছৰ বানপানীয়ে কৰা গড়াখহনীয়াত গৃহহীন হোৱা পৰিয়ালৰ বাবে ঘৰ বান্ধি দিয়াৰ অথবা আৰ্থিক সাহাৰ্য্য দিয়াৰ ব্যৱস্থা চৰকাৰে হাতত লৈছে নেকি ? যদি নাই লোৱা, তেন্তে উক্ত পৰিয়ালৰ বাবে বিনামূলীয়াকৈ মাটি দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিছে নেকি ?

গ) ডিব্রুগড় সমষ্টিৰ মাইজান নগাঘুলীত নতুন স্পাৰ আৰু ডাইকৰ বাবে কি আঁচনি গ্ৰহণ কৰিছে ।

ঘ) ডিব্রুগড় সমষ্টিৰ মাইজান নগাঘুলীৰ প্ৰজেক্টৰ আধাৰশীলা বৰ ধুমধামেৰে মুকলি কৰাৰ পাছতো বৰ্ত্তমানলৈকে এই কাম আৰম্ভ নকৰাৰ কাৰণ কি জনাবনে ?

**শ্ৰীপ্ৰমোদ গগৈ** ( বান নিয়ন্ত্ৰণ মন্ত্ৰী )য়ে উত্তৰ দিছে :

ক) কোনো টকা মঞ্জুৰী দিয়া হোৱা নাছিল ।

খ) গড়াখহনীয়াত গৃহহীন হোৱা ৪৩ ( তিয়াল্লিছ )টা পৰিয়ালৰ প্ৰতিটোকে ২০০০'০০ ( দুই হেজাৰ ) টকাকৈ ঘৰ সজাৰ বাবে আৰ্থিক সাহাৰ্য্য দিয়াৰ ব্যৱস্থা চৰকাৰে হাতত লৈছে। উক্ত গৃহহীন পৰিয়ালক ঘৰ সজাৰ বাবে আন ঠাইত মাটি দিয়াৰ ব্যৱস্থাও চৰকাৰে হাতত লৈছে।

গ) মাইজান নগাঘুলীত তিনিটা শিলৰ স্পাৰ ( Stone Spar ) নিৰ্মাণ কৰিবলৈ চৰকাৰে আঁচনি হাতত লৈছে ।

ঘ) এই কামৰ বাবে প্ৰয়োজনীয় নিৰ্মাণ সামগ্ৰী সংগ্ৰহৰ কাম চলি আছে।

## Voting on Vote Account

**Mr. Speaker :** Now item No. 2, Vote on Account for 1999-2000. Hon'ble Chief Minister to move.

**Shri Prafulla Kumar Mahanta (Chief Minister) :** Mr. Speaker Sir, on the recommendation of the Governor of Assam, an amount not exceeding Rs. 2242,68,22.00 ( Rupees two thousand two hundred forty two crores sixty eight lakhs twenty two thousand ) be granted to the Government of

Assam in Advance to defray charges in respect of different Departments during the first four Months ( begining 1st April ) of the financial year ending the 31st March, 2000."

**Mr. Speaker :** Now, I put the Motion before the House for approxal. The Motion is that—

"On the recommendation of the Governor of Assam, an amount not exceeding Rs. 2242,68,22,000 be granted to the Government of Assam in advance to defray charges in respect of different Departments during the first four months ( begining on 1st April ) of the financial year ending the 31s March, 2000."

Those who are in favour say, 'Ayes'

Those who are against say, 'Noes'

'Ayes' have it. 'Ayes' have it, 'Ayes' have it.

The Motion is passed.

The Voting on Vote Accounts for 1999-2000 is approved and passed.

Now Item No. : 3(a)

The Assam Appropriation voting on Account 1999-2000 be circulated.

Now, Hon'ble Chief Minister to move.

## INTRODUCTION, CONSIDERATION AND PASSING OF ASSAM APPROPRIATION ( VOTE ON ACCOUNT ) BILL, 1999.

**Shri Prafulla Kumar Mahanta** ( Chief Minister ) : Sir, I beg leave to introduce "The Assam Appropriation ( Vote on Account ) Bill, 1999."

**Mr. Speaker :** Is it the pleasure of the house to grant leave to introduce the Bill.

( Voiee, Yes, Yes ) Leave is granted.

**Introduction, Consideration and Passing of Assam Appropriation (Vote on Account) Bill, 1999**

There is a message from the Governor of Assam Raj Bhawan, Guwahati, Dated 25th March, 1999.

Guwahati

Raj Bhawan March 25, 1999.

Under the provision of Article 207 (I) of the Constitution of India, I Lt. General (Retd.) Shri S. K. Sinha PVSN, Governor of Assam, recommend, the introduction of the Assam Appropriation (Vote on account) Bill 1999.

Sd/- S. K. Sinha
Governor of Assam.

Now, Chief Minister is to introduce the Bill.

**Shri Prafulla Kumar Mahanta** ( Chief Minister )

Sir, I beg to introduce the Appropriation Bill, 1999.

**Secretary**, A. L. A. : Introduction, Considerati n and Passing of Assam Appropriation ( Vote on Account ) Bill, 1999.

**Speaker** : Now. Item No. 3(b)

There is a message from the Governor of Assam, Raj Bhawan, Guwahati, Dated 25th March, 1999.

Raj Bhawan

Guwahati

March, 25, 1999

"Under the provisions of Article 207(3) of the Constitution of India, I Lt. General (Retd.), Shri S. K. Sinha PVSM, Governor of Assam, recommend that the Assam Appropriation (Vote on Account) Bill, 1999" be taken into consideration by the Assam Legislative Assembly.

Sd/- S. K. Sinha
Governor of Assam

Now Chief Minister to move.

# INTRODUCTION, CONSIDERATION AND PASSING OF ASSAM APPROPRIATION ( VOTE ON ACCOUNT ) BILL 1999.

Shri Prafulla Kumar Mahanta ( Chief Minister ) : Sir, I beg to move that ' The Assam Appropriation ( Vote on Account ) Bill, 1999" be taken into consideration.

***শ্ৰীভৰত চন্দ্ৰ নৰহ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মুখ্য মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে, ঢকুৱাখানা সমষ্টিৰ ঘিলামৰা পি ডব্লিও, দি ডিভিজনৰ এল, অ, চি গৈছিল এফ, দি. আৰৰ ৩০ লাখ টকা এল, অ, চিৰ লাষ্ট দেট আছিল ১২ মাৰ্চ। কিন্তু পি, দব্লিউ দিয়ে পাইছে ১৫ মাৰ্চত। গতিকে ১৫ লাখটকা দিব পৰা নহ'ল। যিবিলাক ঠিকাদাৰে কাম কৰিছে বা যি উদ্দেশ্যত টকাটো গৈছে সেই উদ্দেশ্যত এই টকা খৰছ কৰিব নোৱাৰা হল। এই টকা আৰ, দিত জমা হব। বিভিন্ন বিভাগৰ দিষ্ট্ৰিক অফিচাৰ বিলাকলৈ এল, অ, চি, পঠাওতে বিত্ত বিভাগ বা চৰকাৰে কিয় চাব নোৱাৰে ? বিভাগৰ খেলিমেলিৰ কাৰণে ঘিলামাৰা পি, ডব্লিও দি দিভিজনৰ ৩০ লাখ টকা ঘুৰি আহিছে। দিভিজনে নাপালে। এই টকাটো মুখ্যমন্ত্ৰীয়ে দিয়াৰ ব্যৱস্থা কৰিবলৈ মই অনুৰোধজনালো আৰু দিব বুলি আশা কৰিলো।

***শ্ৰীদিলীপ কুমাৰ শইকীয়া ঃ** অধ্যক্ষ মহোদয়, মই মুখ্য মন্ত্ৰী মহোদয়ৰ দৃষ্টি গোচৰ কৰিব বিচাৰিছো যে, অসমত যিমান বিলাক কোষাগাৰ আছে সেই কোষাগাৰ বিলাকে আমাক ধন দিয়ে। আমাৰ যিসকলে অৱসৰ লৈ পেঞ্চন পায় সেই সকলেও কোষাগাৰৰ বিষয়া সকলক মাননি নিদিলে বিল পাচ নকৰে। যি সকল শিক্ষকে পেঞ্চন পাইছিল সেই সকলেও মাননি দিলেহে বিল পাচ কৰে। সকলোৱে মিলি মুখ্যমন্ত্ৰী মহোদয়লৈ এখন স্মাৰক পত্ৰ পঠিয়াইছে বোধকৰো পাইছে। এই সন্মানিত শিক্ষক সকলে দৰমহা লোৱাৰ বাবে বা পেঞ্চন লোৱাৰ বাবে মাননি দিব লগা হৈছে সেইটো দুখৰ কথা। অসমৰ সকলো বিলাক কোষাগাৰতে এই অৱস্থা হৈছে। মুখ্যমন্ত্ৰী হিচাবে অসমৰ কোষাগাৰ বিলাকত যিবিলাক দুৰ্নীতি চলিছে সেই সম্পৰ্কত তত্‌কালীনভাৱে ব্যৱস্থা লোৱাৰ বাবে অনুৰোধ জনালো। যাতে কষ্ট নোহোৱাকৈ দৰমহা আৰু

---

* Speech not corrected

পেঞ্চন আদি পাব পাৰে তাৰ বাবে অধ্যক্ষ মহোদয়ৰ জৰিয়তে মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ জনালো ।

***শ্ৰীআসাউদ্দিন সৰকাৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই ধুবুৰী জিলাৰ এটা বিশেষ সমস্যাৰ বিষয়ে আমাৰ মুখ্য মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰি কব খুজিছো যে আমাৰ ধুবুৰী গড়কাপ্তানি (পথ) সংমণ্ডলৰ বৰ্ত্তমান ইঞ্জিনিয়াৰ কোন সেইটো আমি ধৰিব পৰা নাই । তাত সুদীৰ্ঘ দিন ধৰি দুজন ইঞ্জিনিয়াৰৰ মাজত থকা খুণ্ডা লাগি আছে। ইয়াৰ পৰা এবাৰ অৰ্ডাৰ যায় নাথ চাহাবক ট্ৰেন্সফাৰ কৰা বুলি আৰু কেইবাবাৰো সকিয়াই দিয়া হয় তেওঁক চাৰ্জ হেণ্ড অভাৰ কৰাৰ কাৰণে কিন্তু তেওঁ চাৰ্জ নিদিয়ে। তাৰ পিছত ইছলাম চাহাব গৈ তাত জইন কৰিলে যদিও ৰাতিৰ ভিতৰতে এই ট্ৰেন্সফাৰ অৰ্ডাৰ উইড্ৰ হৈ গ'ল। ইফালে আগৰ জন ইঞ্জিনিয়াৰে হাইকৰ্টত এটা কেচ ৰুজু কৰিলে। হাইকৰ্টে ষ্টেটাচক' মেইনঞ্চেইন কৰিবলৈ কলে। ইতিমধ্যে কোনো ধৰণৰ টেণ্ডাৰ কল নকৰাকৈ চেক যোগে বহুতো টকা কাটি হ'ল। এই ঘটনা কেচ বুকত এন্ট্ৰি হৈছে নে নাই সেই কথাবোৰ ভালদৰে চোৱা চিতা কৰি এই ক্ষেত্ৰত এটা তদন্ত কৰিব বুলি মই অনুৰোধ জনালো কিয়নো আজি ধুবুৰী জিলাৰ সমস্ত কাম স্তব্ধ হৈ পৰিছে। আন এটা কথা হ'ল ধুবুৰী জিলা গঙ্গাধৰ নৈ খন এখন খৰস্ৰোতা নদী। এই নদী ধুবুৰী জিলাৰ কাৰণে এক অভিশাপ স্বৰূপ হৈ পৰিছে। এই জিলা খন অসমৰ ভিতৰতে এখন অতি পিচপৰা জিলা। আজি বহুতে কব খোজে যে বৰপেটা জিলা খনেই অতি পিচপৰা জিলা কিন্তু আমি ভাবো ধুবুৰী জিলা খনহে অতি পিচপৰা। ধুবুৰী জিলা খনক আগৰে পৰা কলনী হিচাবে শাসন কৰি আহিছে। ডিব্ৰুগড় ফালৰ পৰা টকা খৰচ কৰি আহোতে আমাৰ ইফালে পইচা নাইকিয়া হৈ যায়। আজি ধুবুৰী জিলাৰ বানপানীৰ সমস্যাটোৰ বিষয়ে চিন্তা কৰিবলগীয়া হৈ পৰিছে। এই ক্ষেত্ৰত চৰকাৰে কি ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিব ? মতিচৰৰ অৱস্থাৰ কথা এই সদনত বাৰে বাৰে কৈ অহা হৈছে। পতিতা গঙ্গাৰে ধৰিয়া নিজ শিৰে কন্যাৰূপে কি তাই পেলে কি ভাৰতীৰে। গতিকে গঙ্গাধৰ নদী খনক নিয়ন্ত্ৰণ কৰাৰ কাৰণে চৰকাৰে শিঘ্ৰে ব্যৱস্থা লব বুলি আশা কৰিলো। আন এটা কথা হ'ল—পশ্চিমবঙ্গ চৰকাৰে ৰশ্বিৰহাটত যিটো মথাউৰিৰ কাম আৰম্ভ কৰিছে সেইটো হলে ডি, কে, ৰ'ডৰ অৱস্থা কি হ'ব সেই বিষয়ে

*Speech not corrected

ভালদৰে চাব লাগে। অলপতে আমাৰ মজুমদাৰ চাহাব সেই অঞ্চললৈ গৈ এটা কথা কৈছিল যে, 'মই কি পাঞ্জাবৰ মাজেৰে আহিছো নেকি? তাত কিছুমান খেতিয়কে এনে ধৰণে লিফ্‌ট ইৰিগেচনৰ যোগে খেতি-বাতি আৰম্ভ কৰিছে সেইটো সচাকৈয়ে চাবলগীয়া। কিন্তু গঙ্গাধৰ নৈ খন কণ্ট্ৰোল কৰিব নোৱাৰিলে সকলো বৃথা হৈ যাব। গতিকে এই কথা খিনি মই মাননীয় মুখ্য মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো।

Mr. Speaker : You will get much opportunity during the main appropriation.

*শ্ৰীচিলভিউছ কন্দপান : মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মুখ্য মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰি কব খুজিছো যে চাৰি মাহৰ কাৰণে চৰকাৰে যিখিনি টকা খৰচ কৰিব তাৰ মাজতেই বা পিচতেই অসমত সম্পূৰ্ণ কৈ বাৰিষা বতৰ আহি পৰিব আৰু বানপানীৰ সৃষ্টি হব। তাৰ আগতে যোৱা বানপানীত আমাৰ ৰাজ্য খনৰ যিমান বিলাক ৰাস্তা পদুলি ভাঙি গৈছে আৰু বিশেষকৈ যিবিলাক দলং নষ্ট হৈ গৈছে সেই বিলাক পুণৰ নিৰ্মাণ কৰাৰ কাৰণে এটা প্ৰায়ৰিটি দিব লাগে। এই সময়চোৱাৰ ভিতৰতে এই কাম বিলাক হাতত নললে পিচত টকা পালেও সেই টকা খৰচ কৰাৰ কাৰণে সময় নাথাকিব। আন এটা কথা হ'ল এই চাৰি মাহৰ ভিতৰতে পঞ্চায়ত নিৰ্বাচনৰ কাৰণে এটা ব্যৱস্থা হাতত লব লাগিব। এইখিনি কৰিলে ৰাইজেও তেওঁলোকে পাবলগীয়া ক্ষমতা খিনি পাব। এই খিনিয়ে মোৰ পৰামৰ্শ।

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত : মানণীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীনৰহ ডাঙৰীয়াৰ পৰা আৰম্ভ কৰি শ্ৰীদিলীপ কুমাৰ শইকীয়া, আলাউদ্দিন সৰকাৰ আৰু বিৰোধী দলৰ দলপতি শ্ৰীকন্দপান ডাঙৰীয়াই যিবিলাক পৰামৰ্শ আগ বঢ়াইছে তাৰ কাৰণে চৰকাৰে ব্যৱস্থা গ্ৰহনত চিন্তা কৰিব। আমি বিভিন্ন বিভাগত ধন আৱণ্টন দিওতে কোনে কাম বিলাকত প্ৰায়ৰিটি দিব লাগে সেইটো চোৱা হয় আৰু সেইমতে বিভাগ সমুহেও প্ৰাইৰিটি বেচিচত কাম বিলাক কৰে। এই কথাটো অকল গড়কাপ্তানি বিভাগতে নহয় আৰু কেইটোও বিভাগত এই কথা বিলাক চাবলৈ দিছো। মাননীয় সদস্য শ্ৰীদিলীপ কুমাৰ শইকীয়া ডাঙৰীয়াই ট্ৰেজেৰী সমুহত হোৱা দুৰ্নীতিৰ বিষয়ে যিখিনি কথা উল্লেখ কৰিছে সেইটো অকল চৰকাৰেই দুৰ্নীতি বন্ধ কৰাতো সম্ভৱ নহয়।

---

* Speech not corrected

তাৰ কাৰণে সকলোৰে সহায় সহযোগ বিচাৰিছো। আনকি কৰ্মচাৰী পৰিষদেও ইয়াৰ বিৰুদ্ধে কব লাগে। তেওঁলোকে এই কথা বিলাক নকয়। তেওঁলোকেও বিল পাছ কৰিবলৈ যায়। কিন্তু তেওঁলোকে ইয়াৰ বিৰোধীতা নকৰে। সেই কাৰণে মই সকলোকে আহ্বান জনাইছো যে, ইয়াৰ সকলোৱে বিৰোধীতা কৰিব লাগে। অলপতে মোক পেঞ্চনাৰ সকলেও এটা কথা কৈছিল যে আগতে তেওঁলোকৰ বিলত দুটকাকৈ লৈছিল এতিয়া ৫ টকাকৈ লয়। আপুনি কিবা এটা কৰক। তেওঁলোকে এই কথা মোক জনোৱাৰ পিছত ট্ৰেজেৰীৰ বিষয়া কৰ্মচাৰী সকলে হেনো কৈছে- মুখ্যমন্ত্ৰী জানিলে যেতিয়া ভালেই হ'ল এইটো লিগেলাইজ হ'ল। আমাৰ সকলোৱে জানে এইবোৰৰ কাৰণ ক'ত। সেই কাৰণে অকল চৰকাৰেই ব্যৱস্থা গ্ৰহণ কৰি এইবোৰ নিৰ্মূল কৰিব পৰাতো সম্ভৱ নহয়। আমাৰ চেলটেক্স আদায়ৰ ক্ষেত্ৰতো কেইবাকোটি টকাৰ কেচ হাইকৰ্টত পৰি আছে। এই কাম বিলাক আমি বহুটো চেষ্টা কৰিও কৰিব পৰা নাই ইয়াৰ কাৰণে বিত্ত বিভাগে কিবা ভায়ামেডিয়া উলিয়াব পাৰে তাৰ কাৰণে চেষ্টা কৰিছো। মই আৰু বিশেষ কথা কবলৈ বিচৰা নাই। মাননীয় সদস্য কেইগৰাকীয়ে যিখিনি পৰামৰ্শ আগবঢ়াইছে সেই ক্ষেত্ৰত মই অগ্ৰাধিকাৰ দিম।

Mr. Speaker : I now put the motion before the House. The motion is that— The Assam Appropriation ( Vote on Account ) Bill, 1999 be taken into consideration

Those who are in favour, say, 'Ayes'

Those who are against, say, 'Noes'

'Ayes' have it, 'Ayes' have it, 'Ayes' have it,

The motion is passed.

Now Item No 3 (c) : I now put the clauses 2, 3 and Schedule to the Bill before to the House for approval. The question is that— clauses 2, 3, and Schedule to the Bill do stand part of the Bill.

Those who are in favour, say, 'Ayes'

Those who are against, say, 'Noes'

'Ayes' have it, 'Ayes' have it, 'Ayes' have it.

Clauses 2, 3, and Schedule do form part of the Bill.

Now I put the clauses I, Enacting formula and short title of the Bill before the house for approval. The question is that— Clause I, Enacting formula and short title do stand part of the Bill.

Those who are in favour, say, 'Ayes'.

Those who are against, say, 'Noes'.

'Ayes' have it, 'Ayes' have it, 'Ayes' have it.

Clause I, Enacting formula and short title do form part of the Bill.

Now item No. 3 (d)

Honourable Chief Minister to move.

**Shri Prafulla Kumar Mahanta** ( Chief Minister ) : Sir I beg move that 'The Assam Appropriation ( Vote on Account ) Bill, 1999' be passed.

Mr. Speaker : I now put the motion before the House. The motion is that— The Assam Appropriation ( Vote on Account ) Bill, 1999 be passed.

Those who are in favour, say, 'Ayes',

Those who are against say, 'Noes',

'Ayes' have it, 'Ayes' have it, 'Ayes' have it.

The motion is passed.

The Bill is passed.

Now, a statement will be laid by the Honourable Chief Minister

STATEMENT BY CHIEF MINISTER

**Shri Prafulla Kumar Mahanta** ( Chief Minister ) : Sir, with

your permission, I beg to lay the statement before the House.

Mr. Speaker : We have completed item No. 3 Now it is 5·22 P.M. We nearly 3 hours 5 minutes to 8-30 P.M. As some items are there, we will continue upto 8-30 P.M. We may divide the entire period into two parts. Firstly, Education is taken up. Honourabe Minister, Education, how much time will we require ?

**Shri Thaneswar Boro** (Minister Education): Sir, 30 minutes.

## DISCUSSION OF THE CENSURE MOTION

Mr. Speaker : Now Censure Motion, statement is distributed. Now Honourable Members are requested not to repeat the point raised by the other Honourable Members so as to avoid repreatition and wastage of time.

Now, Honourable Minister, Transport how much time will you require ?

**Shri Pradip Hazarika** ( Minister Transport ): Sir, exactly 30 minutes.

Mr. Speaker : Honourable Members, Shri Misbaul Islam, Dr. Ardhendu Kumar Dey and others will please start your motion ?

**Shri Silvius Condpan** : Mr. Speaker. Sir, Under Rule 133 Clause-I of the Rules of Procedures and Conduct Business of the Assam Legislative Assembly, we would like to bring a Censure Motion against Minister, Education, Assam and Minister, Transport. The motion is taken particularly on the following grounds :

1. In Education Department and Transport Dept. practicticallay there is no administration.
2. Corruption has engused both the Departments.
3. People of the State lost faith and confidence on those Departments.
4. For the mis-management, the State Transport Department has became totally bankrupt.

Mr. Speaker : Sir, you have given us time to speak against the Censure Motion. So my Honourable friend, Shri Sarat Borkataky will speak.

***শ্ৰীশৰৎ বৰকটকী :** মাননীয় অধ্যক্ষ ডাঙৰীয়া, আজি আমি শিক্ষা বিভাগৰ ওপৰত ভৎৰ্চনা প্ৰস্তাৱ আনিছো এই কাৰণে যে শৈক্ষিক পৰিবেশ বিনষ্ট হৈছে, সেই কাৰণে ভৎৰ্চনা প্ৰস্তাৱ অনা হৈছে। আমাৰ দিনত ৪০টা পোষ্ট আনিছিল, সেই পোষ্ট খিনি ফাইনেন্সৰ পৰা ক্ৰিয়েট কৰা হৈছিল। মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছে ৪০ হেজাৰ শিক্ষক পদৰ কাৰণে দৰমহা দিব নোৱাৰা হৈছে, কিন্তু আমি যি পোষ্ট আনিছিলো ফাইনেন্স আৰু পি এণ্ড ডিৰ পৰা কনফাৰেন্স লৈহে আনিছিলো।

অধ্যক্ষ মহোদয়, আমি দেখিবলৈ পাইছো ডাইৰেক্টৰ চেকেণ্ডাৰী বা ইলিমেণ্টৰী এই বিভাগে অনিয়মিত হিচাবে নিযুক্তি দিছে। বিশেষকৈ ডাইৰেক্টৰ ইলিমেণ্টৰীত বহুত অনিয়ম হৈছে, আগৰ পৰাই অনিয়ম হৈ আছে। আজিলৈকে ডাইৰেক্টৰে কিমান পোষ্ট অনিয়ম হৈ আছে ডাঙি ধৰিব পৰা নাই। কেতিয়াবা কয় সাত হেজাৰ, কেতিয়াবা কয় সাত হেজাৰতকৈ বেছি বুলি কয়। মুকলিভাৱে কিমান পোষ্ট অনিয়ম হৈ আছে কব পৰা নাই। আমাৰ চৰকাৰৰ দিনত কথা কয়, আমি তিনি হেজাৰ পোষ্টত নিযুক্তি দিছিলো। যি তিনি হেজাৰ অনিয়ম পোষ্টৰ কথা কবলৈ বিচাৰিছে, আমি গভৰ্ণমেণ্ট অব ইণ্ডিয়াৰ পৰা চাৰি হেজাৰ চল্লিশটা আনিছিলো। ১৭শ ২০টা পোষ্ট এল, পি,ত আনিছিলো। ফাইনেন্স আৰু প্লেনিং কমিছনে দিছিল। আমি সেই পোষ্ট খিনি ৰেগুলাৰ কৰিবলৈ বিচাৰিছিলো, সেই সময়ত নিৰ্ব্বাচন অহাৰ

* Speech not corrected

কাৰণে কৰিব নোৱাৰিলো। যেতিয়া এ, জি, পি চৰকাৰ হ'ল, সেই ফাইলটো চৰকাৰৰ ওচৰত গৈছিল, কিন্তু মুখ্যমন্ত্ৰী মহোদয়ে কোনো ব্যৱস্থা নকৰি মনোহৰণ কৰি দিলে। ধেমাজীত একশটা পোষ্ট অনিয়ম হিচাবে আছিল। কোষাগাৰৰ পৰা চাৰি হেজাৰ পোষ্ট ওলাই গৈছিল। আমি নিয়ম কৰি দিছিলো যদি পোষ্টখিনি নতুন কৰি দিলোহেতেন এনে অৱস্থা নহ'লহেতেন। শিক্ষক সকলে ২০/২৫ মাহৰ দৰমহা পোৱা নাই। ফাইনেন্স আৰু প্লেনিংত নগল, মনোহৰণ কমিটিৰ যোগেদি শিক্ষক সকলক কামৰ পৰা খেদি দিব লাগে বুলি কলে। এই মনোহৰণ কমিটি খন বায়াচ আৰু পোলিটিকেল মোটিভেটেড। এই কাৰণে কব বিচাৰিছো যেতিয়া কমিটি গঠন কৰি দিছিল ডিৰেক্টৰলৈ যাবলৈ দিছিল, কিন্তু নগৈ দিছপুৰতে বহি ডি, আই, ৰ পৰা কাগজ আনি ইয়াত ৰিপোৰ্ট দাখিল কৰিছে।

(Mr. Speaker vacated the Chair at 5-31 p. m. and Shri Bimalanghu Roy, Chairman occupied the Chair.)

মাননীয় চেয়াৰমেন মহোদয়, লৰালৰিকৈ সেই কমিটিৰ ৰিপোৰ্ট দাখিল কৰি দিল্লীলৈ গুচি গ'ল। আমাৰ ৰাজ্যৰ বহুতো শিক্ষিত মানুহ এই কমিটিৰ ৰিপোৰ্টৰ ওপৰত সন্তুষ্ট নহয়। তেখেত সকলে কি কৰিলে জানে ডি আই, আৰু ডি, অ'ক মাতি আনি তেওঁলোকৰ পৰা যি ৰিপোৰ্ট সংগ্ৰহ কৰিলে তাৰ ওপৰতে এটা ৰিপোৰ্ট তৈয়াৰ কৰি দাখিল কৰিলে। চৰকাৰেও বুজিছে এই মনোহৰণ কমিটিত একো নাই। তাৰ পাচত এই মনোহৰণ কমিটিৰ ৰিপোৰ্ট ইমপ্লিমেন্ট কৰিবৰ কাৰণে এটা কমিটি গঠন কৰিলে। এই কমিটিও শিক্ষক সকলক খেদাৰ বিষয়ে একো নকলে। ইয়াৰ পিচত টাস্ক ফোৰ্চ গঠন কৰিলে, টাস্ক ফোৰ্চে বুজিলে ইয়াত একো নাই, সেই কাৰণে কোনো কাৰণতেই শিক্ষক সকলক খেদিব পৰা নাই আৰু কাৰণেই আজি পৰ্যন্ত মনোহৰণ কমিটিৰ ৰিপোট দাখিল কৰিব পৰা নাই। শিক্ষা মন্ত্ৰী ডাঙৰীয়াই ৩ হেজাৰ শিক্ষক কেনেকৈ খেদিব পাৰে। আজি সেই কাৰণে মনোহৰণ কমিটিৰ ৰিপোৰ্ট দাখিল কৰিব পৰা নাই, আচলাতে চৰকাৰৰ সদিচ্ছা নাই। এই মনোহৰণ কমিটিয়ে ৰিপোৰ্ট'ত দিছিল। কোনে টকা বিচাৰিছিল পুলিছে শোধে টকা দিছিল নেকি, কোনে টকা দিছে আজি নিযুক্তিৰ ক্ষেত্ৰত মই জনাত শিৱসাগৰত এজনে

৭৫ হাজাৰ টকা দিছে। গতিকে এই যিবিলাক কথা ৰিপোৰ্টত দিছে সেই বিলাক ভেগ ৰিপোৰ্ট হৈছে এই সদনতে বহুবাৰ কোৱা হ'ল কিন্তু মনোহৰণ কমিটিৰ ৰিপোৰ্ট কৰিব পৰা নাই। সেই কাৰণেই আমি ভৰ্ৎসনা প্ৰস্তাৱ আনিছো। ইয়াৰ ওপৰত মই আৰু এটা কথা কব বিচাৰিছো সেইটো হ'ল শিক্ষাৰ ক্ষেত্ৰত যিটো এডমিনিষ্ট্ৰেশ্যন সেইটো একেবাৰে একো নাইকিয়া হৈছে। আচলতে আমাৰ শিক্ষাৰ ক্ষেত্ৰত ভাল শিক্ষক আছে কিন্তু ওপৰত ভাল হলেই নহব তলৰ মানুহ বিলাক ভাল হ'ব লাগিব। আপোনালোকে অফিচ বিলাকত গলে দেখিব কোনো এটা কামেই ভাল ধৰণে হোৱা নাই। আজি ট্ৰেজাৰী বিলাকত যাওঁক কি দেখিব প্ৰাথমিক স্কুল শিক্ষক সকলেই এ, আৰ, ডি পাবৰ কাৰণে ট্ৰেজাৰীৰ দুৰ্নীতি আৰম্ভ কৰে। সেই কাৰণে হাইস্কুলৰ ক্ষেত্ৰত কাউণ্টাৰ চিগনেচাৰৰ কথা উঠিছিল সেই কাৰণে ডাইৰেক্ট হেড মাষ্টাৰ বা প্ৰিন্সিপালৰ জৰিয়তে পেমেণ্ট বিলাক হব লাগে। কি ঠিক সেই দৰে প্ৰাথমিক স্কুল বিলাকতো হেড মাষ্টাৰক দায়িত্ব দিলে প্ৰাথমিক স্তৰত দুৰ্নীতি কমিব। তাৰোপৰি প্ৰিন্সিপাল আৰু ভাইচ প্ৰিন্সিপালৰ ইণ্টাৰ-ভিউ ঠিক কৰিব পৰা নাই। ফলতঃ শিক্ষা বিভাগত প্ৰশাসনৰ ক্ষেত্ৰত আৰু ছাত্ৰ-ছাত্ৰী সকলে চাফাৰ কৰিব লগীয়া হৈছে। গতিকেই প্ৰিন্সিপাল আৰু ভাইচ প্ৰিন্সিপালৰ ইণ্টাৰভিউ সোনকালে কৰা দৰ্কাৰ আৰু ৰেগুলাৰ কৰাটো দৰ্কাৰ। হেড মাষ্টাৰ বিলাকৰ ইণ্টাৰভিউও যদিও আছে এতিয়াও বহুত বাকী আছে গতিকে যিবিলাকৰ বাকী আছে সেই সকলৰ ইণ্টাৰভিউ পাতিব লাগে। ভোকেশ্যনেল শিক্ষক সকলৰো তদ্ৰূপ ব্যৱস্থা কৰিব লাগে। চিনিয়ৰ টিচাৰ সকলৰ প্ৰমোচন হোৱা নাই, তেওঁলোকক অতি সোনকালে ৰেগুলাৰ কৰাটো দৰ্কাৰ। ৰিকোগনাইজ হাইস্কুল ৫১১ খন, আৰু এম, ই, স্কুল ৯৪৩ খন সকলো খিনি প্ৰাদেশিকীকৰণ কৰিব নোৱাৰিলেও অন্তত কিছু কৰিব লাগিছিল। ১৯৮৫ চনত যেতিয়া অগপ চৰকাৰত আছিল তেতিয়া এখনো পুজি প্ৰভিন চিয়ে-লাইজদ নকৰিলে, হাইস্কুল বা এম, ই. স্কুল প্ৰাদেশিকীকৰণ নকৰিলে। এতিয়া ৩ বছৰ হ'ল ৫১১ খন হাইস্কুলে স্বীকৃতি পালে আৰু ৯৪৩ খন ইংৰাজী মাধ্যমৰ স্কুল পালে। প্ৰায় ৮৩৫৭ খন এল, পি, স্কুল আছে, সেই বিলাক কি প্ৰাদেশিকীকৰণ কৰিব?

শিক্ষক সকলৰ কথা চৰকাৰে চিন্তা কৰা উচিত। পাৰমিশ্যন এণ্ড ৰিটেনশ্যন এই বিষয়টোত এটা কমিটি আছে আৰু ইয়াৰ চেয়াৰমেন হ'ল শিক্ষা মন্ত্ৰী

নিজে কিন্তু আগতে ডাইৰেক্টৰ আছিল, চেয়াৰমেন যেতিয়া মন্ত্ৰী হয় তেতিয়া কমিটিৰ সদস্যই উপস্থিত নাথাকে ১১/১২ জন বহাৰ সম্ভাৱনা নহয় সেই কাৰণে প্ৰভিনচিয়েলাইজেশ্যন আৰু ৰিটেনশ্যনৰ বেলিকা কিছু অসুবিধা হৈ পৰিছে। সেই কাৰণে মই কব বিচাৰো এই কমিটিৰ চেয়াৰমেন ডাইৰেক্টৰক দিব লাগে। শিক্ষাৰ ক্ষেত্ৰত কোনো ভাল ব্যৱস্থা চৰকাৰে কৰা নাই সেই শিক্ষা মন্ত্ৰীক অনুৰোধ জনালো যাতে এই বিষয়ে চিন্তা কৰে। শিক্ষক সকলৰ যিটো কম্পেনচেটৰী এলাউন্স সেইটোৱে তেওঁলোকক পোৱাত ইৰেগুলাৰ হৈ আছে। অন্তত এই টকা খিনি পালে তেওঁলোকে অফিচ এক্সপেন্দিচাৰ আৰু চকমাটি ইত্যাদি খৰচ কৰাত সুবিধা হল হেতেন। এই হাইস্কুলেই বা এল, পি স্কুলেই হওঁক এই বিলাক চলাবলৈ বৰ সহজ নহয়, ইয়াৰ কাৰণে খৰচ লাগে। তাৰ পাচত এমালগেমেশ্যনৰ কথা কব বিচাৰিছো সেইটো একেখন ঠাইতে জুনিয়ৰ কলেজ হায়াৰচেকেণ্ডাৰী দুখনকৈ চলি থাকে, তেনে ক্ষেত্ৰত অলপ অসুবিধা হয়, এখন স্কুল ২ বজাত চুটি হয় আৰু আন ৩টা বজাত আৰম্ভ হয়। গতিকে এই স্কুল বিলাক এমালগেমেশ্যন হব লাগে। কিন্তু এই ক্ষেত্ৰত এম, ই, স্কুল বিলাকৰ প্ৰস্তাৱ নাহে। এই এমালগেমেশ্যন প্ৰচেছটো চৰকাৰৰ ফালৰ পৰা হব লাগে। পাঠ্যপুথি নিগমৰ বিষয়ে অতি দুখেৰে কব লগীয়া হৈছো, এতিয়াও এই নিগমক ২৭ কোটি টকা দিব লগীয়া হৈ আছে। আজি প্ৰাইমাৰী স্কুলৰ ইংৰাজী পাঠ্যপুথি ছপা কৰাৰ ক্ষেত্ৰত কিয় ইমান লৰা-লৰি কৰিব লাগে ২০০০ চনত কৰা কথা আছিল কিন্তু ১৯৯৯ চনতে কৰিলে, কিতাপ বিলাক ৩, ৪, ৫, ৬ টকাতে কৰিব পাৰিলোহেতেন কিন্তু এতিয়া ৮, ১১ আৰু ১২ টকাত ছপা কৰিলে, এই বিলাক বাহিৰত প্ৰিন্ট কৰি আনিছে। তাৰোপৰি এই কিতাপ বিলাকত বাৰেকুড়ী ভুল হৈছে ইমান লৰা-লৰিকৈ এই কিতাপ বিলাক ছপা কৰাৰ কাৰণে কন-কন লৰা-ছোৱালী বিলাকক কিমান ক্ষতি কৰিছে, এই বিলাক ধেমালী কিয় কৰিলে? মইয়ো শিক্ষক আছিলো দীৰ্ঘকাল শিক্ষকতা কৰিছো আৰু আমাৰ শিক্ষা মন্ত্ৰীয়ো শিক্ষক, এই বিলাক কথা দেখিলে বা শুনিলে বেয়া লাগে। ১৯৮৫ চনতে টেক্স বুক বাহিৰত প্ৰিন্ট কৰিছিল।

মাননীয় সভাপতি মহোদয়, ১৯৮৫ চনত আঞ্চলিকতাবাদৰ কথা কৈছিল। ১৯৮৫ চনত গাদীত বহিয়েই তেওঁলোকে প্ৰমিজ কৰিছিল টেক্স বুক দিয়াৰ কথা। ১৯৯১ চনত ময়ে মন্ত্ৰী আছিলো আৰু টেক্স বুকৰ দায়িত্বত আছিলো।

অসমত বহুত প্ৰেছ আছিল। সেই সময়ত এম, ডি. আছিল বৰ্ত্তমানৰ সঞ্চালক মাধ্যমিক শিক্ষা। আমি তেতিয়া সময় মতে দিছিলো। যোৱা বছৰ আপোনালোকে কিতাপৰ ক্ষেত্ৰত প্ৰস্তাৱ আনিছিল কিতাপ দিব বুলি। এতিয়া মাৰ্চ মাহ হ'ল পাঠ্য পুথি নাই। লৰা-ছোৱালীয়ে পোৱা নাই। পাঠ্যপুথি নিগমক ২৭ কোটি টকা দিবলগীয়া আছে। তাত এনেকুৱা অৱস্থা হৈছে যে কাৰ চাকৰী কেতিয়া যায় তাৰ ঠিকনা নাই। সেই কাৰণে টেক্স বুকৰ এম, ডি'ৰ দায়িত্ব দিব লাগে এজন চৰকাৰী বিষয়াক। ১৯৮৫ চনত এম, ডি, বাহিৰৰ মানুহক দিছে। সেই কাৰণে কেলেংকাৰী হ'ল। তদন্ত কৰিছিল। এতিয়া এম, ডি, বাহিৰৰ মানুহক দিছে। বাহিৰৰ মানুহৰ দায়িত্ব নাথাকে, গুৰুত্ব নিদিয়ে চৰকাৰী বিষয়া হলে দায়িত্ব থাকে। গতিকে সভাপতি মহোদয়, পাঠ্যপুথিৰ ক্ষেত্ৰত চৰকাৰে সোনকালে ব্যৱস্থা কৰিব লাগে। সভাপতি মহোদয়, নিযুক্তিৰ ক্ষেত্ৰত কব বিচাৰিছো, আপোনালোকে কৈছিল, তেতিয়াৰ শিক্ষা মন্ত্ৰী শ্ৰীযতীন মালী ডাঙৰীয়াই নতুন দিগন্তৰ কথা কৈছিল আৰু কৈছিল যে আমি মেৰিটৰ ওপৰত চাকৰি দিম। চাকু'লাৰো দিছিল। কিন্তু আজি চাপ্লিমেন্টৰী পোৱা. থাৰ্ড ডিভিজনত পাচ কৰাই নিযুক্তি পাইছে। ফাষ্ট ডিভিজন কলৈ গ'ল। তেওঁলোকে পোৱা নাই। আপোনালোকৰ লৰা-ছোৱালীয়ে পাইছে। আপোনালোকে কৈছিল আমি দুৰ্নীতি নকৰো। আপোনালোকে আপোনালোকৰ ভাগিন, ভতিজাক চাকৰি দিছে। বোৰ্ডৰ চিলেকচন লিষ্ট মনা নাই। ১ৰ পৰা ৫০ জনলৈ চিলেক্ট কৰিছে তাৰে ১ নং জনক নিদি ২০ নং জনক দিছে। ডাক বঙলাত বহি ৰাতি পুৱাই চিলেক্ট লিষ্ট বনাইছে। ৰিটেনচনৰ ক্ষেত্ৰতো বহুত খেলিমেলি হৈছে। সেই কাৰনে কৈছো ইয়াৰ পৰা ৰিটেনচন যায় কিন্তু তাত নাপায়। এটা বছৰত পঠাই ৬০০টা পোষ্টৰ ৰিটেনচন। পিছৰ বছৰত পঠাই ৩০০টা পোষ্টৰ ৰিটেনচন। প্ৰথমতে ৬০০ পোষ্টৰ পঠোৱাৰ পিচত কেনেকৈ ৩০০ পোষ্টৰ ৰিটেনচন পঠাই। যদি ৬০০ পোষ্ট নায়েই কিয় পঠাইছিল। ব্ৰেক আপ কৰিছে। এলোটমেণ্ট নাই। প্লেনৰ শিক্ষক সকলে দৰ্মহা পোৱা নাই। মোৰ সমষ্টিটে চাইঞ্চ ষ্ট্ৰিমৰ শিক্ষকে দৰ্মহা পোৱা নাই। যিসকল শিক্ষকে দৰ্মহা পোৱা নাই ৰিটেনচনৰ ব্যৱস্থা কৰিব লাগে। আৰু কবলগীয়া বহুত আছে কিন্তু সময় কম। আপোনালোকে জুনিয়ৰ কলেজ কৰিম বুলি কৈছে। আমাৰ দিনত ২১ খন কৰিছিলো। আপোনালোকে ৰিপিল কৰিলে। আপোনালোকে জুনিয়ৰ কলেজ দেফিচিট

কৰাৰ কাৰণে নোটিফিকেচন দিছিল। কিন্তু আজিলৈকে কৰিব পৰা নাই। গাৰ্লচ পলিটেকনিকৰ হোষ্টেলটো বেয়া হৈছে। তাৰ পৰা ছোৱালী বিলাক যাবলৈ দিছে। প্ৰথমতে তেওঁলোকক থাকিবলৈ ব্যৱস্থা কৰক। আজি ইনস্পেকচনৰ কোনো ব্যৱস্থা নাই। ডি, ই, ই,ও বিলাকে ২০ খন স্কুল চাব লাগে আৰু ডি, আই আৰু এচ, আই, বিলাকে ১০ খন কৈ চাব লাগে বুলি কৈছে। এল, পি, স্কুলৰ বিল বিলাক এচ, আইৰ, পৰা চাহৰ দোকানত পাঁচ কৰে। আগৰ কথা কৈ লাভ নাই। আমি যদি কিবা ভুল কৰিছিলো আপোনালোকে শুদ্ধ কৰক। গতিকে সভাপতি মহোদয় মই ভৎসনা প্ৰস্তাৱৰ সমৰ্থন জনাই সামৰণি মাৰিলো।

**ডাঃ অৰ্ধেন্দু কুমাৰ দে ঃ** মাননীয় সভাপতি মহোদয়, আজি মই শিক্ষা মন্ত্ৰীৰ বিৰুদ্ধে ভৎৰ্চনা প্ৰস্তাৱ যি আনিছো এই কাৰণে আনিছো যে বৰ্ত্তমান শিক্ষা বিভাগত যেনেকুৱা অনাচাৰ চলি আছে তেনেকুৱা অধৰ্ম আগতে চলা নাছিল। পূৰ্বৰ ইতিহাস ইমান আছে সেই ইতিহাসক পৰাভূত কৰি বৰ্ত্তমানৰ শিক্ষা মন্ত্ৰী চলিছে। যোৱা নিৰ্ব্বাচনত এ, জি, পি চৰকাৰৰ এটা ইচ্ছা আছিল। তেখেত সকলে কৈছিল কংগ্ৰেছে শিক্ষকৰ চাকৰি দুৰ্নীতি কৰিছে। আমি ভাবিছিলো ঠিক আছে এ, জি, পি, চৰকাৰে ৰাইজক এখন দুৰ্নীতি মুক্ত চৰকাৰ দিব। গোটেই অসমৰ ৰাইজে চিন্তা কৰিছে, কংগ্ৰেছ চৰকাৰৰ দুৰ্নীতি কৰিছে এতিয়া এ জি, পি, চৰকাৰে দুৰ্নীতি মুক্ত চৰকাৰ দিব। এই চৰকাৰ অহাৰ পিছত তেখেত সকলে চাকৰীৰ কাৰণে বিজ্ঞাপন দিছিল আৰু কৈছিল যে ১৫০০টা পোষ্ট খালী আছে। হাইস্কুল, হায়াৰছেকেণ্ডাৰী স্কুল আৰু তেনেকুৱা ধৰণৰ স্কুল বিলাকত। কোৱালিফিকেচন কি দিছে Selection will be made on the basis of marks obtained in various examination, experiences as Assistant Teacher and marks obtained in the oral interview. That is all right ইয়াত কি কলে যে— the candidates must be graduate in arts, scienee or commerce and must secure at least second division in High School Leaving Certificate examination or equivalent examination. Preference will be given to BEd and MEd.

মাননীয় সভাপতি মহোদয় যোৱা কালি মাননীয় মন্ত্ৰী মহোদয়ক মই এটা প্ৰশ্ন কৰিছিলো। সেই কাৰণে আমি ইয়াত আজি ভৎৰ্চনা প্ৰস্তাৱ

আনিছো। তেখেতক যি প্ৰশ্ন কৰা হ'ল তাৰ উত্তৰ দিছিল। শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত মোৰ সমষ্টি হোজাই কেনে ধৰণে দিয়া হল। তাত নৰ্মচ ফুলফিল কৰা হৈছিল নে ? তেখেতে কৈছিল হৈছে। Sir, I asked a question in this August House on 9th Dec. 1998. Whether the merit list of the selected candidates was hanged in the Office of the Inspector of School, Nogoan, the answer to the question was yes Than I put another question as to whether appointment were made according to the merit list the reply was yes. তাৰ পিছত প্ৰশ্ন কৰা হ'ল— I again asked, whether the guidelines issued by the Director of Secondary Education was followed at the time of selection of candidates for appointment the reply was yes. এই ভৎৰ্সনা প্ৰস্তাৱ নলা হেতেন মই আজি হাউচত বিছ অব প্ৰিভিলেচন আনিলো তেতেন। যোৱা কালি এখন লিষ্ট দিছিলো তাত অধিকাংশ লবাই বিজাল্ট ভাল নহয়। থাৰ্ড ডিভিজন তেওঁলোক হ'ল কাৰ্ত্তিক চৰকাৰ, চাহা বুলি এজন হৰিপদ চন্দ এই বিলাক থাৰ্ড ডিভিজনত পাচ কৰা লৰাক নিযুক্তি দিয়া হৈছে। অৱশ্যে কেইজনমান ফাষ্ট ডিভিজন আছে। ইয়াত মই এখন মাৰ্কচিট দেখুৱাইছো।

| | | High School | Higher Secondary | B.A. |
|---|---|---|---|---|
| 1. | One Chatterjee | III | III | III |
| 2. | K. Chakraborty | III | III | III |
| 3. | Shri Saha | III | III | III |
| 4. | Harepada Chanda | III | III | III |

এইচ, এচ, চি,ৰ মাৰ্কচিটত বিশ্বজিৎ দত্ত ৭৮ শতাংশই পাইছে। চিলেক্ট কৰা নাই। হায়াৰ চেকেণ্ডাৰীত ৭০ শতাংশ পাইছিল। বিএ,ত আনাৰ্চ আছিল সেই সকলে পোৱা নাই। বি এড থাকিলে প্ৰিফাৰেঞ্চ দিয়া হব বুলি কৈছিল— The things do not stop here. There were many candidates having B. Ed./M Ed. degree appeared at the interview but out of them only one candidate having B. Ed. degree was appointed. সভাপতি মহোদয় মই আৰু এটা

কথা কওঁ, আপোনালোকে এই কিতাপ খন দেখিছে, এই কিতাপ খন (এখন কিতাপ দেখুৱাই) I quote Sir, This is sole book in English for class III and class IV in regional languages, mother tongue with Hindi for L. P. and Junior Basic Schools for students of Assam and prescribed by the Assam State Primary School Teachers' Association and approved by the Director of Flementary Education, Assam vide No.......... এই লৈ বহুত সমালোচনা হৈছে। বিভিন্ন বিদুষী আৰু শিক্ষাবিদ সকলে এই কিতাপ খনৰ কথা কৈছে। আজি এখন কাগজত অসমৰ বিশিষ্ট ব্যক্তি সকলে এই বিষয়ে কি কৈছে— অসমত কেইবাগৰাকী শিক্ষাবিদ সাহিত্যিক চিন্তাবিদ আদিয়ে আহ্বান জনাইছে। অসমত ৩য় আৰু ৪ৰ্থ শ্ৰেণীৰ কাৰণে প্ৰনয়ণ কৰা পাঠ্য পুথিৰ ক্ষেত্ৰত বহুত ৰাজহুৱা ধনৰ অপচয়ৰ তদন্ত কৰিবৰ কাৰণে বিশিষ্ট শিক্ষাবিদ সকলে চৰকাৰক আহ্বান জনাইছে। সেই ব্যক্তি সকল হ'ল — দেৱ প্ৰসাদ বৰুৱা, হিৰেন গোহাই, গোবিন্দ্ৰ বৰা, যোগেশ দাস, কেশৱ মহন্ত. হেমেন বৰগোহাই, নীলমনি ফুকন, পি, পি, চলিহা, আৰ, কে, দেৱ গোস্বামী, সুৰেন্দ্ৰ নাথ মেধি, জয়ন্ত তালুকদাৰ আৰু সত্যজিৎ ভুঞা তেখেত সকলে কৈছে এই ক্ষেত্ৰত কৰাপচন হৈছে। মাননীয় মন্ত্ৰীয়ে ইংৰাজী পাঠ্য পুথি কৰাৰ ক্ষেত্ৰত চেমিনাৰ কৰিছিল। ১৯৯৮ চনৰ ৮ আৰু ৯ ডিচেম্বৰত চেমিনাৰত তেখেতে কৈছিল, এইটো আৰম্ভ কৰা হ'ব ২০০০ চনত। তেখেতে কৈছিল এচ চি ই আৰ টি আৰু অন্যান্য লোক সকলৰ লগত আলোচনা কৰি এই পাঠ্য পুথি কৰা হব বুলি ১৯৯৯ চনৰ ১২ জানুৱাৰীত কৈছিল। এইটো ৫ বছৰৰ বাবে কৰা হ'ল। ইমান তাৰাতাৰিকৈ এইটো কিয় কৰা হ ল। এই কিতাপ বিলাকত বহুত ভুল আছে— এলিফেণ্ট, হেণ্ড, ঈগল। হিন্দীটো ভুল আছে। হচন্তৰ ব্যৱহাৰ কেনে ধৰণে হয়। ঈগলৰ তলত হচন্ত ব্যৱহাৰ হৈছে। এনেকোৱা বিলাক ইয়াত বহুত ভুল হৈছে। এতিয়া এই ৮-৯ বছৰীয়া লৰা ছোৱালী বিলাকৰ কি হব। মাননীয় মন্ত্ৰী মহোদয়ে এই লৰা ছোৱালী বিলাকৰ মগজুটো ৰিজাৰ্ভ বেংকলৈ পঠাব নেকি? অসমত ৪২ হেজাৰ প্ৰাথমিক বিদ্যালয় আছে। প্ৰতিখন স্কুলতে ৪০ জন কৈ লৰা ছোৱালী থাকিলে ১৭ লাখ ছাত্ৰ-ছাত্ৰী হয়। এই কিতাপ বিলাক ৫ বছৰৰ বাবে বিক্ৰী কৰিলে ২৫ কোটি টকা হ'ব। এই ২৫ কোটি টকা

প্ৰকাশকক দিয়া হৈছে। এই কিতাপ বিলাকত যি ডিগ্ৰী দিয়া আছে তেওঁলোকে কিতাপ নিলিখে। তেওঁলোকে অন্যক কিতাপ লিখিবলৈ দি নিজৰ নামটো ৰাখে। কলিকতাৰ চাউথ পইণ্ট স্কুলৰ এগৰাকী শিক্ষয়িত্ৰীৰ নাম আছে তেখেত সেন উপাধ্যিৰ। এওলোকে তেওঁলোকৰ নামত কিতাপ প্ৰকাশ কৰে। এই বিলাক হোৱাৰ পিচতো আমি কিয় ভৎসনা নানিম।

মাননীয় সভাপতি মহোদয়, ভৎ'চনা আনিবলৈ হলে অলপ পইণ্ট লাগিব। ১৯৯৯ চনত বোটানি শিক্ষকৰ কাৰণে কটনত ইণ্টাৰভিউ হ'ল। কিন্তু বোটানিৰ কাৰণে কেইটামান বিশেষ গুণ থাকিব লাগে। ...... কোনোবা এজন পি. জিক কোনোবা এখন কলেজলৈ বদলি কৰিবলৈ হলে গুৱাহাটী বিশ্ববিদ্যালয়ৰ এপ্ৰোভেল লব লাগিব। তেখেত সকল Enquirmental Scienceত বিশেষ অৰ্হতা থাকিব লাগিব। তেনেকুৱা ব্যৱস্থা নাই।

মাননীয় সভাপতি মহোদয়, কেমেষ্ট্ৰিৰ কাৰণে ২ জন শিক্ষকক এপইণ্টমেণ্ট দিলে, এজনৰ নাম প্ৰদীপ ভট্টাচাৰ্য্য আৰু আন জন হৈছে দুৰ্লভ দুৱৰা। কিছুমানত নৰ্মচমতে নপৰে। কোনো স্পেচিয়েল নাই। জিঅলজিতো তেনেকুৱা কোনো ধৰণৰ চিমিলাৰ নাই।

অসম ইঞ্জিনিয়াৰিং কলেজৰ বিষয়ে কৈছো -- Computer Science Production Engineering Instrumention Engineering. এই তিনিটা চাবজেক্ট খুউব প্ৰয়োজন কিন্তু তাৰ আগতে এই বিলাক চেংচন দিব লাগে। চৰকাৰে দিয়া নাই। লাইব্ৰেৰী পাণ্ডিবৰ কাৰণে কোনো ধৰণৰ পইচা দিয়া লগতে এতিয়া এডিচনেল ক্লাচ ৰূমৰ কাৰণে পইচা দিয়া নাই। এই লৰা বিলাকৰ পৰা চান্দা তুলিছিল। তেওঁলোকক কয়, তোমালোকেও চান্দা দিয়া। এইদৰে কিতাপ আনি চলাই আছে। এই বিলাক কিমান কম, কলঙ্কিত শিক্ষা বিভাগটোৰ কথা। প্ৰথম কথা হ'ল শিক্ষা বিভাগৰ সচিবৰ নিৰ্দ্দেশ আপত্তি কৰি হঠাৎ দিয়া, শিক্ষক নিযুক্তিৰ, ব্যাপক ধনৰ অপচয়, লেন-দেন আদি। চি, পি, আই, চি, পি, এম ৰ সদস্য সকল ইয়াত আছে। তেখেত সকলে হাতে হাতে লাঠি লগোৱা পোষ্টাৰ লৈ কয়, আমাৰ দাবি মানিবই লাগিব।

মাননীয় সভাপতি মহোদয়, এতিয়া মই এজন ডাঙৰ মানুহৰ কথা কম। সেই ডাঙৰ মানুহ জন হৈছে পেগু ডাঙৰীয়া। তেখেতক চাকৰিৰ কাম ৰঢ়াই দিয়া হৈছে। দিনৰ ১২টা বজালৈকে যিজন মানুহক কোনোৰে লগ ধৰিব

নোৱাৰে, লগ ধৰি কথা কব নোৱাৰে He remain top secret চাকৰিৰ কাম বঢ়াই দিবৰ কাৰণে ইমান কি প্ৰয়োজন হ'ল ? মাননীয় শিক্ষামন্ত্ৰী মহোদয়ে তেখেতৰ চাকৰিৰ কাম বঢ়াই দিছে। ইয়াৰ পিছতো এই বিভাগৰ ওপৰত আমি ভৎর্সনা নানো তেতিয়া আমাৰ পাপ হ'ব। আমাৰ নৈতিক অধিকাৰ নাই। নিজা নিজা দায়িত্ব লৈ শিক্ষামন্ত্ৰী মহোদয়ে এবাৰ এখন চেমিনাৰ পাতিছিল। এই সকলো বিলাক দিশ চাই শিক্ষা বিভাগটোৰ ওপৰত আমি ভৎর্সনাৰ প্ৰস্তাৱ আনিছো।

*শ্ৰীগিৰিন্দ্ৰ কুমাৰ বৰুৱা : মাননীয় সভাপতি মহোদয়, এই পৱিত্ৰ সদনৰ মজিয়াত অন্য ভৎর্সনা প্ৰস্তাৱটো সমৰ্থন কৰাৰ কথা ওলাইছে। সদনত কবৰ বাবে মোক দলৰ ফালৰ পৰা নিৰ্দ্দেশ দিছে। এই ভৎর্সনা প্ৰস্তাৱটো আৰম্ভণিতে বিৰোধীতা কৰিছো। কেইজনমান মাননীয় সদস্যক জুইৰ লগত তুলনা কৰা হৈছে। ২ জন অত্যন্ত ভদ্ৰলোক। নগাওঁৰ পৰা তেখেত হাৰিছে। তেখেতৰ নাম মুকুত শৰ্মা আৰু আন জন হৈছে মাননীয় সদস্য বৃন্দাবন গোস্বামী। তেখেত সদনত আজি উপস্থিত নাই। তেখেত সকল থাকিলে আমি থকাৰ প্ৰয়োজন নহয়। ইমান কেইজন ভদ্ৰলোক থকা সত্বেও শিক্ষা বিভাগটো কিয় এনেকুৱা হৈছে ? আজি ইয়াত যি ভৎসনা প্ৰস্তাৱ আনিছে সেই ক্ষেত্ৰত আমি সকলোৱে সমুহীয়া ভাৱে দোষী। আমাৰ চৰকাৰ খন হোৱাৰ আগৰ পৰাই এই কেৰোণটো হৈ আহিছে। এই বিভাগটো অধোগতি হৈছে। শিক্ষা বিভাগটো অধোগতি হোৱা বুলি নকৈ স্বৰ্গলৈ যোৱা বুলি কলে পাপ হ'ব। পাপক আওকান কৰি বিবেকক বিক্ৰী কৰি আমি ইয়াত বহিব নোৱাৰো। মাননীয় শিক্ষা মন্ত্ৰী শ্ৰীথানেশ্বৰ বড়ো ডাঙৰীয়াৰ দিনত ধাৰাবাহিকতা ইমান বেয়া হ'ল যে পুণৰ ঘূৰি আহিবলৈ আমাৰ সময় নাইকীয়া হৈছে। পেগু ডাঙৰীয়াক চাকৰিৰ কাম বৃদ্ধি কৰা ক্ষেত্ৰক লৈ শিক্ষা বিভাগৰ কাৰণে ভাল হওঁক বা বেয়াই হওঁক আমি সকলোৱে মুক্ত পাইছো।

আমি যেতিয়া কলেজত আছিলো, তেতিয়া এই জন পেগু ডাঙৰীয়া এডাল্ট ইডুকেশ্যনত আছিল, আপোনালোকৰ দিনত কলেজত ইন্সপেক্টৰো আছিল। এইটো কথা ঠিক যে শিক্ষক সকলৰ দৰ্মহা নিয়মিয়াকৈ পোৱা নাই সেইটো আমি স্বীকাৰ কৰিব লাগিব। আজি এই অৱস্থা কিয় হ'ল, তাহানীতে অতিৰিক্ত শিক্ষকৰ নিযুক্তি হোৱাৰ কাৰণেই শিক্ষক সকলৰ দৰ্মহাৰ বেলিকা কিছু খেলি-মেলি হৈছে। মনোহৰণ কমিটিয়ে কি কৰিছে সেই বিষয়ে মই

* Speech not corrected

কৰলৈ নাযাওঁ। প্ৰাক্তন শিক্ষা মন্ত্ৰী গৰাকীয়ে কৈছে যে, তেওঁলোকৰ দিনত প্লেনিং আৰু ফাইনেন্সৰ অনুমোদন লৈহে এই নিযুক্তি বিলাক দিছিল আপোনালোকে জানে। ধেমাজী আৰু বৰপেটাত এনেকুৱাও হৈছে যে, য'ত ১৭ জন আছিল তাত এটা শূন্য বহুৱাই ১৭০ টা কৰিছে আৰু য'ত ১০০ জন আছে তাত আৰু এটা শূণ্য লগাই ১০০০টা কৰিছে। আচলাতে এই অৱস্থাতো আকস্মিক ভাৱে হোৱা নাই, এই প্ৰক্ৰিয়াটো ধাৰাবাহিক ভাবে হৈ আহিছে, অগপৰ দিনটো হৈছে কিন্তু সেই বুলি আমাৰ দিনত ভাল কাম হোৱা নাই যে সেইটো নহয়, গুৱাহাটী বিশ্ববিদ্যালয় আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উন্নতি কল্পে এইবাৰ বাজেটত দেখিবলৈ পাইছো বছৰি অনুদান ১ কোটি আৰু তেৰ কোটি বৃদ্ধি কৰা হৈছে, এইটো ভাল ব্যৱস্থা হৈছে। তাৰ পাচত আমাৰ শিক্ষক সকলে যাতে অৱসৰ পোৱাৰ পাচত কোনো অসুবিধা নাপায় তাৰ কাৰণে পেন্সন দিয়া ব্যৱস্থা কৰিছে যেনেকৈ অন্যান্য চাকৰিয়াল সকলে পায়। কণিষ্ঠ মহাবিদ্যালয়ৰ ক্ষেত্ৰত যি আইন কৰা হ'ল এই ক্ষেত্ৰত শিক্ষাৰ দিশত এটা খেলিমেলি হৈছে কিন্তু পলিটিকেল ইণ্টাফেৰেন্সৰ পৰা মুক্ত হৈছে, অপেন কম্পিটিশ্যনত কলেজ বিলাকত মেধা ছাত্ৰই সুবিধা পাব। আজি বৃন্দাবন ডাঙৰীয়া সদনত নাই তেখেত থকা হলে কলে হেতেন শিক্ষা বিভাগটোক আচলাতে তিনিটা ভাগত ভগাব লাগে, নহলে আজি দূৰ-দূৰণিৰ পৰা শিক্ষক সকলে বিভিন্ন স্কুলৰ কামত বা অন্যান্য চৰকাৰী কামত আহি গুৱাহাটীত হোটেলত থাকিবলগীয়া হয় ৩/৪ দিন হোটেলত থাকোতে তেওঁলোকৰ ৩/৪ হাজাৰ টকা খৰচ হৈ যায়, গতিকে তেওঁলোকে হোটেলত থকাতকৈ কেৰাণীকে হাজাৰ টকা দি কামটো কৰি লৈ যায়। বৰ্ত্তমান চৰকাৰে শিক্ষা বিভাগৰ প্ৰশাসনটো বিকেন্দ্ৰীকৰণ কৰাৰ কাৰণে এটা ব্যৱস্থা হাতত লৈছে। এই ব্যৱস্থা কৰিব পাৰিলে কিছু দুৰ্নীতি কমিব আৰু শিক্ষক ৰাইজৰো কিছু সুবিধা হ'ব। ১৯৭০ চনৰ পৰা যিখিনিয়ে প্লেনৰ তলত কাম কৰি আছিল তেওঁলোকক ননপ্লেনত আনিবলৈ চেষ্টা কৰিছে আৰু এই ব্যৱস্থাৰ দ্বাৰা তেওঁলোকক সকাহ দিয়া হ'ব। আন এটা আচৰিত কথা হৈছে যে শিক্ষা বিভাগৰ গা নলৰে আগতে গড়কাপ্তানি বিভাগত আৰু ইৰিগেশ্যন বিভাগত গা লৰা নাছিল, গ্ৰন্থ এখনত ৯টা ভুল, পেগু ডাঙৰীয়াই ১২ বজাৰ পৰা ঠিক অৱস্থাত নাথাকে মাননীয় সদস্যই কৈছে। এখন প্ৰশ্ন কাকতত ৰেভিয়াচৰ অসমীয়া ব্যাস বুলি লিখিছে তাত হব লাগিছিল ব্যাসাৰ্ধ

সেইদৰে মন্থনৰ ঠাইত তৰঙ্গ আৰু য'ত সহযোষী হ'ব লাগিছিল তাত সহযোগী লিখিছে আৰু শেষত তেওঁলোকে লিখিছে প্ৰশ্ন কেইটা পঢ়ি ভীতিগ্ৰস্ত হোৱা প্ৰয়োজন নাই বুলি ছাত্ৰ-ছাত্ৰীক সকাহ দিছে। এতিয়া কথা হ'ল এই বিষয় বিলাকৰ ক্ষেত্ৰত কোন বিষয়াই ভুল কৰিছে আৰু তেওঁলোকে জানে যে ইয়াত কিবা গণ্ডগোল আছে আৰু সেই কাৰণেই ভীতিগ্ৰস্ত হ'ব নোৱাৰে বুলি জনাইছে। এই বিলাক বিষয়াই কি কৰিব? যোৱা কালি এখন স্কুলত যিটো চাৰজেণ্ট আছিল। সেই চাৰজেণ্টৰ পেপাৰ নিদি আন এটা চাৰজেণ্টৰ পেপাৰ ছাত্ৰ-ছাত্ৰী সকলক বিলালে, যেথামেঠিকচ আছিল তাৰ ঠাইত পৰহী যিটো চাৰজেণ্টব পৰীক্ষা হ'ব সেই চাৰাজেণ্টৰ প্ৰশ্ন কাকত বিলালে। তাৰ মানে পৰহীৰ প্ৰশ্ন কাৰত ওলাই গ'ল। এতিয়া মন্ত্ৰী ডাঙৰীয়াই কওক কাৰ ওপৰত একশ্যন লব? তেওঁলোকে কলে বোলে যিখিনি প্ৰশ্ন কাকত বিলাই দিয়া হ'ল সেইখিনি ৪ মিনিটৰ ভিতৰতে আকৌ ঘুৰাই আনিলে, বা: কি ডাঙৰ কাম কৰিলে, তেওঁলোকক ভাৰতৰত্ন দিব লাগে।

শিক্ষা বিভাগৰ ওপৰত কংগ্ৰেছে ভৎৰ্সনা প্ৰস্তাৱ আনিছে যদিও আমি এই বিভাগটো ভাল কৰিবৰ কাৰণে সমুহীয়া ভাৱে দায়িত্ব লব লাগিব আৰু আগবাঢ়ি যাব লাগিব। আজি কংগ্ৰেছে কব আপোনালোকৰ দিনত এনেকুৱা হ'ল, আন এটা পাৰ্টিয়ে কব তেওঁলোকৰ দিনত তমুক হ'ল, এনেকুৱাকৈ কৈ থাকিলে সমস্যা সমাধান নহব। আমি সমুহীয়া ভাবে সকলোৱে এই ক্ষেত্ৰত আগবাঢ়ি যাব লাগিব। চাৰ মই এই খিনিতে আন এটা কথা কব বিচাৰিছো। ১৯৯৬ চনৰ অক্টোবৰ মাহৰ উপ নিৰ্ব্বাচনত জয়ী হৈ মই বিধান সভাৰ সদস্য হিচাবে ইয়ালৈ আহিছো। কিন্তু মোৰ লিয়েন পোষ্টত আজিলৈকে কোনো মানুহ নিযুক্তি দিয়া নাই। মই এতিয়া আকৌ ঘুৰি যাবৰেই হ'ব। গতিকে এই কেইদিন নিদিব। কাৰণ যদি দিয়া হয় তেতিয়াহলে যি জনক দিয়া হ'ব তেওঁ আকৌ মোক সুধি থাকিব মই নিৰ্ব্বাচনত প্ৰতিদন্দিতা কৰিম নে নকৰিম। এতিয়া প্ৰায় ৩ বছৰেই হৈ গ'ল। আন এটা কথা হৈছে এজন এজন বিষয়াক ৩/৪ টা বিভাগৰ দায়িত্ব কি কাৰণে দিয়া হৈছে। এজন বিষয়াক এটা এটা বিভাগৰ দায়িত্ব দিব লাগে। তাবোপৰি যিবিলাক ইবেচপনচিবুল বিষয়া আছে সেই বিষয়া সকলক আতৰাব লাগে এইটোৱেই হ'ল মোৰ পৰামৰ্শ। ইয়াৰ উপৰিও ৩২ লাখ টকাৰ ইংৰাজী কিতাপৰ ক্ষেত্ৰত স্কেণ্ডলৰ কথা কোৱা হৈছে। ইয়াৰ কাৰণে প্ৰাথমিক শিক্ষক সন্মিলনীক

দায়িত্ব দিছে। তেওঁলোকক দায়িত্ব দিয়াৰ কি ৰাইট আছে চৰকাৰে সেইটো প্ৰকাশ কৰা নাই। গতিকে কিতাপৰ ক্ষেত্ৰত যদি কৰাপচন হৈছে তেতিয়াহলে ফেব্ৰুৱাৰী মাহত যি কিতাপ কিনিলে কিনিলে তাৰ পিচত আৰু এই কিতাপ খন বন্ধ কৰি দিব লাগে। এইটো অকল বুদ্ধিজীৱি সকলে কোৱা কথা নহয় গাওঁৰ মন্নেহেও কৈছে। এই ৩২ লাখ টকাৰ যিখন কিতাপ এই ক্ষেত্ৰত আমাৰ ডাঃ দেই কোৱা কথা কেইটা ভুল বুলি কব নোৱাৰি। হিন্দীত হসন্তনো ক'ত আছে? এচ, আই, শিক্ষক আৰু সঞ্চালকালয় বিলাকত যি পোষ্ট খালি হৈ আছে সেই পোষ্ট বিলাকত এপইণ্টমেণ্ট দিব লাগে। কংগ্ৰেছে অলপ নষ্ট কৰিছে। এই নষ্ট কৰাৰ কাৰণে সকলোৱে ভুগিছো। আজিৰ পৰা আমি সকলোৱে প্ৰতিজ্ঞাবদ্ধ হব লাগে যাতে আমি এই বিলাক কাম নকৰো। এই খিনিকে কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

Mr Chairman (Shri Bimalangshu Roy): Now Hon'ble member Shri Hali Ram Tarrang.

*শ্ৰীহলিৰাম টেৰাং ঃ মাননীয় সভাপতি ডাঙৰীয়া, আজি যিটো ভৎসনা প্ৰস্তাৱ আনিছে সেইটোৰ ওপৰত কিছু কথা কম বুলি চিন্তা কৰি আহিছিলো। কিয়নো মূল বিৰোধী দল এটাই যিহেতু ভৎসনা প্ৰস্তাৱ আনিছে সেয়েহে এই প্ৰস্তাৱৰ ওপৰত অন্ততঃ কিছু বক্তব্য ৰাখিম। কিন্তু শাসক দলৰ এগৰাকী সদস্যই মোৰ আগতেই যিখিনি কথা কলে তাৰ পিচত ভাবিলো মোৰ কব লগীয়া কিবা থাকিল নেকি? খুব সম্ভৱ বৰুৱা ডাঙৰীয়াই আমাৰ আগতেই যিখিনি বক্তব্য ৰাখিলে তেখেতে খোলা খুলিকৈ নকব পাৰে কংগ্ৰেছৰ ঠাইত হয়তো তেখেতেই ভৎসনা আনিলেহেতেন। তেওঁ যিখিনি কথা কলে সেই গোটেই খিনি কথা চাবষ্টেনচিয়েট কৰিলে।

ইয়াৰ পিচত কোনো বক্তব্যৰ প্ৰয়োজন নাই। ইয়াৰ পিচত উদাহৰণ দিয়াৰ প্ৰশ্ন নুঠে। তেখেতৰ বক্তব্য তথা প্ৰত্যেকটো কথাৰ পৰাই বুজা যায় যে শিক্ষা বিভাগত ভাল কাম কৰা নাই আৰু গোটেই শিক্ষাৰ পৰিবেশ নষ্ট কৰিছে। মাত্ৰ তেওঁ এটা কথাই কৈছে যে কংগ্ৰেছ এই বিলাক কথা কব নেলাগে কাৰণ তেওঁলোকৰ দোষ আছে। ইয়াৰ বাহিৰে আন পাৰ্থক্য কি আছে? ইয়াতকৈ ডাঙৰ যুক্তি নাই। শিক্ষা বিভাগক ভৎসনা দিয়াৰ ডাঙৰ

* Spech not corrected

কোনো যুক্তি থাকিব নোৱাৰে। চাৰ আৰু দুটামান উদাহৰণ মই দিব বিচাৰিছো। কটন কলেজ খনক আমি অসমৰ উজ্জল ভোটা তৰা হিচাবে ভাবো। সেই কলেজ খনে আজি প্ৰায় ১০০ বছৰ সম্পূৰ্ণ কৰিবলৈ আগবাঢ়ি গৈ আছে। চাৰ মোৰো সৌভাগ্য, মই সেইখন কলেজৰে ছাত্ৰ আছিলো। মোৰ লগতে বহুতো মন্ত্ৰী, বিধায়ক সেইখন কলেজৰে ছাত্ৰ আছিল। আমি সেইখন কলেজৰ পৰা পাচ কৰি আহিছো। কিন্তু সেইখন কলেজত যেতিয়া কোনো প্ৰিন্সিপাল নাই। কোনো ৰেগুলাৰ দিন নাই। কিন্তু এদিন আমি ৰাষ্ট্ৰপতি ডাঙৰীয়াক মাতি আনি সেইখন কলেজ এখন অটনমাচ ইনষ্টিটিউচন কৰাৰ কথা কৈছিলো। অটনমাচ ইনষ্টিটিউচন কৰা পিচৰ কথা এতিয়া তাত কিছুমান কেৰোণ সোমাইছে। ইয়াৰ আগৰ অধিবেশনতো মই এটা কথা কৈছিলো যে যিজন ডিন অৱসৰ লব তেওঁৰ ঠাইত এজন ৰেগুলাৰ ডিন আৰু প্ৰিন্সিপাল নিযুক্তি দিবনে? এতিয়া শিক্ষা মন্ত্ৰী মহোদয়ে আটাইতকৈ জ্যেষ্ঠ জনক নিযুক্তি দিম বুলি কৈছিল? এই প্ৰিন্সিপুল তেওঁ জ্যেষ্ঠ ব্যক্তিক দিম বুলি কৈছিল। কিন্তু আজিৰ দিনত কাৰ্য্যভাৰ চম্ভালি লৈছে যিজনে তেওঁ জ্যেষ্ঠ ব্যক্তি নহয়। বিভাগৰ তৰফৰ পৰা যি গৰাকী জ্যেষ্ঠ শিক্ষয়ত্ৰী আছে তেওঁৰ চিনিয়ৰটিক লৈ যি বিতৰ্ক আনিছে তাৰ কোনো থল নাই। যি গৰাকী জ্যেষ্ঠ শিক্ষয়ত্ৰী তেওঁক ডেপ্ৰাইভ কৰি আন এজন ডিন বহি আছে। ইয়াৰ উত্তৰ শিক্ষা মন্ত্ৰী, আয়ুক্ত, সচিব আৰু সঞ্চালকেও দিব নোৱাৰে। এইটো কেচ যদি হাইকোৰ্টত যায় তেতিয়াহলে হাইকোৰ্টে ভৎৰ্সনা নিদি গৰিহণাহে দিব। আমি যিখিনি কথা গম পাওঁ সেইমতে প্ৰাথমিক শিক্ষা বিভাগেই হওক বা মাধ্যমিক শিক্ষা বিভাগেই হওক আটাইকেইটা বিভাগতে যথেষ্ট খেলি-মেলি আছে আৰু এই খেলি-মেলি বিভাগত শিক্ষামন্ত্ৰীৰ পৰা আৰম্ভ কৰি শিক্ষা আয়ুক্ত, সচিব আৰু সঞ্চালক সকলে মুৰ নোসোমায়। আটাইতকৈ যদি বেচি কেছ আছে তেতিয়াহলে এই শিক্ষা বিভাগটোৰেই আছে। এল, পি, স্কুলৰ শিক্ষকৰ পৰা আৰম্ভ কৰি কলেজৰ শিক্ষকলৈকে এই বিভাগৰ শ শ হাজাৰ হাজাৰ কেচ হাইকোৰ্টত আছে। শিক্ষা আয়ুক্ত বা শিক্ষা সচিবৰ পৰা আৰম্ভ কৰি যিবিলাক বিষয়া আছে তেওঁলোকে সেই সমস্যা বিলাক সমাধান কৰিবলৈ চেষ্টা নকৰে। এতিয়া সমস্যা বিলাক সমাধান হয় হাইকোৰ্টত। সেই কাৰণে ভাব হয় শিক্ষা বিভাগটো থকাৰ প্ৰয়োজন আছে নে নাই। চাৰ অসমৰ ইতিহাসত কোনো দিনেই নোহোৱা ঘটনা এটা ঘটি গৈছে। হাইস্কুলৰ শেষান্ত পৰীক্ষা যিটো আমি

মেট্ৰিক বুলি কওঁ সেই মেট্ৰিক পৰীক্ষা পিচুৱাই দিব লগা হ'ল। যেতিয়া-লৈকে কাগজ পত্ৰই ওলোৱা নাছিল তেতিয়ালৈ মেট্ৰিক পৰীক্ষা পিচুৱাই দিয়া কথাটো ভাবিব পৰা নাছিলো। অসমৰ শিক্ষা জগত কি ধৰণে চলিছে? এটা বছৰ পিচুৱাই গলে ছাত্ৰ-ছাত্ৰীৰ কিমান খিনি লোকচান হয় সেইটো মই কৰিব পাৰিছো। ১৯৭৫ চনত এই বিষয়ত মই নিজে ভুক্ত ভুগি। তাতে আকৌ মেট্ৰিক পৰীক্ষা হাজাৰ হাজাৰ লাখ লাখ ছাত্ৰ-ছাত্ৰীৰ যত ভাগ্য জড়িত হৈ আছে। কিন্তু সেই বিষয়েও কোনো বিবেচনা নকৰিলে। পৰীক্ষা পিচুৱাই দিব লগা হ'ল। চাৰ যিমান শিক্ষা বিধৰ কাৰ্য্যালয় আছে তাৰ মুৰব্বী সকল সঞ্চালক হায়াৰচেকেণ্ডাৰী কাউন্সিল টেক্স বুক প্ৰভাকৰন আদি বিভাগৰ মুৰব্বী সকল অসম এডুকেচন চাৰ্ভিচৰ পৰা লৈ বা হয়। তেওঁলোক বয়োজেষ্ঠ ব্যক্তি। অভিজ্ঞ, জ্ঞানী ব্যক্তি সকল ডিৰেক্টৰ চেয়াৰমেন হয়। এনে অভিজ্ঞ, জ্ঞানী থাকোতে শিক্ষা বিভাগটোৰ অৱনতি হব লগা হ'ল কিয়? সেইটো চিন্তা কৰাৰ প্ৰয়োজন হৈছে। ইয়াত দুই ধৰণৰ চলুচন কৰিব পৰা যায়। মই জনাত শিক্ষা বিভাগটো ডাঙৰ বিভাগ, যি সময়ত দুজন মন্ত্ৰীয়ে চলাব পৰা নাছিল সেই শিক্ষা বিভাগটো এতিয়া আমাৰ বৰ্ত্তমান শিক্ষামন্ত্ৰীয়ে অকলে চলাব লগা হৈছে। হয় তেখেতে ২৪ ঘণ্টাৰ ২০ ঘণ্টা কাম কৰক নহলে আন এজন শিক্ষামন্ত্ৰী নিযুক্তি দিয়ক। শাসক দলক চাজেশ্বন দিয়াতো উচিত নহয়। তথাপি মই কব বিচাৰিছো যে গিৰীন বৰুৱাক দায়িত্ব ভাৰ দিলে তেখেতে বিভাগটো চলাব পাৰিব। এটা সময়ত তেখেত নিজেও কলেজৰ অধ্যাপক আছিল। মন্ত্ৰীৰ সংখ্যা বাঢ়ি গৈছে বুলিতো আমি কোৱা নাই। সেই আপোনালোকৰ দলীয় খামখিয়ালি হব পাৰে। শিক্ষা বিভাগত দুজন কিয় তিনিজন দিয়ক। গিৰীন বৰুৱাক দিয়াতো খুব ভাল চাজেচন দিছো। তেখেতক দিয়কচোন। যদি বিভাগটো ভালদৰে চলাব লাগে তেতিয়াহলে মন্ত্ৰী সকলে সময় দিব পাৰিব লাগিব। ইতিমধ্যে কটন কলেজক বোটানি বিভাগত স্পেচিয়েলাইজেশ্বন নোহোৱাকৈয়ে নিযুক্তি দিছে। আজি যদি আমি অসম চৰকাৰৰ পৰা উত্তৰ নাপাও তেনেহলে আমি চৰকাৰৰ বাহিৰত যাব লাগিব। কোনো ধৰণৰ প্ৰপোজেল অহা নাই কিন্তু অৰডাৰ লৈছে এগেইনষ্ট হাফলং কলেজ। যি কেইটা বিভাগত প্ৰয়োজন আছিল তাত দিয়া নাই। হাফলং কলেজত নিযুক্তি দিছে কিন্তু তাৰ দুদিন পাচতেই কটন কলেজলৈ ট্ৰেন্সফাৰ কৰি লৈ আহিছে। যি সকল ব্যক্তিৰ কোনো প্ৰয়োজন নাছিল তেনে ব্যক্তিক কিয় দিয়া হ'ল।

চাৰ যোৱা কালি মূখ্যমন্ত্ৰীয়ে বাজেত বিতৰ্কৰ সময়ত অতি গৰ্ব্বেৰে কৈছিল যে টেৰং ডাঙৰীয়াই কলে কি হব আমি চাৰিখন স্কুল প্ৰভিনচিয়েলাইজড কৰিছো। কাৰ্বি আংলংত এম, ই, স্কুল প্ৰভিনচিয়েলাইজড হ'ল, সেইটো সোধা নাছিলো। সেইটো প্ৰশ্ন নাছিল. ইয়াত বিতৰ্কৰ কথা আছে। ১১খন আৰু ৮ খন মুঠ ১৯ খন কলেজ প্ৰভিনচিয়েলাইজড কৰা হব বুলি কৈছিল। এম, ই, এলপি, নহয় হাইস্কুল নহয়। ১৯ খন কলেজৰ ভিতৰত কোন খন ললে বুলি সোধাত মুখ্যমন্ত্ৰীয়ে উত্তৰ দিলে ৪ খন স্কুল প্ৰভিনচেয়েলাইজড কৰা হ'ল। যোৱা কালি শিক্ষামন্ত্ৰী ডাঙৰীয়াক লগ পালো। তেখেতেহে কলে বিত্তীয় অৱস্থা চাই ব্যৱস্থা কৰিম। চাৰ মই তুষাৰমানহে কৈছো বহুত উদাহৰণহে দিব পৰা যায়। মই বেচি নকও। এই যে ভৎৰ্সনা প্ৰস্তাৱটো আনিছে, শাসক দলৰ পৰা সমৰ্থন নকৰো বুলি কৈয়ো শিক্ষা বিভাগটো উদঙাই দিছে। গতিকে আমাৰ দলৰ পৰা বিশেষ মন্তব্যৰ প্ৰয়োজন নাই। এনে ধৰণে কাগজে পত্ৰই চাই থাকি পেগু থাকিব, অমুক নাথাকিব বা কোন থাকিব, হাইস্কুলৰ শিক্ষক দিব লাগিব. নিদিব লাগিব এনেকৈ লাগি থাকিলে নহব। চৰকাৰৰ নীতিটো পৰিবৰ্ত্তণ কৰিব লাগিব। যদি নীতিটো পৰিবৰ্ত্তণ কৰিব পৰা নাযায় তেতিয়াহলে এই শিক্ষা বিভাগটো ঠিক কৰিব পৰা নাযাব। তাৰোপৰি স্বাভাৱিকতে কংগ্ৰেছ দলে এই ক্ষেত্ৰত মাত মতাৰ কোনো নৈতিক অধিকাৰ নাই। হয়তো ৰাজনৈতিক অধিকাৰ থাকিব পাৰে। ভৎৰ্সনা প্ৰস্তাৱ হওঁকে বা নহওঁকে, টেকনিকেলী, ইউনিটি নহলে পলিউটেড এই শিক্ষা বিভাগটো ৰসাতলে যাব বা গৈছে।

(At 6-34 p. m. Shri Pulakesh Barua, Chairman ocupies the Chair after being vacated by Shri Bimolangshu Roy Chairman)

Mr. Chairman : Now Hon'ble Member Shri Bimalangshu Roy.

*শ্ৰীবিমলাংশু ৰয় : মাননীয় চেয়াৰম্যান মহোদয়, আমি এই ভৎৰ্সনা প্ৰস্তাবেৰ আলোচনায় অংশ গ্ৰহণ কৰে যে, বিষয়টি উত্থাপিত হয়েছে সেই সম্পৰ্কে একটি কথা বলব। কংগ্ৰেছ দল আজ সদনে এই ভৎৰ্সনা প্ৰস্তাৱ উত্থাপন কৰেছে। মহোদয় শিক্ষা বিভাগে যে সমস্ত ত্ৰুটি বিচ্যুতি বা দুৰ্নীতিৰ কথা আলোচনা হয়েছে. আমি মনে কৰি গঠনমূলক আলোচনাৰ মাধ্যমে এই বিভাগকে কি

* Speech not corrected

ভাবে ত্রুটি মুক্ত কৰা যায় বা উন্নতি কৰা যায় সেই দিকে আমাদেৰ লক্ষ্য ৰাখা উচিত।

মাননীয় চেয়াৰমেন মহোদয়, আমি দেখেছি যে 'সেবা' থেকে ইতিমধ্যে ৯/১২/৯৮ ইং তাৰিখে একটা চাকু'লাৰ জাৰী কৰা হয়েছে যাৰ নং হলো এছ বি এ / এবি / টি এস বি / ৪/৮৯/২৭৫ তাং ৯/১১/৯৮ আৰ এই চাকু'লাৰ থেকে 'সংস্কৃত' বিষয়টিকে পাঠ্যক্রম থেকে সম্পূর্ণৰূপে বাদ দেওয়া হয়েছে। মহোদয় আমৰা জানি যে সংস্কৃত হলো Mother of all language। কিন্তু দুঃখেৰ বিষয় যে একটা অতি আবশ্যকীয় বিষয় হওয়া সত্বেও পাঠ্যক্রম থেকে 'সেবা' এটাকে চিন্তা ভাবনা না কৰে একেবাৰে বাতিল কৰে দিল। এতদিন কেবল মাত্র একটা অপশানাল সাবজেক্ট হিসাবে ৰেখে নিয়ম কৰা হচ্ছিল। আজ সেটাও বাতিল কৰা হয়েছে। ফলে এই বিষয়টি নিয়ে শিক্ষা জগতে একটা বিৰাট ক্ষোভেৰ সঞ্চাৰ হয়েছে। বিভিন্ন শিক্ষানুষ্ঠান থকে এৰ প্রতিবাদে প্রস্তাব পাঠানো হয়েছে। বলা হয়েছে যে এহ অবজ্ঞাসূচক সাৰ্কুলাৰ বাতিল কৰে অনতি বিলম্বে এই গুৰুত্বপূর্ণ বিষয়টিকে পূর্ণ প্রতিষ্ঠিত কৰা হউক। কাৰণ একথা সবাই জানেন যে সংস্কৃত ভাষাটি Mother of all language.

*শ্রীহেমেন দাস : মাননীয় সদস্য গৰাকীয়ে সংস্কৃত ভাষা অসমীয়া ভাষাৰ মাতৃ বুলি কৈছে। সংস্কৃত অসমীয়া ভাষাৰ মাতৃ নহয়। সেই কথা অসমীয়া ভাষাৰ পণ্ডিত সকলে কৈ গৈছে। অসমীয়া এটা ভাষা, বড়ো এটা ভাষা, এই বিলাক ভাষাৰ মাতৃ সংস্কৃত নহয়। You may not agree but it is afact.

*শ্রীবিমলাংশু ৰয় : আমৰা জানি যে ভাষা সাহিত্যেৰ ইতিহাস বলে যে বাংলা, অসমীয়া, ওড়িয়া প্রভৃতি ভাৰতীয় ভাষাৰ উৎস সংস্কৃত ভাষা। এটা মাননীয় সদস্যেৰ ব্যক্তিগত মতামত। যাইহোক, আমৰা আশা কৰি মাননীয় শিক্ষামন্ত্রী এই ব্যাপাৰ অত্যন্ত গুৰুত্ব সহকাৰে বিবেচনা কৰবেন এবং অতি সত্বৰ এই সাকু'লাৰ বাতিল কৰে 'সংস্কৃত' ভাষাকে স্বমৰ্য্যাদায় শিক্ষা জগতে যেন পূর্ণপ্রতিষ্ঠি কৰেন।

মহোদয়, আমাৰ দ্বিতীয় কথা হলো যে আমাদেৰ ৰাজ্যেৰ বিভিন্ন অঞ্চলে ব্যক্তিগত মালিকানাধীন কিছু ইংৰাজী মাধ্যমেৰ স্কুল ৰয়েছে। গত দুই বৎসৰ

---

* Speech not corrected

আগে আমি এই ব্যাপাৰে সদনে প্রশ্ন উৎথাপন কৰেছিলাম তখন মাননীয় শিক্ষামন্ত্রী মহোদয় উত্তৰ দিয়েছিলেন যে এইসব প্রাইভেট স্কুল গুলিকে একটা আইনেৰ আওতায় আনা হবে। একটা অত্যন্ত শীঘ্রে কৰা দৰকাৰ। কাৰণ অনেক এই ৰকম স্কুলে শিক্ষকদেৰ নিয়মিত বেতন দেওয়া হয়না। তাছাড়া এইসব স্কুল কেবল মাত্র ব্যবসায়ী দৃষ্টিভংগী নিয়ে এই শিক্ষানুষ্ঠানগুলি পৰিচালনা কৰাৰ ফলে একটা বিশৃংখল অবস্থাৰ সৃষ্টি হয়েছে। মন্ত্রী মহোদয় লিখিত আকাৰে উত্তৰ দেওয়া স্বত্বেও আজ পর্যন্ত কোনও আইন প্রনয়ন না কৰাৰ অর্থ আমি বুঝতে পাৰছি না। সুতৰাং কালবিলম্ব না কৰে সৰাৰ যেন প্রয়োজনীয় আইন প্রনয়ন কৰেন। (সময় সংকেত)

মহোদয়, আৰেকটা কথা বলব। আজ আমৰা দেখতে পাই যে ৰাজ্যেৰ সবকটি কলেজ গভর্নিং বডি নাই— কেবল স্পেচিয়েল বডি দিয়ে কলেজ পৰিচালনা কৰা হচ্ছে। সেই স্পেচিয়েল বডিতে মিনিষ্টিয়েল ষ্টাফেৰ প্রতিনিধিত্ব আছে অথচ শিক্ষকদেৰ প্রতিনিধিত্ব নাই এটা আমৰা অনেক ক্ষেত্রে লক্ষ্য কৰেছি। এৰ ফলে লই শিক্ষানুষ্ঠান গুলিৰ কি অবস্থা হয়েছে সেটা আমৰা সকলেই জানি। আমাৰ মনে হয় একথা বিস্তাৰিতভাবে বলাৰ প্রয়োজন নাই। তাই অনতি বিলম্বে এই স্পেচিয়েল বডি ভেঙ্গে নিয়মমাফিক গভর্নিং বডি তৈৰী কৰাৰ যেন ব্যবস্থা কৰা হয়।

মহোদয়, সবসেষে বলতে চাই যে শিলচৰ বি টি কলেজ গত দশ বৎসৰ যাবৎ ইংৰাজী এবং সায়েন্স শিক্ষকদেৰ পদ খালি পড়ে আছে। মন্ত্রী মহোদয় আমাকে আশ্বাস দিয়েছিলেন যে দুই মাসেৰ মধ্যে এই পদগুলি ফিলআপ কৰা হবে। কিন্তু দুঃখেৰ বিষয় দুই বৎসৰ পাৰ হয়ে গেল কিছুই কৰা হয়নি। ফলে এই অনুষ্ঠানে এক অৰাজকতা বিৰাজ কৰছে। মাননীয় সদস্য শ্রীহলিৰাম টেৰাং মহোদয় তাৰ বক্তব্যে বলেছিলন যে, শিক্ষামন্ত্রী মহোদয় বিদ্বান ব্যাক্তি কিন্তু বোধহয় তিনি ৰার্ডেণ্ড হয়ে গেছেন। সম্ভৰতঃ এটাই সত্য কথা। অতএব প্রয়োজনবোধে এই বিভাগটিৰ কাজকর্ম প্রণালি ষ্ট্রিমলাইন কৰাৰ জন্য দায়িত্ব ভাগাভাগি কৰে শিক্ষা জগতে প্রকৃত পৰিবেশ সৃষ্টি কৰবেন বলে আশা কৰে আমি আমাৰ বক্তব্য শেষ কৰছি।

Mr Chairman (Shri Pulekesh Barua) Now Hon'ble Member Shri Deba Kanta Ramchiary to speak.

*শ্ৰীদেৱকান্ত ৰামচিয়াৰী ঃ সভাপতি মহোদয় আজি কংগ্ৰেছ দলে শিক্ষা বিভাগৰ বিৰুদ্ধে ভৰ্ৎসনা প্ৰস্তাৱ আনিছে। তেওঁলোকৰ নৈতিক অধিকাৰ আছেনে নাই সেইটো বাৰু নকওঁ। কিন্তু সময় উপযোগী ভৰ্ৎসনা প্ৰস্তাৱ অনা হৈছে। চৰকাৰক প্ৰশ্ন কৰিব বিচাৰিছো যে আমাৰ ওপৰোক্ত যিসকল বক্তাই যিখিনি কথা কলে যিবিলাক অভিযোগ মন্ত্ৰীৰ বিৰুদ্ধে, অফিচাৰৰ বিৰুদ্ধে আনিলে সেইখিনি সাহসেৰে মুখামুখী হোৱাৰ সাহস আছেনে। যিখিনি অভিযোগ আনিছে সেইটো মিছা নহয়। এই অভিযোগ বুকু পাতি লওঁক, সেইখিনিৰ মুখামুখী কৰিবৰ কাৰণে সাহসেৰে ওলাই আহিব বুলি আমি আশা কৰিলো। চৰকাৰে নিশ্চয় পাৰিব। আৰু যদি এই কথাবিলাকৰ সন্মুখীন হব নোৱাৰে তেনেহলে এটাৰ পিচত এটাকৈ বিভাগ বিলাক ৰসাতললৈ গৈ থাকিব। এটা সময় আহিব এইটো এটা বিভাগ বুলি নাথাকিব। আমাৰ সন্দেহ হৈছে বিভাগ হিচাপেই নাথাকিব। গতিকে চৰকাৰে শিক্ষা বিভাগটোক নিয়ন্ত্ৰনলৈ আনক। অফিচাৰ সকলৰ ওপৰত, শিক্ষক সকলৰ ওপৰত নিয়ন্ত্ৰণ আনক। এই বিভাগটো এটা নিশ্চয় গুৰুত্বপূৰ্ণ বিভাগ হিচাপে স্থান পাব। সুস্থিৰ পৰিবেশ নিশ্চয় গঢ়ি উঠিব।

নিযুক্তিৰ ক্ষেত্ৰত আজি এটা খেলিমেলি হৈছে। চৰকাৰে কৈছে নিযুক্তি বন্ধ। কিছুমান জিলাত নিযুক্তি দি আছে। আমাৰ জিলাত এম, ই স্কুলত নিয়োগৰ কাৰণে নিৰ্দেশ গৈছিল। আমি গম পোৱাত দৰ্মহা পাবই। বেলেগ জিলাৰ স্কুলত বহুতৰে হোৱা নাই। যদি চৰকাৰৰ অধীনত সকলো জিলা আছে, আমি সকলোৰে এই চৰকাৰৰ এম, এল, এ, তেনেহলে কিছুমান জিলাৰ এম, এল, এ, সুবিধা পাইছে আৰু কিছুমান সমষ্টিত বা জিলাত সুবিধা পোৱা নাই। সভাপতি মহোদয়, নিয়ম সকলোৰে কাৰণে একে হব লাগে। কামৰূপ জিলাত নিযুক্তি পাইছে, দৰমহা পাও পাও হৈছে। আন জিলাত নিযুক্তিয়েই হোৱা নাই। চৰকাৰে আজি সকলোৰে ক্ষেত্ৰত একে নীতি অৱলম্বন কৰিব পৰা নাই।

সভাপতি মহোদয়, কামৰূপ জিলাত আজি দৰমহা হৈছে। গোটেই অসমৰ কাৰণে এটা নীতি হব লাগিব। আজি চৰকাৰৰ জ্ঞাতে হওক বা অজ্ঞাতেই হওক নাজানো ভিতৰুৱা এল, পি স্কুল বিলাকত এজনো শিক্ষক নাই। এনে ধৰণে শিক্ষক সকলক বদলি কৰা হৈছে যে, ভিতৰুৱা অঞ্চলৰ স্কুল বিলাকত শিক্ষক নোহোৱা হৈছে। উগ্ৰপন্থীয়ে টকা দাবী কৰা লৈ এটা অজুহাত দেখুৱাই

* **Speech not corrected.**

শিক্ষক সকলে ডি, আইক ধৰিমেলি টাউন এৰিয়াৰ কোনোবা স্কুলত এটাচ হৈ থাকে। ওদালগুৰি হাইস্কুলৰ এগৰাকী শিক্ষকক মঙ্গলদৈত এটাচ কৰি ৰাখিছে। মানুহজনে কালাইগাৱঁৰ চাৰ্কুল অফিচাৰ। এই ধৰণে বদলি কৰিলে লৰা-ছোৱালী বিলাক পাঠদান লোৱাৰ পৰা বঞ্চিত হয়। আজি এনে এটা অৱস্থা চলি আছে। বিভাগৰ পৰা কোনো ব্যৱস্থা নোলোৱাৰ বাবে আজি এইটো হবলৈ পাইছে। যিবিলাক দুখীয়া মানুহ যিবিলাকে লৰা-ছোৱালী ইংৰাজী বা কোনো ভাল স্কুলত পঢ়াব নোৱাৰে সেই লৰা-ছোৱালী বিলাক আজি পাঠদান লোৱাৰ পৰা বঞ্চিত হৈছে। আজি এই দায়িত্ব চৰকাৰে মূৰ পাতি লব লাগিব। কলেজ বিলাকৰ ক্ষেত্ৰতো কিছুমান খেলিমেলি নিযুক্তিৰ ক্ষেত্ৰত দেখা গৈছে। এটা চাবজেক্টৰ বিপৰীতে কিমান শিক্ষক নিযুক্তি দিব চৰকাৰে এই বিষয়ে কোনো ধাৰণা দিব পৰা নাই। সভাপতি মহোদয়, এনেকুৱা কিছুমান ঘটনা ঘটি আছে। যিবিলাক সংবেদনশীল। সৰুপেটাৰ বি, এছ, পি কলেজত লেকচাৰাৰ নিযুক্তি হৈছিল তাত বহুতো খেলিমেলি হৈছে। যিজন পলিটিকেল চাইন্সৰ প্ৰথম শ্ৰেণী পাইছিল তেওঁক নিযুক্তি নিদি কোনোমতে নৰ্মচ থকা আন এজনক নিযুক্তি দিয়া হল। প্ৰথম শ্ৰেণীৰ জন এচ. টিৰ লৰা আছিল। তেওঁৰ নাম আছিল বিমল বসুমতাৰী। তেওঁক বঞ্চিত কৰা হল। এই বিলাক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে। আজি মেৰিটক দিচঅনাৰ কৰা হৈছে। এইটো হব নালাগে। কিছুমান ৰাজনৈতিক অৱলিগেচন থাকিব পাৰে আমি বুজি পাইছো। কিন্তু এটা কথা ঠিক যে, ৰাজনৈতিক অৱলিগেচনতকৈ আমি মেৰিটক আগত ৰাখিব লাগিব। নহলে মেৰিট থকা জন ৰাজনৈতিক চক্ৰৰ বলি হব। মই চৰকাৰক অনুৰোধ কৰিছো যে, মেৰিটক আগত ৰাখি ৰাজনৈতিক অৱলিগেচনক পিচলৈ আনিব লাগে। তেনেহলে প্ৰতিক্ৰিয়া বিলাক কমি যাব। তেতিয়া চৰকাৰে কব পাৰিব যে, আমি আগৰ ভুল বিলাক কৰা নাই। এইখিনিকে কৈ মই মোৰ বক্তব্য সামৰিলো।

**Mr. Chairman** : Now Hon'ble Member Smti. Pranati Phukan to speak.

***শ্ৰীমতী প্ৰনতি ফুকন** : মাননীয় সভাপতি মহোদয়, আমাৰ দলে শিক্ষা বিভাগলৈ অনা ভৰ্ৎসনা প্ৰস্তাৱ সমৰ্থন কৰি মই দুষাৰ কবলৈ বিছাৰিছো। সভাপতি মহোদয়, বৰ্তমান চৰকাৰৰ শিক্ষাৰ মূল বিষয়া জন হল শিক্ষামন্ত্ৰী শ্ৰীথ নেশ্বৰ বড়ো ডাওৰীয়া। তেওঁখেতে এসময়ত শিক্ষকতা কৰিছিল আৰু এতিয়া

শিক্ষামন্ত্ৰী হৈছে। অসমৰ ৰাইজকে আদি কৰি বুদ্ধিজীবিসকল, শিক্ষকসকল আৰু চিন্তাবিদ সকলে বহুত আশা কৰিছিল বৰ্ত্তমানৰ শিক্ষামন্ত্ৰীজনৰ পৰা। কিন্তু ৰাইজৰ সকলো আশাৰ ওপৰত চেচাপানী ঢালিলে। তেখেতে নিৰ্দ্দিষ্ট নীতি গ্ৰহণ কৰা হলে।ৰাজ্যখনত আজিৰ এই অৱস্থাৰ সৃষ্টি নহলহেতেন। আজি কৰ্মচাৰী সকলক লৈ, শিক্ষক সকলক লৈ নানা সমস্যাৰ সৃষ্টি হৈছে। আজি আমি অতি দুখেৰে ভৎসনা প্ৰস্তাৱ আনিবলগীয়া হৈছে। আজি মেট্ৰিক পৰীক্ষা পিচুৱাব লগা হল। এনেধৰণৰ ঘটনা আমাৰ ৰাজ্যত কোনোদিনেই হোৱা নাছিল। শিক্ষক সকলক দৰমহা দিম বুলি কৈ পৰীক্ষা পাতিবলৈ বাধ্য কৰা হল। এতিয়া গম পাইছো যে, তেওঁলোকে দৰমহা এতিয়াও পোৱা নাই। ৰাইজক প্ৰতাৰণা কৰা নীতি শিক্ষা মন্ত্ৰীয়ে কিয় গ্ৰহণ কৰিবলগা হল ? মাননীয় সদস্য শ্ৰীযতীন মালীদেৱ যেতিয়া শিক্ষামন্ত্ৰী আছিল তেখেতে কৈছিল যে, প্ৰি-প্ৰাইমাৰী স্কুলৰ মাতৃসন্থাক প্ৰাইমাৰী স্কুলৰ লগত সংলগ্ন কৰা হব। এতিয়া সেইবিলাক স্কুলৰ পৰা এটা ক্লাচ আনি প্ৰাইমাৰী স্কুলত সংলগ্ন কৰা হৈছে। যদিহে চৰকাৰে স্পষ্ট নীতি লৈছে তেনেহলে সেই নীতি সমূহীয়া ভাবে ঘোষণা কৰিব নোৱাৰে কিয় ? ইয়াৰ অন্তৰালয়ত কি আছে ? সভাপতি মহোদয়, শিক্ষা জগতক আমি প্ৰত্যেকেই শ্ৰদ্ধা কৰো। শিক্ষা বিষয়ৰ ওপৰত ভৎ´সনা প্ৰস্তাৱ অনাটো এটা দোষনীয় কথা। শিক্ষা নহলে সমাজত আমি জীয়াই থাকিব নোৱাৰো। মাননীয় সদস্য গিৰীণ বৰুৱা দেৱে কৈছে আগৰ চৰকাৰে অনিয়ম কৰি নিযুক্তি দিয়াৰ বাৱে আজিৰ চৰকাৰে ভুগিব লগা হৈছে। মই স্পষ্ট কৰি দিব বিচাৰো যে, চৰকাৰে নিযুক্তি দিছিল তাৰ বাবে শিক্ষক সকল দায়ী নহয়। দায়ী হৈছে বিষয়া সকল। কিয় তেওঁলোকে নিযুক্তি দিছিল ? পোষ্ট নথকা স্বত্বেও কিয় নিযুক্তি দিছিল আৰু চৰকাৰে কিয় ব্যৱস্থা কৰা নাছিল ? আজি দুৰ্নীতি হৈছে। যিসকলে দুৰ্নীতি কৰিছে স্পষ্টভাৱে প্ৰমান হৈছে। সেইসকলৰ ওপৰত কোনো ব্যৱস্থা লব পৰা নাই। নিশ্চয় মন্ত্ৰী বা উচ্চ বিষয়াৰ দুৰ্ব্বলতা আছে।

সভাপতি মহোদয়, শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে কৈছিল যে প্ৰত্যেকখন প্ৰাথমিক, মাধ্যমিক, উচ্চ মাধ্যমিক স্কুলৰ শিক্ষক সকলৰ অবসৰৰ পিচত নিয়মীয়া ভাবে পেঞ্চন দিয়া হব। কিন্তু অতি দুখৰ কথা যে এই স্কুল সমূহৰ অৱসৰ প্ৰাপ্ত এজনো শিক্ষকে পেঞ্চন নোপোৱাৰ ফলত তেওঁলোকে কি ধৰণে পৰিয়াল চলাব লগা হৈছে সেইটো বৰ্ননা কৰিব নোৱাৰি। আমি এনেকুৱা এখন সমাজৰ

পৰা আহিছো যে আমাৰ কোনো মানুহেই চহকী নহয়। আমি সকলোৰে সেই একেটা শ্ৰেণীৰ মানুহ বুলি মই ভাবো। মন্ত্ৰী মহোদয়ে এবাৰ ঘোষনা কৰিছিল যে প্ৰত্যেকখন মহকুমাতে একোখনকৈ বি. এড কলেজ, একোটাকৈ বি, টি, চি, প্ৰত্যেকখন জিলাতে একোখনকৈ ডায়েট স্থাপন কৰা হব আৰু বাধ্যতা মূলক শিক্ষাৰ কাৰণে সকলোকে সুবিধা দিয়া হব। সেই উদ্দেশ্য সচাকৈয়ে অতি মহান আছিল। কিন্তু তাৰ কাৰণে যিবোৰ নীতি গ্ৰহণ কৰা হৈছে সেই নীতি-নিয়মবোৰ মুকলি ভাবে প্ৰচাৰ কৰা হোৱা নাই। তাৰ ফলত আমাৰ উঠি অহা লৰা-ছোৱালীসকল কি ধৰণে উপকৃত হব সেইটো কোনেও বুজি নোপোৱা সাথৰ হৈ আছে।

সভাপতি মহোদয়, আজি শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত যিবোৰ নীতি প্ৰচলিত হৈ আছে সেই ক্ষেত্ৰত আমাৰ শিক্ষা জগতখনক আমি কলৈ লৈ গৈছো সেইটো চিন্তা কৰিব লগীয়া হৈছে। আমাৰ মাননীয় সদস্য অৰ্দ্ধেন্দু দে ডাঙৰীযাই এই বিষয়ত এটা কথা কৈছে যে প্ৰথম বিভাগত পাছ কৰা লৰা-ছোৱালীক বঞ্চিত কৰি তৃতীয় বিভাগত পাছ কৰা লৰা ছোৱালীক শিক্ষকৰ চাকৰিত নিযুক্তি দিয়া হৈছে। আজি আমাৰ শিক্ষা ব্যৱস্থাটো ইমান নিম্নমুখী হৈছে যে তাৰ ওপৰত ভৰষা কৰিব নোৱাৰি গাৱে ভূঞেঁও ইংৰাজী মাধ্যমৰ স্কুলে গা কৰি উঠিছে। আমি অসমীয়া মাধ্যমৰ স্কুলত গুৰুত্ব দিব লাগিছিল কিন্তু তাৰ ঠাইত ইংৰাজী মাধ্যমৰ স্কুল স্থাপিত হৈছে। তাৰ বাহিৰেও আন এটা গুৰুত্ব পূৰ্ণ বিষয় হৈছে যে মহকুমা ভিত্তিত যিবিলাক শিক্ষক বাচনি ব'ৰ্ড কৰি দিয়া হৈছে তাত যিবিলাকত বিধায়ক নাই তাত এনেকুৱা মানুহকো মেম্বাৰ বা প্ৰেচিডেণ্ট কৰি দিয়া হৈছে যিজনে মেট্ৰিক পাছ কৰা নাই। এনে ধৰণৰ মেম্বাৰ বা প্ৰেচিডেণ্ট সকলে যেতিয়া বি, এ, বি, এচ, চি পাছ কৰা লৰা ছোৱালীৰ বাচনি পৰীক্ষা লয় তেতিয়া নামটো আৰু দুই এটা কথা সুধি পঠিয়াই দিয়ে। অন্য কথা সুধিবলৈ তেওঁৰ নিজৰে শিক্ষাগত অৰ্হতা নাই। গতিকে এনে ধৰণৰ বাচনি পৰীক্ষাত অৱতীৰ্ণ হোৱা লৰা ছোৱালীয়ে পৰীক্ষা দি আহি হাঁহে। গতিকে চৰকাৰে এই কাম বিলাক কৰোতে সকলো কথা ভালদৰে চোৱা চিতা কৰা উচিত। আন এটা কথা হ'ল— স্কুল পৰিদৰ্শক সকলে যি স্কুল পৰিদৰ্শন কৰে তাৰ ৰিপৰ্ট দাখিল কৰে নে নকৰে। মন্ত্ৰী মহোদয়ে এটা কথা কৈছিল যে এজন পৰিদৰ্শকে এমাহত ২০ খন স্কুল পৰিদৰ্শন কৰিব লাগে। কিন্তু তেওঁ ২০ খন স্কুল পৰিদৰ্শন কৰি ৰিপৰ্ট দাখিল কৰিছে নে নাই সেইটো চাব লাগে।

এইখিনিকে কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

**Shri Pulakesh Barua, Chairman :** Now Hon'ble Member Shri Pradyut Bordoli. :—

***শ্ৰীপ্ৰদ্যুত বৰদলৈ :** মাননীয় সভাপতি মহোদয়, শিক্ষা বিভাগৰ বিৰুদ্ধে আজি যি ভৎ'সনা প্ৰস্তাৱ অনা হৈছে তাৰ সপক্ষে মই দুষাৰমান কথা কব খুজিছো। শিক্ষা বিভাগত যিটো অবক্ষয় হৈছে সেইটো ভালেমান কাৰণত আৰম্ভ হৈছে। মই এই সদনৰ প্ৰত্যেকজন বিবেকমান আৰু দায়িত্বশীল মাননীয় সদস্যক এই কথাটো কব খুজিছো যে আজি আমি ইটো দলে সিটো দলক দোষ জাপি দি কোনো লাভ নাই। এই ভুল আগতেও হৈছে আৰু এতিয়াও হৈছে। শিক্ষা বিভাগৰ অবক্ষয়ৰ কাৰণে আমাৰ দলো দায়ী আৰু এ জি. পি দলো দায়ী, কিয়নো ১৯৮৫-৯০ চনৰ ভিতৰত এই দলেই চৰকাৰ চলাইছিল আৰু তাৰ পিচত ১৯৯৪ চনৰ পৰা এতিয়ালৈ এই দলেই চৰকাৰ চলাইছে। এইসময়বোৰত চৰকাৰে এই বিভাগটোত যি ধৰণে গুৰুত্ব দিব লাগিছিল তেনে ধৰণে গুৰুত্ব নিদিয়াৰ বাবেই এই অবক্ষয়ৰ মাত্ৰা দিনক দিনে বৃদ্ধি হৈ আহিছে। ইয়াৰ কাৰণে আমি সকলোৱে দায়িত্ব লব লাগিব। এই ক্ষেত্ৰত মই এটা কথা কব খুজিছো যে শিক্ষা বিভাগটো ইমান এটা গুৰুত্বপূৰ্ণ বিভাগ যিটো বিভাগৰ সমস্যা সমূহ দূৰ কৰিবলৈ হলে আমি শিক্ষক নিযুক্তিকে ধৰি এই বিভাগত যিবোৰ কেৰোণ আছে সেইবোৰ সংশোধন কৰিব লাগিব। মই আজি কংগ্ৰেছ দলৰ এজন সদস্য হিচাবে কব খুজিছো যে কংগ্ৰেছ দলটো বুঢ়া লুইতৰ দৰে। এই লুইতে তীব্ৰতৰ পৰা সচ্চল পানী কঢ়িয়াই অনাৰ লগতে বহুতো বোকা পানীও কঢ়িয়াই আনিব লগা হৈছে। গতিকে তোমাৰ গাত যি বোকা পানীৰ চতিয়নি পৰিছে সেইটো সংশোধন কৰাৰ কাৰণে আমি চেষ্টা কৰিছো। আমি এইটো কৰিছো, সেইটো কৰিছো বুলি বাহ বাহ লোৱাৰ কথা নহয়। শিক্ষা বিভাগৰ কেৰোণ সমূহ ক'ত সেইবোৰ উলিয়াই কেনেকৈ এই বিভাগটোক পৰিস্কাৰ কৰিব পাৰি তাৰ কাৰণে চেষ্টা কৰিব লাগে আৰু ইয়াৰ দ্বাৰা অসমৰ নতুন পজন্মক কেনেকৈ আগবঢ়াই নিব লাগে তাৰ কাৰণে আমি সকলোৱে আতমা সংশোধন কৰা দৰকাৰ। আজি প্ৰতিটো বিষয়তে এটা কথা কোৱা হৈছে যে কংগ্ৰেছৰ দিনত যধে মধে শিক্ষকক নিযুক্তি দিয়া হৈছে। এ, জি, পিৰ দিনতো শিক্ষক নিধুক্তি দিয়া হৈছে। এতিয়া কথা হৈছে আমি কোনে কি

* Speech not corrected

কৰিলো সেইবোৰ কথা কৈ ইটোৱে সিটো দলক দোষাৰোপ কৰি থাকিলে নহব। আজি আমাৰ ৰাজ্যখনত চাকৰি বাকৰি ক্ষেত্ৰত যিটো সমস্যাই দেখা দিছে সেই ক্ষেত্ৰত শিক্ষিত নিবনুৱা সকল চাকৰি বিচাৰি আহিবই আৰু তেওঁলোকৰ এটা ধাৰনা আছে যে অন্যত নহলেও শিক্ষকৰ চাকৰি এটা পাব। তেওঁলোকে চাকৰি বিচাৰি অহাটো দোষণীয় নহয়। কিন্তু যিসকল বিষয়াই নিজৰ স্বাৰ্থ পূৰণ কৰাৰ অৰ্থে যধে মধে চাকৰি দিলে তেওঁলে ককহে এই ক্ষেত্ৰত জগৰীয়া কৰিব লাগে। শিক্ষা বিভাগটোক আজি যিসকলে চাকৰিৰ কাৰখানা বুলি ভাবিছে সেই ভাব আমি আতৰাব লাগিব।

সভাপতি মহোদয়, আটাইতকৈ দুখৰ কথা হৈছে যে আজি আমি বুনিয়াদী শিক্ষা বুলি যিটো কথা কওঁ সেইটো একেবাৰে ধ্বংস কৰা হৈছে। স্কুলৰ শিক্ষক সকলক মেৰিট বেচিচত চাকৰি দিয়া হব বুলি কোৱা হৈছিল। কিন্তু সেই মেৰিট আজি টকাৰেহে জোখা হৈছে। যিয়ে বেছি টকা দিব পাৰে তেওঁকে চাকৰি দিয়া হৈছে। তেওঁ হয়তো কেইবাবাৰো পৰীক্ষা দিহে মেট্ৰিক পাছ কৰিছিল। অথচ মেৰিটিয়াচ লৰা ছোৱালীয়ে চাকৰি পোৱা নাই। এনে ধৰণৰ নিযুক্তিত দুটা কথা নিহিত হৈ আছে। প্ৰথমটো হ'ল— যি সকলে টকা দি চাকৰি লৈছে তেওঁলোকৰ লক্ষ্য হৈছে কেনেকৈ সুদে মূলে টকাখিনি আদায় কৰিব পাৰে। দ্বিতীয়টো হৈছে— যিজন ব্যক্তিক শিক্ষকৰ চাকৰিত নিযুক্তি দিয়া হৈছে তেওঁৰ শিক্ষক হোৱাৰ যোগ্যতা নাই। কিন্তু তেওঁ টকাৰ বলত চাকৰি পাইছে। তেওঁ শিক্ষক হৈ লৰা-ছোৱালীক কি শিক্ষা দিব সেইটো চিন্তা কৰিবলগীয়া বিষয়।

সভাপতি মহোদয়, আমাৰ বুনিয়াদী শিক্ষাত গুৰুত্ব দিব লাগে। মই এটা কথা কব পাৰো যে কংগ্ৰেছৰ যি দিছে তেতিয়া নিজৰ অনিয়ম হৈছিল, মোৰ এইটো কবলৈ সৎ সাহস আছে। সেই কাৰণে ১৯৯৬ চনত ৰাইজে কংগ্ৰেছক প্ৰত্যাখ্যান কৰিছিল। আমি দলীয় পৰ্য্যালোচনা কৰিছিলো। তাত এটা কথা ওলাইছিল সেই কাৰণে আমাক ৰাইজে প্ৰত্যাখ্যান কৰিছে। আমি ভুল কৰিছিলো, সেইটো আপোনালোকে কিয় কৰিব। এইটো ধোৱা তুলসীৰ পাত কোনো নিয়মত নাই। শিক্ষা ব্যৱস্থাত কেৰোণ আছে, সেই কেৰোণ কেনেকৈ আতৰাব পাৰি চেষ্টা কৰিব লাগিব। শিক্ষা বিভাগৰ সমাজৰ মাজত বুনিয়াদ আমি দিছো, ৰাইজৰ নিৰ্দ্দেশত আমি এই কেৰোণ বিলাক গুধৰাম। আজি

* Speech not corrected

শিক্ষা বিভাগত যি ভৰ্ৎসনা প্ৰস্তাৱ অনা হৈছে তাক আপোনালোকে সমৰ্থন দিব বুলি আশা ৰাখি মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

Mr. Chairman : Now Hon'ble Minister Shri Thaneswar Boro to reply :—

*শ্ৰীথানেশ্বৰ বড়ো, (শিক্ষা মন্ত্ৰী), মাননীয় সভাপতি মহোদয়, আৰু মাননীয় সদস্য সকল, এই বিষয়ৰ উত্তৰ গতানুগতিক ভাবে নহয়, কাৰণ ভৰ্ৎসনা প্ৰস্তাৱৰ যোগেদি শিক্ষা বিভাগ আৰু মন্ত্ৰীক ভুল ব্যাখ্যা দিব খুজিছে। গতিকে উত্তৰ গতানুগতিক নহয়, যিসকলে বিচাৰিছে তাৰ উত্তৰ দিম বুলি ভাবিছে, মই ভাবিছো আধা ঘণ্টাতকৈ বেছি সময় লব।

সভাপতি মহোদয়, বিৰোধী দলৰ দলপতি মাননীয় শ্ৰীচিল্‌ভিউচ কন্দপান ডাঙৰীয়াই তিনিটা বিষয় ভৰ্ৎসনা প্ৰস্তাৱত আনিছে। শিক্ষা বিভাগৰ কথা, প্ৰশাসনৰ কথা আৰু দুৰ্নীতিৰ কথা দুৰ্নীতি শিপাইছে আৰু সেয়ে এই শিক্ষা বিভাগত অনাস্থা আনিছে। এই তিনিটা বিষয় এষ্টাব্লিচ কৰিবৰ কাৰণে বিৰোধী পক্ষৰ আঠ জন সদস্যাই এই প্ৰস্তাৱত ভাগ লৈছে আৰু এজন শাসক দলৰ পৰা প্ৰস্তাৱ উত্থাপন কৰিছে। মাননীয় সদস্য শ্ৰীশৰৎ বৰকটকী ডাঙৰীয়াই পোষ্টৰ কথা উল্লেখ কৰিছে। তেখেতে শিক্ষা বিভাগত আছিল, সেই কাৰণে পোষ্টৰ কথাবিলাক উত্থাপন কৰিছে।

সভাপতি মহোদয়, বিৰোধী পক্ষই চৰকাৰক ক্ৰিটিচাইজ কৰিব লাগে, আৰু লগতে পৰামৰ্শ দিব লাগে। Sarat Borkataki said on the three points which are as follows :— 1. There is no administration in Education Department. 2. Corruption has engulfed the entire Dept. and 3. People have no faith and confidence in Education Department, The main function of the opposition members is to criticise the defects of the Govt. and to suggest the remedial measures. If they failed to do so, they will fail in performing their duties. সেই কাৰণে কিছু পৰামৰ্শ দিছে, মই ভাল পাইছো। আগৰ চৰকাৰৰ দিনত আচলতে ইমান বিলাক পোষ্ট ক্ৰিয়েট কৰিব নালাগিছিল। পাচ বছৰৰ ভিতৰত ৫০ হেজাৰ শিক্ষকক নিযুক্তি দিয়াটো ভুল হৈছে। এতিয়া মনোহৰম কমিটিৰ তথ্যমতে

* Speech not corrected

Irregular appointments more then 15000 posts of teachers. আচলতে ইৰেগুলাৰ ১৫ হেজাৰ সাত শ আছে। চিলেক্চন হোৱা নাই, ইণ্টাৰভিউ লোৱা নাই, এক্সটেনচন এড্হক হিচাবে আছে। নতুন নিযুক্তি হোৱা নাই। আমাৰ চৰকাৰে ৰেগুলাৰ কৰাৰ কাৰণে সিদ্ধান্ত লৈছে। তাত কেনেকুৱা ধৰণে লৈছিল স্ক্ৰিনিং কৰি চোৱা হৈছে। ৫০ হেজাৰ নিযুক্তি দিয়া দেখা যায়। টেমপোৰাৰী নিযুক্তি, লিভ ভেকেনচি আদি দিয়া হৈছে যাৰ ফলত শিক্ষকক দৰ্মহা দিয়াটো অসন্তব হৈছে। সেই কাৰণে আমি সেই ব্যৱস্থা বিলাক ইৰেগুলাৰ বিলাক ৰেগুলাৰ কৰাৰ কাৰণে চেষ্টা কৰিছো। মনোহৰম কমিটিৰ যোৱা প্ৰশ্নৰ উত্তৰ দিয়া হৈছে। প্ৰিন্সিপাল আৰু ভাইচ-প্ৰিন্সিপাল নিযুক্তি দিয়াৰ কাৰণ হৈছে হাইকোৰ্টে এই ক্ষেত্ৰত বাধা দিছে। চাৰ্কুলাৰ ৰুল ইপ্লিমেণ্ট নকৰাৰ কাৰণে মাষ্টাৰ ডিগ্ৰী নহলে একচেপ্ত কৰিব নোখোজে বিশেষ লক্ষ্য কৰিবলগীয়া কথা হৈছে হেড্মাষ্টাৰৰ ঠাইত এচিচটেণ্ট হেড্মাষ্টাৰ কিছুমান হৈছে, তেওঁলোকক নিযুক্তি দিব লাগে। টেমপোৰাৰী. লিভ ভেকেনচি, ওৱেজ এণ্ড মিনচ ভকেশ্বনেল টিচাৰ্চ আদিৰ ৰিটেনচন আৰু ৰেগুলাৰাইজৰ প্ৰচেচিং চলি আছে। হাইস্কুল, মাদ্ৰাছা, এম, ই, আৰু ভেনচাৰ স্কুল লোৱাৰ কথা চিন্তা কৰা হৈছে। এল, পি, স্কুল অতি কমেও ১২শ মান হব, প্ৰায় ডেৰ হাজাৰৰ কথা ভাবিছো। নতুন পে-স্কেল হোৱাৰ কাৰণে ফাইনেনচিয়েল ইন-ৰলমেণ্ট আছে, সেই কাৰণে পাৰমিশ্বন আৰু ৰেগুলাৰাইজেশ্বন দিব পৰা নাই। হায়াৰচেকেণ্ডাৰীৰ চেয়াৰম্যান হব মিনিষ্টাৰ, হাইস্কুলৰ চেয়াৰম্যান হব চেক্ৰেটাৰী এডুকেশ্বন। পাৰমিশ্বন, ৰিকোগনাইজ দিয়া হৈছে, পাৰমিশ্বনৰ ক্ষেত্ৰত নিৰ্দ্ধেশ দিয়া হৈছে। এই ব্যৱস্থা লোৱা হব।

মাননীয় সভাপতি মহোদয়, স্কুল এমালগেমেচনৰ কথা কৈছো। এমাল-গেমেচনৰ কথাটো ঘোষণা কৰিছো। চাৰ্কুলাৰ দিবৰ কাৰণে ড্ৰাফট দিবলৈ কৈছো। এম, ই, এম, ই, মাদ্ৰাচা একেটা চৌহদতে থাকিলে এমালগেমেচন নহলে দুটা কমিটি থাকিব লাগে। ৰাইজে দাবী কৰিলে এমালগেমেচন কৰিব পাৰি। তাৰ কাৰণে প্ৰভিজন কৰা হৈছে। এতিয়া ফ্ৰি টেক্স বুকৰ প্ৰবলেমৰ কথাটো অনুভব কৰিছো। তৃথীয়া বাজ্যখনৰ কাৰণে বছৰি বছৰি ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বাঢ়িছে, কাগজৰ দামো বাঢ়িছে। টেক্স বুক কৰ্পোৰেচনৰ কৰ্মচাৰীৰ সংখ্যাও বাঢ়িচে : এই আটাইবিলাক মেইনটেন কৰিব পৰাটো সম্ভৱপৰ নহয়। কনচিডাৰেবলি চাব পাৰি নেকি চাইছো। যিমান লাগে দিব পৰা নাযায়।

দুখীয়া লৰা ছোৱালীক ফ্রি কিতাপ দিব পাৰিনেকি চেষ্টা কৰা হৈছে। যিসকলে কিনিব পাৰে সেই সকলক নালাগে। সেই কাৰণে যিবিলাকক দিবলগীয়া সেইবিলাক আইডেণ্টিফাই কৰিব লাগিব। ইংৰাজী শিক্ষাৰ ক্ষেত্ৰত কমিটি গঠন কৰি দিয়া হৈছে। এতিয়ালৈ হোৱা নাই। ইয়াত কিছুমান পলিটিকেল উইলৰ প্ৰয়োজন আছে। কৰেল এৰিয়া বিলাকত প্ৰাইমাৰী স্কুলৰ শিক্ষকৰ সংখ্যা কমিছে। আৰবান এৰিয়ালৈ আহিব বিচাৰে। কাৰণ তাত লৰা-ছোৱালীক ইংৰাজী স্কুলত শিক্ষা দিব পাৰিব। য'ত চাৰিআলীৰ চ'ক আছে, দোকান পোহাৰ হৈছে তাতো এখন ইংৰাজী মাধ্যমৰ বিদ্যালয় গঢ়ি উঠিচে। সেই কাৰণে ৰুৰেল এৰিয়াত শিক্ষক কমিচে। ইংৰাজী বিষয়টো দিছে যদিও সেইটো কম্পালচোৰী নহয়। এডিচনেল বিষয়হে। সকলো চেটিচফাই হোৱাৰ কাৰণে সিদ্ধান্ত লোৱা হৈছিল। এই কিতাপ মাৰ্কেটৰ দামতকৈ আধা দামত দিয়া হৈছে। ৩ খন কিতাপৰ দাম ৩১ টকা লাগে। এনেকুৱাকৈ নগালেণ্ড, চিকিমতো চলিছে। গোটেই এন, ই, ৰিজনতে এনেকুৱা হৈছে। টেক্স বুক বিলাক বিভিন্ন মিডিয়ামৰ আছে। বিভিন্ন মিডিয়ামৰ কিতাপ চপাবলৈ খৰচ বেছি হয়। এৰ পৰা জেদলৈ ২৬টা আখৰ থিকে আছে। ইংৰাজী পঢ়িব লাগিলে ঘৰুৱা শিক্ষকৰ প্ৰয়োজন হয়। ঘৰুৱা শিক্ষকৰ যাতে বাৰ্ডেণ নহয় তাৰ কাৰণে এই ব্যৱস্থা লোৱা হৈছে। আমাৰ ৪টা মিডিয়াম আছে— বাভা, অসমীয়া, বেঙ্গলী আৰু দেৱনাগৰী। সেই কাৰণে উচ্চাৰণ বিলাক দিয়া হৈছে। সেইবিলাক গোটাই দিলে কাৰো সমস্যা নাথাকিব। ইয়াত বাক্য নাই। এৰ পৰা জেদলৈ আখৰ চিনাক্তকৰণ আৰু চাউণ্ডৰ কাৰণে দিয়া হৈছে। ইয়াত পলিটিকেল মটিভেচন আৰু কমাৰ্চিয়েল মটিভেচন আছে। যিখন ফাৰ্মে বিচাৰিছিল সেইখনে নাপালে। ৰুৰেল এৰিয়াত মেনেজ কৰিব নোৱাৰিলে। আৰবান এৰিয়াত মেনেজ কৰিছে। মই বাতৰি কাকতত কাউন্টাৰ দিছিউ। ফনিটিকচ সম্পৰ্কত কৈছো— সংস্কৃত এলফাবেটৰ ফনিটিকচ চিষ্টেম কৰা হৈছে। এই সম্পৰ্কত মোৰ জ্ঞান আছে। অসম আৰু ভাৰতবৰ্ষত ভেষ্টাৰ্ণত উচ্চাৰণ কৰে। কিছুমানে ওৱেষ্টাৰ্ণ ষ্টাইলত উচ্চাৰণ কৰে। ইংৰাজীত ৫টা ভাৱেল আছে আৰু ২টা চেমি ভাৱেল্স আছে। মুঠতে ৪৪টা চাউণ্ড আছে। এ, কেতিয়াবা অ, কেতিয়াবা আ হয়। কিছুমান চাইলেণ্ট আছে। সেই কাৰণে ইংৰাজীত চাউণ্ড কাৰেক্টলি কয় বুলি মই সমৰ্থন নকৰো। বড়োৰ ওৰ প্ৰথম চাউণ্ড নাই 'ধ'ৰ নাই 'ভ'ৰ আছে। কোকৰাঝাৰৰ ইন্টেৰীয়ৰ এৰিয়াত কয় আফোনালোকে

এইটো খাম খৰিব ফাৰিব নেকি। 'কে' টোক 'খে' কয়। আপোনালোকে তেওঁলোকক ভোদা কচাৰী বুলি কব নেকি। জোনাইৰ মানুহেও কাৰেক্টলি কব পাৰিব সম্ভবপৰ নহয়। 'খ' টো 'ক' উচ্চাৰণ কৰে। কাৰ্বি সকলেও 'গ' উচ্চাৰণ নহয়। অসমত চাউণ্ড কোনেও শুদ্ধভাৱে উচ্চাৰণ কৰিব নোৱাৰে। সেই কাৰণে চাউণ্ড চিষ্টেম কৰা হৈছে। আপোনালোকে উচ্চাৰণৰ কথা কৈছে। ইয়াত মেঙ্গো আছে, কিছুমানে ম্যাঙ্গ কয়। আহৰণটো ভুল হোৱা বুলি কৈছে। আয়ন হব লাগিছিল বুলি কৈছে।

মাননীয় সভাপতি মহোদয়, আমি দেখিছো আইৰণ শব্দটো। ইয়াত আইৰণৰ ৰ আখৰটো উচ্চাৰণ নকৰি কিছমানে আইআন বলি কয়। কিছুমানে ষ্টাইলত এইটো কৰলৈ বিচাৰে। আমি লৰা-ছোৱালীক এই 'ৰ'ৰ উচ্চাৰণটো শিকাব লাগে। ডাঙৰ হলে 'ৰ'ৰ উচ্চাৰণ নকৰাটো বেলেগ কথা। মংকি শব্দটোটো দেখা যায় কিছুমানৰ উচ্চাৰণ মাংকি হয়। এই অসুবিধাৰ কাৰণে বহু বিলাক ডিফেক্ট হৈছে। এইবিলাক যাতে শুদ্ধকৈ কৰা হয় তাৰ বাবে ব্যৱস্থা লোৱা হৈছে। শিক্ষক সকলক এই বিলাক কৰিবলৈ দিয়া হৈছে। ৬০ হেজাৰ শিক্ষক আছে। তেওঁলোক এই বিলাক কৰিবলৈ গাত লৈছে। কাৰণ বৰ্তমান ট্ৰেনিংৰ খৰচটো লোৱা নাই। অসমত কেইবাটাও ভাষা আছে। হিন্দী আছে, বেংগলী আছে। সেইবিলাকৰ চাউণ্ডৰ ওপৰত ভাবি চিন্তি এই বিলাক কৰা হৈছে। এই বিলাক কাৰোবাতে কিছুয বেযা বলি কৈছে। প্ৰেচ যেনে ধৰণে লিখিছে তেনে ধৰণৰ নহয়। লাখ লাখ টকা লেন-দেন হোৱাটো মিছা কথা। কথা হৈছে ইংৰাজীৰ প্ৰয়োজন আছে। উদ্দেশ্যটো চৰকাৰৰ সৎ। অসমৰ লৰা-ছোৱালী নাহিবলৈ যাতৰ কাৰণে এডভান্স কৰিব লাগে। আমাৰ কথা হৈছে যেনে ধৰণে কথা বিলাক উচ্চাৰণ হব লাগে তেনে ধৰণে নহয়। এই টেক্স বুক বিলাক ভাল হৈছে বলি আমি ভাবিছো। যিসকলে আপত্তি কৰিছে তেখেত সকলকলৈ কমিটি গঠন কৰি দিয়া হব। চৰকাৰে নিশ্চয় তেখেত সকলৰ পৰামৰ্শ গ্ৰহণ কৰিব।

মাননীয় সভাপতি মহোদয়, শিক্ষক নিযুক্তিৰ সম্পৰ্কে চিলেকচন বৰ্ড গঠন কৰিবলৈ ওলাইছো। নিযুক্তিৰ প্ৰক্ৰিয়া আৰম্ভ কৰা হব। বিতেনচন পোষ্ট লোৱা হব। জুনিয়ৰ কলেজ লোৱা হব। ডেফিচিতৰ ক্ষেত্ৰত মেনেজিং কমিটিৰ কনটাদিকচন থাকে। প্ৰভিনচিয়েলাইজৰ পিচত দেফিচিতৰ কথা আহিব। মাননীয় সদস্য বৰকাকতী ডাঙৰীয়াই ইয়াত বহু কথা উত্থাপন কৰিছ তেখেতে

ভালেমান পৰামৰ্শ দিছে। সেই বিলাকৰ উত্তৰ ইয়াতে আছে। মাননীয় সদস্য ভা দে ডাঙৰীয়াই অনাচাৰ অধৰ্ম বুলি কৈছে। কোৱালিভেকেচনৰ কথাটো ইয়াত চাব লগা হয়। অসমত এচেনচিয়েল কোৱালিফিকেচন আৰু ডিজায়াৰেবল কোৱালিফিকেচন বেলেগ বেলেগ বিহাৰত ৰেলেগ। আমাৰ অসমত বি এড ডিগ্ৰীটো কম্পালচৰি নহয়। বি এড অসমত ডিজায়াৰেবল বিহাৰত বি এডটো কম্পালচৰি হয়।

মাননীয় সভাপতি মহোদয়, এতিয়া কটন কলেজৰ। কটন কলেজ পি জিৰ কলেজ নহয়। ইয়াত পি জিৰ ক্লাছহে হয়। ডিফু হাফলঙৰ পৰা টেঞ্চফাৰ কৰিব লাগে যে তেনে নহয়। পি এইচ ডি নহলে পি জি ক্লাচ কৰিব নোৱাৰে। অসম ইঞ্জিনিয়াৰিং কলেজটো শিক্ষক নিযুক্তি দিয়া হৈছে। ছাত্ৰ সন্থাৰ লগত আলোচনা কৰা হৈছে। দেখা গৈছে শিক্ষা বিভাগটোৱেই কলংকিত বিভাগ। অসমত অন্য বিভাগ বিলাক নাই। মাত্ৰ শিক্ষা বিভাগহে আছে, নিয়োগ যেন শিক্ষা বিভাগতেই হৈছে। কেলেংকাৰী বিলাক শিক্ষা বিভাগত দেখা পাইছে। এতিয়া মই আহিছো ডিৰেক্টৰৰ এক্সটেনচনৰ কথাটো। তেখেতক মাত্ৰ ১ মাহৰ কাৰণেহে এক্সটেনচন দিয়া হৈছে। এই ফাইনেন্সিয়েল ইয়াৰটো শেষ হোৱালৈকে। তেখেতক ৰখা হোৱাৰ কাৰণটো হৈছে কিছুমান এডিচনেল পোষ্ট অনাৰ কাৰণে আৰু তেখেতে এক্সটেনচন পোৱাৰ বাবে ৫ হেড'ৰ পোষ্ট আনিব পৰা হল আৰু লগতে ৬শ হিন্দী শিক্ষকৰ পোষ্ট পোৱা গল। আপোনালোকৰ দিনত ওৱৰকিং টিচাৰক দিব পৰা নাছিল। আমাৰ এ, জি, পিৰ দিনত প্ৰায়ে পাইছে। আমাৰ এতিয়া যিবিলাক পোষ্ট অনা হল তেখেতক এক্সটেনচন দিয়াৰ কাৰণে এইটোত যথেষ্ট সহায় হৈছে। এইটো মাত্ৰ এক মাহৰ কাৰণে দিয়া হৈছে। এইটো ধৰি থকাটো এটা আক্ৰোশ মূলক কথা। আজি তেখেতে চৰকাৰক চাৰ্জ দিছে। আমাৰ মাননীয় সদস্য শ্ৰীগিৰিণ বৰুৱা ডাঙৰীয়াই জনেল অফিচ বিলাকৰ কথা কৈছে। টকা পইচাৰ অভাবত এই জনেল অফিচ বিলাক কৰিব পৰা নাই— যোৰহাটত কৰিব পৰা নাই, শিলচৰত কৰিব পৰা নাই। ৫০ শতাংশ মানতে জনেল অফিচ সাজিবলৈ বাকী আছে। স্কুল ইঞ্চপেক্টৰৰ অফিচো প্ৰয়োজন হৈ আছে। মই অতি দুখেৰে সৈতে জনাব বিচাৰিছো যে আমাৰ গুৱাহাটীতে নিজাকৈ স্কুল ইঞ্চপেক্টৰৰ অফিচ নাই, ডি, আই অফিচ নাই আৰু ডিষ্টিক অফিচো নাই। ডি, পি আই স্কুলৰ সন্মুখতে বেচিক ট্ৰেইনিং চেণ্টাৰৰ কাৰণে মাটি আছিল যদিও তাত মাটিটোৰ

খেলি মেলিৰ কাৰণে ৰনাব পৰা নগল। এই বিলাক কাৰণতে শিক্ষা বিভাগত কিছুমান অসুবিধা হৈছে। প্লেন নমপ্লেনিৰ কথাও ইয়াত ওলাইছে। আমি -৩০ হেজাৰ প্লেন পোষ্ট ননপ্লেনলৈ আনিছো। আগতে গোটেই বিলাক প্লেনত ৰখা কাৰণে এতিয়া প্ৰৱলেম হৈছে। আমি যত্ন কৰি আছো শিক্ষা বিভাগটো যাতে ভাল হয় তাৰ ব্যৱস্থা লোৱা হৈছে।

(Shri Pulakesh Barua, Chairman vacated the chair and Mr. Speaker occupied the chair at 7-27 P.M.)

মাননীয় অধ্যক্ষ ডাঙৰীয়া, বিজ্ঞানৰ প্ৰশ্ন কাকতৰ ক্ষেত্ৰত যিসকলে ইংৰাজী অনুসৰণ কৰিছে তেওঁলোকৰ কাৰণে ঠিক আছে। কিন্তু ইংৰাজীৰ পৰা অসমীয়ালৈ অনুবাদ কৰোতে ২১টা আসোঁৱাহ ৰৈ গৈছে। 'সেবাক' এই বিষয়ে জনোৱা হৈছে আৰু অসমীয়া উত্তৰ দিয়া ছাত্ৰ-ছাত্ৰীসকলৰ নম্বৰ দিয়াত কৃপণালি নকৰে বা নম্বৰৰ পৰা বঞ্চিত নহয় সেইটো বোৰ্ডক নিৰ্দ্দেশ দিয়া হৈছে। তেওঁলোকে এইটো ব্যৱস্থা লব। ঘিলামৰাত গন্দগোল হোৱা বাবে তাৰ প্ৰশ্ন কাকত সলাই দিয়া হৈছে আৰু বেলেগকৈ পতা হৈছে।

এচ, আই বা শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত যি পৰামৰ্শ আগবঢ়াইছে এইটো মই চাম। তাৰ পিচত আমাৰ মাননীয় সদস্য হলিৰাম টেৰাং ডাঙৰীয়াই কটন কলেজত 'দিন'ৰ পদ ক্ৰিয়েট কৰাৰ কথা কৈছে। তাত একাটনচ ও হব পাৰে। সেইখন কলেজৰ পৰা ছাত্ৰ-ছাত্ৰীসকল যেতিয়া পাছ কৰে তেতিয়া তেওঁলোকৰ চাৰ্টিফিকেত বিলাকত 'দিন'ৰ চিল-মোহৰ মাৰে। কটন কলেজৰ হেডজন প্ৰিন্সিপাল যদিও প্ৰিন্সিপাল নকৈ 'দিন' বুলি কোৱা হয়। কটন কলেজৰ ষ্টেটাচটো হাই হব লাগিব বুলি মই ভাবো। মই জনাত আগৰ এই বিলাক পোৱা নগল কাৰণে আমি সেই বিষয়ে কমপ্লিট সিদ্ধান্ত লব পৰা নাই। মই জনাত 'ফেকালটি' স্কুলতো হেডজনক 'দিন' বুলি কোৱা হয়।

আমাৰ ধেমাজীৰ মাননীয় সদস্য গৰাকীয়ে কলে যে হাইকোৰ্টত ৩ হেজাৰ কেচ আছে। মই জনাত পশ্চিম বঙ্গত ১০ হেজাৰ কেচ হাইকোৰ্টত আছে। এই বিভাগৰ কেচ কেৱল অসমতে নহয় সকলো ৰাজ্যতে আছে।

হাইস্কুল শিক্ষান্ত পৰীক্ষা পিচুৱাই দিয়াৰ প্ৰসঙ্গত মই কওঁ যে পৰীক্ষা পিচুৱাই দিয়া হোৱা নাই। প্ৰোগ্ৰেমটোহে বিভাইজ কৰা হৈছে। পৰীক্ষা ১২ মাৰ্চত আৰম্ভ কৰি ২৪ মাৰ্চত শেষ কৰিব লাগিছিল। ২৪ মাৰ্চৰ পিচলৈ

যদি পৰীক্ষা পতা হয় তেতিয়াহে পিচুৱাই দিয়া বুলি কোৱা হয়। এইটো কেৱল এদযাণ্টমেণ্ট কৰা বুলিহে কোৱা হৈছে।

হায়াৰ চেকেণ্ডাৰী স্কুলত বাহিৰা মানুহ দিব নালাগে বুলি কৈছে। একা- দিক্রমে হব লাগে বুলি মাননীয় মুখ্য মন্ত্রী মহোদয়ে পৰামৰ্শ দিছে। এতিয়া আৰু যদি হয় কটন কলেজ আৰু হাফলং কলেজত পাহাৰীয়া জনজাতিক অগ্রাধিকাৰ দিয়া নহব বুলি কোৱা হৈছে। শিক্ষাগত অৰ্হতা আৰু প্রমাণ পত্র লগত লৈ অহাটো আমি বিচাৰো। কটন কলেজখন গুৱাহাটী ইউনিভাৰ- চিটিৰ আন্দাৰত। তথাপিও কলেজৰ 'দিন'ৰ লগত যোগাযোগ ৰাখিব পাৰে। ২খন হিল দিষ্ট্রিক্টচ বৰাব ভেলী আৰু ৩খন ব্রহ্মপুত্র ভেলী মুঠ ৫খন ইউ- নিভাৰচিটি অসমত আছে। এই ইউনিভাৰচিটি কেইখনৰ ষ্টাফ কেটেগৰিত কেনেকৈ কি কৰিব পাৰি সেই সম্পৰ্কত চিন্তা চর্চা কৰাৰ প্রয়োজন আছে।

হিমাংশু ৰয় ডাঙৰীয়াই সংস্কৃত পাঠ্যক্রম অন্তর্ভুক্ত কৰিব লাগে বুলি কৈছে। এইটো পিচত সংশোধন কৰা হৈছে। আমি এখন চাৰ্কোলাৰ উলিয়াই দিছো। এই চাৰ্কোলৰখনৰ মতে ব্যৱস্থা লবলৈ কৈছো।

হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ কোৰ্চটো দুটা ভাগত ভগোৱা হৈছে। নৱম শ্রেণীত এবাৰ আৰু দশম শ্রেণীত এবাৰকৈ দুবাৰ বোর্ডক পৰীক্ষা দিব লাগিব। নৱম শ্রেণীৰ কাৰণে ৬০০ নম্বৰৰ প্রশ্ন কাকত থাকিব। ছাত্র-ছাত্রীসকলৰ এবছৰৰ বোজাটো কমি যাব। চেণ্ট্রেল স্কুলৰ দৰে আমাৰ অসমৰ ছাত্র-ছাত্রী সকলো যাতে সমকক্ষ হয় আৰু সৰ্ব্ব ভাৰতীয় বেচিচত হোৱা পৰীক্ষা বিলাক যাতে দিব পাৰে তাৰ কাৰণে এইটো কৰা হৈছে।

কেচ বিলাক হাইকোৰ্টত থকাৰ কাৰণে এমেণ্ডমেণ্ট আনিব পাৰি নেকি এই বিষয়টো অলপ বেলেগকৈ কোৱা হল তাৰ কাৰণে মই ক্ষমা খুজিছো। হাইকোৰ্টত চলি থকা কেচবোৰ নিষ্পত্তি হলে বিশেষ ভাৱে এইটো ৰেগুলা- ৰাইজৰ কাৰণে ব্যৱস্থা লব পৰা যাব।

মাননীয় সদস্য দেৱকান্ত ৰামচিয়াৰী ডাঙৰীয়াই কৰা প্রশ্নৰ উত্তৰত কওঁ যে বি, এচ. চি এলেকাৰ নিযুক্তি বন্ধ কৰা নাই। কিন্তু ৰদলিৰ সংখ্যা বেছি হৈছে। এই কাৰণে য'ৰ পৰা বদলি হৈ যাব তাৰে লোকেল এম, এল, এ আৰু যি ঠাইলৈ যাব সেই ঠাইৰ লোকেল এম, এল, এ অনুমতি থাকিব লাগিব। আমি এনেকুৱা ব্যৱস্থা কৰি দিছো।

ওদালগুৰিৰ কথাটো অৱশ্যে দৃষ্টি গোচৰ হোৱা নাই।

জুনিয়ৰ কলেজবিলাক হাইয়াৰ চেকেণ্ডাৰী লেভেলৰ। সৰুপেটা কলেজত চলি থকা আসোঁৱাহবিলাক দৃষ্টিগোচৰ হৈছে। সেইবিলাক নিশ্চয় চাব পৰা যাব। ইউ জি ছি নৰ্মচৰ ভিতৰত দিব লাগিব। ব্যতিক্ৰম নহব।

মাননীয় অধ্যক্ষ মহোদয়, এইটো দিয়াৰ ব্যৱস্থা কৰি আছো। শিক্ষা-মাতৃ নিযুক্তি দিয়াৰ কথা কৈছে, এইটো দিয়া নাই, কংগ্ৰেছ চৰকাৰৰ দিনত কিছু পোষ্ট দিয়া হৈছিল কিন্তু বাকী বিলাকক দিব নালাগে বুলি কৈছে। তেওঁলোকৰ বেচি ভাগেই ভলোনটেৰী হিচাবে কাম কৰি আছে, কোনোবাই কিবা পইচা দি সহায় কৰে সেইটো বেলেগ কথা কিন্তু তেওঁলোকক ৰেগুলাৰ কৰা কথা ভবা হোৱা নাই। কিয়নো এল, পি স্কুলত কাম কৰিবলৈ হলে মিনিমাম মেট্ৰিকুলেট হব লাগিব। এই বিষয়টো এতিয়া পৰীক্ষা-নিৰীক্ষা কৰি থকা হৈছে। তাৰ পাচত আজি অতিৰিক্ত নিযুক্তি দিয়া হৈছে বুলি যি অভিযোগ আহিছে তেনে ক্ষেত্ৰত যি সকল বিষয়াই এই নিযুক্তি দিছে তেওঁলোকক দোষী সাব্যস্ত কৰিব পাৰিম কিন্তু যেতিয়া কোনো মন্ত্ৰী বা এম. এল, এই কৰিব তেতিয়া কাক দোষাৰোপ কৰিম বা তেতিয়া কি ব্যৱস্থা লোৱা হব? সেইকাৰণেই মই আপোনালোকক জনাইছো। আনকি এনেকুৱা অৱস্থা হৈছেগৈ চুইচাইডো কৰিব লগা হৈছে। একচেচ এপইণ্টমেণ্ট হৈছে এই এপইণ্টমেণ্ট কোনে দিছে যদি বিষয়াই দিছে তেওঁক চাচপেন কৰিব পাৰি কিন্তু যদি মন্ত্ৰী বিধায়কে এই অতিৰিক্ত নিযুক্তি দিয়ে তেতিয়া কি ব্যৱস্থা লোৱা হব. বহু কাগজত এম. এল এ মন্ত্ৰীৰ চহী আছে গতিকে বিষয়াই কব মন্ত্ৰী বিধায়কে লিখি দিছে গতিকে আমি দিবলৈ বাধ্য। শিক্ষক সকলক পেনশান দিয়াৰ কথাটো চাব লাগিব। ১৯৭৫ চনৰ পৰা প্ৰায় ৫২০০০ শিক্ষকৰ চাকৰি ৰেগুলাৰ হোৱা নাই। ১৯৮৪ চনৰ পৰা কৰিমগঞ্জত পাইছো, হাইস্কুল আৰু এল, পি স্কুল যিবিলাক বোৰ্ডৰ নামত আছিল প্ৰাদেশিকৰণ কৰাৰ পাচত শিক্ষক সকলৰ জন্মৰ তাৰিখ আৰু অন্যান্য ৰেকৰ্ড থিকমতে নথকাৰ কাৰণে পেনশান ইত্যাদিত অসুবিধা হৈছে। কেৱল এৰিয়াত ইংৰাজী মাধ্যমৰ স্কুলৰ কাৰণে এখন লিল অনা হৈছে। মাননীয় সদস্য প্ৰদ্যুৎ বৰদলৈ ডাঙৰীয়াই ভুল কৰা হৈছে বুলি কৈছে আৰু ভুলটো স্বীকাৰ কৰিলেহে শুদ্ধ পথটো ওলাই পৰিব। শিক্ষাৰ ক্ষেত্ৰত যিবিলাক ভুল হৈছে সেইবিলাক আজিয়ে হোৱা নহয়, ই গতানুগতিক ভাবে আগৰেপৰাই চলি আছে। অৱশ্যে আমাৰ সময়ত একচেচ এপইণ্টমেণ্ট হোৱা নাই কিন্তু চাকৰি কৰি থাকক বা নাথাকক আমি অসুবিধাৰ সন্মুখীন হবলগীয়া হৈছো।

এইটো বেগুলাৰ কৰিব লাগিব। এই ক্ষেত্ৰত মোৰ আৰু দীঘলীয়া কৰলগা আছিল কিন্তু সময় কম হোৱাৰ কাৰণে চমু কৰিছো। ১৯৯৭ চনত বহু সংখ্যক হাইমাদ্ৰাছা আৰু ১৯৯৮ চনত ১১৭ খন স্কুল বিজাল্টৰ ঘৰত শুণ্য। দেখা যায় এই স্কুলৰ এটাও পাছ কৰিব নোৱাৰিলে। এই ১১৭ খন স্কুলত ২৪ কোটি টকা খৰচ হৈছে কিন্তু ইয়াৰ ৰিজাল্ট শুণ্য, এই বিষয়টো আপোনালোকৰ ওচৰত দাখিল কৰিছো। সেই কাৰণে এনেকুৱা এটা অৱস্থা হৈছেগৈ যে এই বিলাক স্কুল ডি-ৰিকোগনাইজ কৰিব লাগিব। গতিকে এনেধৰণৰ স্কুলবিলাকৰ ওপৰত একশ্যন লব নালাগিব জানো ? স্কুলৰ শিক্ষকসকলে বেচিভাগেই ট্ৰেন্সফাৰ পোষ্টিং ইত্যাদি কামত দিশপুৰলৈ অহা-যোৱা কৰোতেই সময় পাৰ হয় আৰু আন্দোলনৰ পথ লয়। গতিকে এই বিষয়টোৰ ওপৰত বিবেচনা কৰি আপোনালোকক পৰামৰ্শ আগবঢ়াবলৈ বিষয়টো সদনত উত্থাপন কৰিলো। তাৰ বাহিৰেও আগৰ চৰকাৰে যিবিলাক পোষ্ট দিলে আৰু সেই সময়ত পোষ্ট বেচি সৃষ্টি হৈছিল আৰু সেই কাৰণেই ফাইনেন্সিয়েল ষ্টিগনেন্সী হৈ আছে। অৱশ্যে সেই বুলি এতিয়া যে পোষ্ট ক্ৰিয়েট নহব বা কলেজ নহব সেইটো নহয়, লোৱাৰ ব্যৱস্থা কৰিম। গতিকে ভৎসনা প্ৰস্তাৱৰ ওপৰত যিবিলাক প্ৰশ্ন অৱতাৰণা কৰা হৈছে বা মাননীয় সদস্যসকলে যিখিনি কথা কৈছে সেইখিনিৰ যথা-যথ উত্তৰ দিব পাৰিছো বুলি মই ভাবো আৰু আপোনালোকৰ ফালৰ পৰা ভৱিষ্যতে দিহা-পৰামৰ্শ পাম বুলি আশা কৰিছো আৰু আজি সদনত যি ভৎসনা প্ৰস্তাৱ আহিছে সেইটো মাননীয় সদস্য সকলে উঠাই লব বুলি অনুৰোধ জনালোঁ।

Mr. Speaker : Now Hon'ble Member Shri Bharat Chandra Narah :—

* শ্ৰীভৰত চন্দ্ৰ নৰহ : মাননীয় অধ্যক্ষ মহোদয়, কংগ্ৰেছ দলৰ পৰা যি ভৎসনা প্ৰস্তাৱ অনা হৈছে এই প্ৰস্তাৱৰ জৰিয়তে আচলতে কেইটামান পৰামৰ্শ আগবঢ়াৰৰ বাবেহে এই ভৎসনা প্ৰস্তাৱ অনা হৈছে। কিয়নো এই পৰিবহন বিভাগটোৰ কিছুমান ইৰেগুলাৰিটিচ্ আছে। তাৰ আপুনি জানে মই নিজে পৰিবহন বিভাগৰ মন্ত্ৰী আছিলো। কিন্তু মোৰ কাৰ্য্যকাল ৫ বছৰৰ শেষৰ ফালে মাত্ৰ ডেৰবছৰ মানহে আছিল। কিন্তু হাজৰীকা ডাঙৰীয়া একেবাৰে আৰম্ভণীৰ পৰা ই মন্ত্ৰী হৈছে আৰু এতিয়া তেখেতে প্ৰায় ৩ বছৰ কাল অতিবাহিত কৰিলে। পৰিবহন মন্ত্ৰী হাজৰীকা ডাঙৰীয়াক মই ব্যক্তিগত ভাৱেও জানো। তেখেতে আমাৰ এই

* Speech not corrected

প্ৰশ্নৰ উত্তৰ দিওঁতে যাতে আগৰ কংগ্ৰেছ চৰকাৰৰ পৰিবহন মন্ত্ৰী শিৰ শম্ভু ওজাই এইটো কৰিছিল, সেইটো কৰিছিল সেইবিলাক কথা নহয়। কাৰণ আগৰ পৰিবহন মন্ত্ৰী শিৰশম্ভু ওজাতকৈ বৰ্ত্তমানৰ পৰিবহন মন্ত্ৰী বেছি শিক্ষিত আৰু তেখেত তেজাল আৰু তেখেতক অ, গ, পৰ এজন আদৰ্শবান নেতা বুলি জানো। মই তেখেতক অনুৰোধ কৰিব বিচাৰিছো যে ৰাজ্যখনত গাড়ীৰ পাৰ্মিট দিয়াৰ আগতে জনমূৰি অনুসৰি আৰু ট্ৰেফিক মোভমেণ্ট মতে কিমান পাৰ্মিট লাগিব সেইবিলাক চাইচিত্তিহে পাৰ্মিট দিব লাগে। ট্ৰেফিক মোভমেণ্ট আৰু জনমুৰি কিমান লাগে তাৰ কোনো চাৰ্ভে নকৰাকৈয়ে পাৰ্মিট দিয়া হৈছে। আমাৰ ইযাত মানুহে কিমান গাড়ী কিনিব পাৰে তাৰ ওপৰত ভিত্তি কৰিহে পাৰ্মিট দিয়া হয়। কিন্তু কিমান গাড়ী কিনিব লাগে আচলতে বছৰে বছৰে চাৰ্ভে হব লাগে। আচলতে যিমান গাড়ীৰ প্ৰয়োজন হয় সিমান গাড়ীৰহে পাৰ্মিট দিব লাগে। সেই কাৰণে এটা চাৰ্ভেৰ ব্যৱস্থা কৰিলে আমাৰ কাৰণে ভাল হয়। ভাৰতীয় পৰিবহন আইন ১৯৮৮ এইটো অল ইণ্ডিয়া লেভেলত কৰা হ'ল। কিন্তু আমাৰ অসমত ১৯৪০ চনৰ যানবাহন আইন খনেই চলি আছে। এইটো সংশোধন কৰিব লাগে। ভাৰতীয় পৰিবহন আইন ১৯৮৮ৰ ওপৰত ভিত্তি কৰি আমাৰ পৰিবহন আইনখন সংশোধন কৰিব লাগে। মই মাননীয় মন্ত্ৰী মহোদয়ৰ আন এটা কথাৰ দৃষ্টি গোচৰ কৰিব বিচাৰিছো যে কমিচনাৰ অফিচত. ডি, টি, অ অফিচত আৰু চেক গেটত কিছুমান লৰাই নিজে এল, ডি, এ আৰু চেকাৰ বুলি কৈ যোগদান কৰে। যেতিয়া ডি. টি, অ বা এম. ভি, আইয়ে তেওঁলোকক সোধে তেতিয়া তেওঁলোকে মন্ত্ৰীয়ে মৌখিক ভিত্তিত নিযুক্তি দিছে বুলি কয়। এই এল, ডি, এ আৰু চেকাৰ বিলাকে কমিচনাৰ অফিচত আৰু চেকগেটত কিমান পইচা সংগ্ৰহ কৰে তাৰ এটা পাৰ্চেণ্ট তেওঁলোকক লাগে। প্ৰতিটো ডি. টি. অ আৰু এম. ভি আই অফিচত মৌখিক ভাৱে নিযুক্তি দিয়া হৈছে। গতিকে এই কথাটো মই মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো। পৰিবহন বিভাগ হৈছে এটা ৰেভিনিউ আৰ্নিং ডিপাৰ্টমেণ্ট। সেই কাৰণে মই শ্ৰীৰামপুৰ আৰু বক্সিৰহাটৰ কথা কব বিচাৰিছো। শ্ৰীৰামপুৰ আৰু বক্সিৰহাটৰ যি জন ইনচাৰ্জ তেওঁ গুৱাহাটীত থাকে। শ্ৰীৰামপুৰৰ পৰা গুৱাহাটীৰ দূৰত্ব প্ৰায় ৩০০ কিলোমিটাৰ। ৩০০ কিলোমিটাৰ দূৰত থাকিয়েই অফিচ চলাইছে। সেই কাৰণে তাৰ ৰাজহ দৈনিক ১০/১২ লাখ টকাৰ পৰা ৰিভিউচ হৈ ৫/৬ লাখ টকা হৈছে। হানড্ৰেড পাৰ্চেণ্ট ৰিভিনিউ তকৈলৈ কমি

গৈছে। যোৱা ৩ বছৰ আমি দেখি আছো যে শ্ৰীৰামপুৰ আৰু বক্সিৰহাটৰ মাজতেই বদলি হৈ আছে। এইটো আন অফিচিয়েলী হৈ আছে। চৰকাৰৰ এইটো পলিচী নেকি ? এই নিয়মটো কিয় কৰা হৈছে বা চৰকাৰে এইটো কিয় বন্ধ কৰিব পৰা নাই। মই আশা কৰো মাননীয় মন্ত্ৰী মহোদয়ে শ্ৰীৰামপুৰ আৰু বক্সিৰহাটৰ যিটো বদলি 'ইটো সিটো কৰা হৈছে' সেইটো অনতিপলমে বন্ধ কৰিব লাগে। ইয়াৰ উপৰিও আমাৰ ৰাজ্যখনত ৫০০/১০০০খন মালবাহী ট্ৰাক বা যানবাহন কেৰিয়াৰ এজেণ্টক পৰিবহন বিভাগৰ পৰা লাইচেঞ্চ দিয়া হয়। কিন্তু যিবিলাক কেৰিয়াৰ এজেণ্টে লাইচেঞ্চ লব লাগে তেওঁলোকৰ মাত্ৰ শতকৰা ৮০ ভাগ এজেণ্টেই লাইচেঞ্চ লোৱা নাই মাত্ৰ ২০ ভাগ এজেণ্টেহে লাইচেঞ্চ লৈছে। এই কেৰিয়াৰ এজেণ্টসকলৰ ওপৰত চৰকাৰৰ কোনো নিয়ন্ত্ৰন নাই। ইয়াৰ ফলত বহুত টকাৰ ৰাজহ হেৰুৱাবলগীয়া হৈছে। যদি মালবাহী ট্ৰাকৰ কাৰণে কেৰিয়াৰ এজেণ্টৰ লাইচেঞ্চ ইছু কৰিলেহেতেন তেতিয়াহলে বহুত টকাৰ ৰাজহ আহিলহেতেন। সেই কাৰণে যিবিলাক মালবাহী ট্ৰাক আছে সেই ট্ৰাকৰ কেৰিয়াৰ এজেণ্টসকলক এই লাইচেঞ্চ লবলৈ বাধ্য কৰাব লাগে। আনহাতে প্ৰায় ৫০ লাখ টকা খৰচ কৰি স্মোকিং মিটাৰ বা গাড়ীৰ পৰা ওলোৱা ধোৱা নিৰ্গত কৰা মেচিন অসমৰ প্ৰত্যেকতো ডি, টি, অ অফিচত দিয়া হৈছে। কিন্তু ডি, টি, অ অফিছে মিজাৰমেণ্ট কৰা নাই। মিজাৰমেণ্ট নকৰাকৈয়ে পলিউচন কণ্ট্ৰোল চাৰ্টিফিকেট দিয়া হৈছে। কিয় এই টকা খৰচ কৰা হৈছে। ভাৰতবৰ্ষৰ ভিতৰত অসম খনেই পলিউচন ষ্টেট। ইয়াৰ কাৰণো আছে। দিল্লীত যিবিলাক গাড়ী ১৫ বছৰ চলে সেইবিলাক গাড়ী ১৫ বছৰ চলাৰ পিচত নিষিদ্ধ কৰা হয়। কিন্তু সেই গাড়ী বিলাক দিল্লীৰ পৰা অসমত অনা হয় আৰু অসমত চলে। সেই কাৰণে আমাৰ ৰাজ্যখন পলিউটেড ষ্টেট হৈছে।

(Hon'ble Speaker vacated the Chair and Shri Dewakanta Ramchiary occupied the chair.)

প্ৰায় ১৮ কোটি ১৭ লাখ টকা টোটেল খৰচ কৰি ৯৭ খন জাহাজ নিৰ্মাণ কৰিবলৈ দিয়া হৈছিল। ১৯৮৬/৮৭ চনতেই এই জাহাজ নিৰ্মাণ কৰিবলৈ দিয়া হৈছিল। তাৰ ভিতৰত এতিয়ালৈকে মাত্ৰ বিশ খন জাহাজহে জমা দিছে। আৰু ৭৭ খন জাহাজ কোম্পেনীৰ ঠিকাদাৰ সকলে জমা দিয়া নাই। ৯/১০ কোটি টকা ইতিমধ্যে পেমেণ্ট কৰিছেই। যিকেইখন জাহাজ জমা দিছে সেই কেইখনো সময়মতে নিদি ২/৪ বছৰ পাচত জমা দিছে। যিয়েই নহওক কিয়

কংগ্ৰেছৰ দিনতেই হওক বা এ, জি, পিৰ দিনতেই হওক নিৰ্দ্দিষ্ট সময়ত জাহাজ জমা নিদিলে টকাটোৰ ওপৰত শতকৰা ১০ টকাকৈ পেনালিটি দাবি কৰিব লাগিছিল। তেওঁলোকে এতিয়ালৈকে ১৮ লাখমান টকা পেনালিটি ভৰিব লাগিছিল। কিন্তু বিভাগে সেইটো কৰা নাই। পাণ্ডু প্ৰজেক্টত ৬৫ৰ কাৰণে ২৭৭১ টকা পেমেণ্ট কৰা হৈছে। মাত্ৰ আৰু ৬/৭ লাখ টকাহে দিবলৈ বাকী আছে। আজি ভৎ'সনা প্ৰস্তাৱ অসম ৰাজ্যিক পৰিবহন বিভাগটোৰ উদ্দেশ্য, ইয়াৰ মুল দিশটো মই বঙলাই নকও কন্দৰ্প ডাওৰীয়ালৈ ঠেলি দিলো। তেখেতে কব। মই প্ৰস্তাৱটোত বমৰ্থন জনাই মই ব্যক্তব্যৰ সামৰণি মাৰিলো।

Mr. Chairman : Now, Hon'ble Member Kesharam Bora.

*শ্ৰীকেশৰাম বৰা : মাননীয় সভাপতি মহোদয়, আজি সদনত বিৰোধী পক্ষৰ সদস্যসকলে পৰিবহন বিভাগৰ ওপৰত ভৎ'সনা প্ৰস্তাৱ আনিছে। মই তাৰ বিৰোধীতা কৰিছো। আজি ভৎ'সনা প্ৰস্তাৱ গোটেই বিভাগটোৰ ওপৰত আনিছে। সেই হিচাবে এতিয়ালৈ উত্থাপন হোৱা নাই। যদিও পৰিবহন বিভাগৰ বিশেষকৈ মাননীয় সদস্য সকলে আৰু নৰহ ডাঙৰীয়াই প্ৰস্তাৱটোৰ জৰিয়তে পৰিবহন বিভাগৰ দুৰ্নীতি বা তেনে কিবা কথা উপস্থাপন কৰিব বিচাৰিছে। কিন্তু এতিয়ালৈকে কৰা হোৱা নাই। মাননীয় সদস্য গৰাকীয়ে যিখিনি উপদেশ দিছে যদিও সেই পৰামৰ্শ কাৰ্যকৰী কৰা হৈছে। তথাপি আজি তেওঁলোকে নিশ্চয় অসম ৰাজ্যিক পৰিবহন বিভাগটো দুখলগা অৱস্থা হৈছে কৰ্মচাৰীয়ে দৰমহা পোৱা নাই, গাড়ী কমি গৈছে, যি ধৰণে গঠন কৰা হৈছে তেনে হোৱা নাই, বিভাগটোৰ দুখলগা অৱস্থা হৈছে, ইত্যাদি কব বিচাৰিছে। কিন্তু সেইটো নহয় একেদিনে পৰিবহন বিভাগটো এনে অৱস্থা হোৱা নাই কোনো ভুল নীতিৰ কাৰণে এনে অৱস্থা হৈছে। পৰিবহন বিভাগত লিকেজ হয় কিন্তু এতিয়া হোৱা নাই। সেইটো এতিয়া নাই। ১২০০ গাড়ী আছিল কিন্তু এতিয়া ৬৮০খন গাড়ী আছে। এসময়ত নচলিলেও গাড়ী কেইখন বিপিয়াৰ কৰি হলেও চলাব পৰা অবস্থাত আছে। ৬৮০ খন গাড়ীৰ ভিতৰত যিমানখিনি ইনকাম হব লাগে হৈ আছে। ইতিমধ্যে দুৰ্নীতিৰ বিষয়ৰ লগত জৰিত থকা কৰ্মচাৰীৰ ওপৰত ব্যৱস্থা গ্ৰহণ কৰা হৈছে। আগতে ৰাজ্যিক পৰিবহন নিগমটোক ১২ কোটি টকা চাবচিডি দিয়া হৈছিল এতিয়া ৬ কোটি টকাহে দিয়া হয়। গতিকে চাবচিডিও কমি আহিছে, কৰ্মচাৰী সকলক নিয়মিয়া দৰমহা দিব পৰা নাই। পাৰিতোসিক দিব পৰা নাই।

* Speech not corrected

